# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

*BUDGET SESSION*

## VOL. I
## NO. 21

**The 12th March, 1974.**

Price Rs: 20.60

# CONTENTS

( Budget Session )

Volume—I

No—21

Dated Dispur the 12th March, 1974


| | Page |
|---|---|
| 1. Questions | 1 |
| 2. Statement by the Minister | 39 |
| 3. Calling Attention Notice | 43 |
| 4. General Discussion on the Budget | 44 |
| 5. Discussion Under Rule 49 | 96 |
| 6. Adjournment | 109 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1974

Tuesday, March 12, 1974

The House met at ten of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

## PENDING STARRED QUESTION NO. 29

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, প্ৰশ্নটোত এটা ভুল আছে, বৰঢলা নহয়, ৰহঢলা।

শ্ৰীসোণেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, (গ) প্ৰশ্নৰ উত্তৰত আৰ্থিক অনাটন হেতু ৪ৰ্থ ৫ম বাৰ্ষিক পৰিকল্পনাত ৰাস্তাটো লব পৰা নহল বুলি কৈছে, পঞ্চম পৰিকল্পনাৰ অন্তৰ্ভুক্ত কৰি লোৱাৰ ব্যৱস্থা কৰিবনে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী : চাব-ডিভিজনেল প্লেনিং বৰ্ডৰ পৰা ৰাস্তা লোৱা বিষয়ক কথাটো বিবেচনা কৰা হয়। গতিকে এইটো তেওঁলোকৰ বিবেচনাধীন।

শ্ৰীসোণেশ্বৰ বৰা : চাবডিভিজনেল প্লেনিং বৰ্ডে লোৱা ৰাস্তাও কেতিয়াবা নোহোৱা হব পাৰে, তেওঁলোকে নিশ্চয় এই ৰাস্তাটোৰ কথা অনুমোদন কৰিহে দিছে। এনে স্থলত এই ৰাস্তাটোৰ কথা চৰকাৰে নভবাৰ কাৰণ কি আৰু এই প্লেনিং বৰ্ডৰ ওপৰত চৰকাৰ বা গড়কাপ্তানি বিভাগৰ কোনো কৰ্তৃত্ব নাই নেকি ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী : তেওঁলোকে ঘ'ত প্ৰাইঅ ৰিটি দিয়ে তাত চৰকাৰে হস্তক্ষেপ নকৰে।

শ্ৰীজগদীশ চন্দ্ৰ দাস : অধ্যক্ষ মহোদয় প্লেনিং বৰ্ডে পঞ্চম পৰিকল্পনাৰ ওপৰত ভিত্তি কৰাৰ কিবা ব্যৱস্থা কৰিছেনে ? আৰু কিবা নিৰ্দেশ আহিছে নে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) : নিৰ্দেশ আহি আছে।

## Re : Fertilizer case of Lala Development Block

Shri Santosh Kumar Roy asked :

*261. Will the Minister, Agriculture be pleased to State—

(a) The year in which the fertiliser case of the Lala Development Block in the Hailakandi Sub-division was started and what is the latest position of the said case ?

(b) Whether it is a fact that the Anti corruption Department has made an enquiry and submitted report to to the Government and if so when the report was submitted ?

(c) Whether the Anti corruption Department has fixed any responsibility on any officers and if so, who are they ?

(d) Whether it is a fact that now the Agriculture Department is making enquiry into the affairs ?

(e) If so, how long it will take to finalise the decision of the enquiry report ?

(f) How many officers are involved in the case (Name them with their designation) ?

Shri Upendra Das (Minister, Agriculture) replied :

(a)—A police case regarding irregularities in the stock of fertiliser of Lala Development Block of Hailakandi Sub-division was srarted in 1967. The case is still under Police investigation.

(b)—Anti Corruption Branch enquired into the case. A preliminary report establishing a *prima-facie* case U/S 409/34 I.P.C. has been submitted. This report was submitted on 25th May, 1970.

(c)—The Anti corruption branch has established a *prima*

*facie* case U/S 409/34 I.P.C. against the following officers :—

(i) Shri Projit Kumar Das, Extension Officer (Agril.) Lala Development Block.

(ii) Shri Ahindra Sarkar, Agricultural Demonstrator (HQ). Lala Development Block.

(iii) Shri Badri Nath Rao, Agricultural Demonstrator in-charge of Abdullapur and Umednagar Agricultural Units in Lala Development Block.

(iv) Shri Naba Kishor singh, former Gram Sevak & I/C G.S. Unit. Joykrishna in the Lala Dev. Block.

(d)—Yes. The departmental inquiry is being conducted.

(e)—The departmental inquiry will be finalised as soon as possible.

(f)—The officers named in reply to (c) above are involved.

Shri Santosh Kumar Roy : Whether it is a fact that the then S.D.O. personally detected the truck by which the fertilizers were being taken away from the godown ?

Shri Upendra Das ( Minister, Agriculture ) : In the first instance when the report came the B.D.O. himself investigated the case and after that he informed the Police.

Shri Santosh Kumar Roy : It is a fact that when the S.D.O. detected the vehicle, in that vehicle the S.D.O. was there ?

Shri Upendra Das ( Minister ) : That information is not with me. The S.D.O. went to the godown and detected the case.

Shri Mohammad Umaruddin : What is the value of fertilizer in this case ?

Shri Upendra Das (Minister). : The value is not given

but the quantity has been shown: It was 18 tonnes of Ammun um Sulphate in 180 bags.

শ্রীকবীৰ চন্দ্ৰ ৰয় প্ৰধানী : অধ্যক্ষ মহোদয়, এই ব্লক সিলাকত ফাৰ্টি- লাইজাৰ বা অন্যান্য বস্তুৰ ক্ষেত্ৰত নানা ধৰণৰ খেলিমেলি হৈ আছে। এই খেলিমেলি লক্ষ্য কৰি দুৰ্নীতি পৰায়ণ কামবিলাক নাইকীয়া কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিবনে ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) : খেলিমেলিৰ ৰিপৰ্ট পোৱাৰ লগে লগে অনুসন্ধান কৰা হৈছে ।

শ্রীকবীৰ চন্দ্ৰ ৰয় প্ৰধানী : এতিয়ালৈকে কিমানবিলাক ব্লকত এনে খেলি মেলি হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) : সেইটো খবৰ মোৰ হাতত বৰ্ত্তমান নাই চাৰ।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া : অধ্যক্ষ মহোদয় মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে ১৯৬৭ চনতে খেলিমেলি হোৱা কেচবিলাক ১৯৬৭ চনতে পুলিচক তদন্ত কৰিবলৈ দিয়া হৈছিল। আজি ১৯৭৪ চন. ইমান দিনে এইবিলাক পুলিচে অধ্যয়ন কৰি আছে. এই কথাটো ৰাজ্যিক চৰকাৰৰ গৃহ বিভাগৰ দৃষ্টি গোচৰো কৰা হৈছিল । ৰাজহুৱা খণ্ডত হিচাব পৰীক্ষক কমিটিৰ পৰাও এইটো দেখা গল যে এই ধৰণৰ যিমান বিলাক কেচ আছে সেই সকলোবিলাক অনুসন্ধান কৰাৰ কাৰণে বহু বছৰ ধৰি পৰি আছে। চৰকাৰৰ ফালৰ পৰা কোনোবা বিভাগৰ জৰিয়তে ইয়াৰ ব্যৱস্থা লোৱাৰ দিহা কৰিব নোৱাৰে নে ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) : সেইটো অনুসন্ধান কৰি কেইবাজনো অফিচাৰ suspend কৰা হৈছে। সোনকালে সিদ্ধান্ত কৰিবলৈ চেষ্টা কৰা হৈছে।

Unless and until the Police is satisfied that there is a case, they would not submit any report.

Shri Manabendra Sarma : Sir, the Minister has stated that under section 409 they have been charge-sheeted. May I know whether the case is now pending in the Court or it is still in the hands of the Police ? Secondly, the Departmental enquiry was started in 1970. May I know

how much time it will take to complete the Departmental enquiry ?

Shri Upendra Das (Minister) : The Departmental enquiry is nearing completion. The documents have all been seized by the Police and they are now going to submit the charge-sheet. Unless the documents are received from the Police, the Departmental enquiry cannot be completed.

Shri Giasuddin Ahmed : It appears that three Departments are conducting the enquiry. May I know what is the co-relation between these three Departments in the matter of this enquiry ?

Shri Upendra Das (Minister) : The criminal case has been taken up by the Police and the Departmental enquiry has been taken up by the Department. The same kinds of documents are required by both the Police and the Department. All the relevant documents are with the Police and unless these documents are received, the Departmental proceeding cannot be completed. The Police shall have to send the documents to the Court.

Shri Premodhar Bora : Sir, what is the date of institution of the case ?

Shri Upendra Das (Minister) : It was on 25-3-67.

Shri Premodhar Bora : How long it is contemplated by Government for the case to be finalised ?

Shri Upendra Das (Minister) : As soon as possible, Sir.

Shri Premodhar Bora : May I know, Sir, whether in the mean time any Officer has been suspended in this connection ?

Shri Upendra Das (Minister) : I have already stated

Sir, that four Officers were placed under suspension in this connection.

Shri Giasuddin Ahmed : Sir, it has been said by the hon'ble Minister that the Anti-Corruption Branch had already submitted its report. May I know from the hon'ble Minister whether the report is under the examination of Police or the Department and which body is going to submit charge sheet to the Court ?

Shri Upendra Das (Minister)—A.C.B. has submitted its report to the Police and police are going to submit charge -sheet to the Court.

Shri Abdur Rahman Choudhury—Sir, it appears that police started investigation of the case in the year 1967 and A.C.B. initiated investigation in 1970 and Agriculture Department also started its own investigation and some persons were placed under suspension and thereby they are being paid subsistence allowance. Is it not a public drainage, drainage of the exchequer because of so much time being wasted in the course of investigation ?

Shri Upendra Das (Minister) : I admit, Sir, there was some delay, but it cannot be helped. Unless the case is established, charge-sheet cannot be submitted.

Shri Dulal Chandra Barua : Sir, May I know whether at any time the Agriculture Department at all took up the matter with the Police Department for early disposal of the case and secondly whether the officers concerned have been charge sheeted or the case still pending with the Police ?

Shri Upendra Das (Minister) : Sir, the case is still pending with the police and Agriculture Department reminded

the Police Department several times to finalise the matter and submit charge sheet to the Court.

Shri Dulal Chandra Barua : May I know the intention of the Government and the hon'ble Chief Minister in such matters when this is not only the single case of this kind, but there are hundreds of such cases on record when police investigation has been going on for years together and will not the Minister in charge take up the matter with the Home Secretary so that these cases are taken up for disposal early ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, this relates to the procedure. In some cases, the procedure is so complicated that it takes time. So it is very difficult to say how soon investigation will be completed. It relates to the procedure of enquiry.

Shri Dulal Chandra Khound : Sir, it has been stated by the Minister that police will find out whether there is any reasonable doubt or not; whether there is any prima facie case or not and secondly whether it is the business of the Police or Court to find out whether there is any reasonable or unreasonable doubt ?

Shri Upendra Das (Minister) : Sir, before the case is charge sheeted police must satisfy themselves of the position of the case, whether the case will be proved by the Court or otherwise. Therefore police is very cereful about thorough investigation before submitting charge sheet.

## Re : Assam Publication Board :

Shri Dulal Chandra Khound asked :

*262. Will the Minister, Education be pleased to state –

(a) Who was the Secretary of the Assam Publication Board prior to December, 1966 ?

(b) Whether during the tenure of the said Secretary the Publication Board Published a Book named "Panchatantra" and if so, who was the author of that Book ?

(c) Whether any meeting of the Executive of the Publication Board was held during the period from 19 4 to 1966 ?

(d) Whether it is a fact that the telephone connection at the Government expenses continued upto April, 1967 in the residence of the said Secretary ?

Shri Harendra Nath Talukdar (Minister, Education) replied :

(a)— Shri Biswanarayan Shastri was the Secretary of Publication Board Assam, prior to December, 1966.

(b)—Yes, and Shri Prabhat Ch Sarma, was the author of that book.

(c)—From 12th April, 1964 to January 1967 no meeting of the Executive Committee of the Publication Board was held.

(d)—Yes, Shri Shastri had the official telephone connection at his residence upto 30th April, 1'67. The outstanding dues for Trunk Calls upto that date was Rs. 340 8, which was initially paid by the Board.

Shri Dulal Ch Khound : Sir, whether it is a fact that the book Panchatantra was first published in the name of Mr. Shastri and subsequently it was changed to the real author, Shri Prabhat Chandra Sarma ?

Shri Harendra Nath Talukdar (Minister) : Yes, Sir.

Shri Dulal Chandra Khound—Sir, the author's name was subsequently changed, is it not a clear case of theft and if so, what action has been taken by the Government against this immoral act ?

Shri Harendra Nath Talukdar (Minister) : Sir, no action was taken till 7-12-73. On 7-12-73, there was a meeting of the Executive Committee of the Board and the matter was referred to the Government and it is under consideration of the Government.

Shri Dulal Chandra Khound— Sir, whether it is a fact that the same person is a member of the Executive Committee of the Sahitya Academi which awards prizes to outstanding authors and if so, whether such a person has any moral right to be in such a body ?

Shri Harendra Nath Talukdar (Minister) : I could not follow the question

Shri Dulal Chandra Khound Sir, whether the same person, Mr. Shastri, is a member of the Executive Committee of the Sahitya Academy which organisation awards prizes to outstanding authors and if he is a member, ie. if the answer is positive, do the Government think that such a person should be in such a body which awards prizes ?

Shri Harendra Nath Talukdar ( Minister —That is a new question, Sir, I want separate notice

Mr. Speaker—About the first question, whether he is a member of that Committee ?

Shri Harendra Nath Talukdar (Minister)— Yes, Sir, he is a member of the Committee.

Shri Dulal Chandra Barua Sir, when a man was caught

red-handed for indulging in such kind of corrupt practices which, in my opinion, is a case of section 420, why Government did not take any action till now against that particular officer ?

Shri Harendra Nath Talukdar (Minister) : Sir, I have already replied that on 7-12-73, there was a meeting of the Executive Committee of the Board and the matter was referred to the Government and Government is examining the case now.

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, এজন ৰাজনীতিজ্ঞৰ কাহিনী এই নামত নীলাচল বাতৰি কাকতত ধাৰাবাহিকভাবে কেইবাটাও প্ৰবন্ধ প্ৰকাশ পাইছে। এই গোটেই বিলাকেই দুৰ্নীতি সম্পৰ্কীয় আছিল। এনে অৱস্থাত এই শিতানত চৰকাৰে এই অভিযোগ সম্পৰ্কে পৰীক্ষা কৰি আৰু যদি সঁচা হয়, তাৰ কাৰণে উচিত ব্যৱস্থা লবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সেইবিলাক অভিযোগ কাগজত ওলাইছিল। আৰু সেই অভিযোগ বিলাক বৰ্ডত আলোচনা কৰা হৈছে। এই সম্পৰ্কত এখন চাব কমিটিও কৰা হৈছিল। আৰু চাব কমিটিৰ ৰিপৰ্ট মতে আমি বৰ্ডত সিদ্ধান্ত লৈছো। এই কথাবিলাক এতিয়া চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

Shri Dulal Chandra Khound – Sir, the Minister has replied that there was no meeting of the Executive Committee of the Board from 12th April 1964 to January 1967. May I know whether the money spent during this period and grants sanctioned are valid or invalid because there were no meetings of the Executive Committee during this long period ?

Shri Harendra Nath Talukdar (Minister)- Sir, there was an audit report and a remark is also there as such. He will

have to meet the audit objection first and then only position will be made clear:

Shri Giasuddin Ahmed : Sir, this matter of cheating came to the notice of the Government about a year ago. I want to know from the Minister whether any explanation was called for from Mr. Shastri as to how and under what circumstances he indulged in such immoral and breach of trust ?

Shri Harendra Nath Talukdar (Minister) : Sir, one year ago, we have received the complaint—I have already replied. The matter was discussed on 7-12-73 and the Publication Board then decided to forward the matter to the Government. The Publication Board forwarded this to Government on 10th December, 1973. And now this is under examination of the Government.

শ্ৰীবদন তালুকদাৰ : অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে, বৰ্ডত যিখন মিটিং হৈছিল সেই মিটিঙে কি মতামত দিলে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বৰ্ডে এটা ৰিজলিউচন দিছে। সেইটো মই পঢ়ি দিছো।

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো সঁচানে যে, 'ৰজাই ভাল দেখে যাক হাতী-ঘোঁৰাও নেলাগে তাক' আৰু এই কথাটোৱেই ইয়াত প্ৰযোজ্য হোৱা কথাটো সঁচানে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী : অধ্যক্ষ মহোদয়, সেইটো নহয়।

শ্ৰীতুলাল খাউণ্ড : মাননীয় অধ্যক্ষ মহোদয়, এই চেক্ৰেটেৰী জনে কিছুমান প্ৰেছ নাইকীয়া মানুহক পাণ্ডুলিপি দিছিল আৰু আগধন দিয়াৰ ফলত পাণ্ডুলিপিও ঘূৰাই পোৱা নগল আৰু বৰ্ডৰ ৩৫ হেজাৰ টকা লোকচান হোৱা কথাটো সচানে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তেনেকুৱা 'এলিগেশ্বন' আছিল আৰু সেইবিলাক এটা চাৰকমিটি কৰি চৰকাৰলৈ পঠাইছো।

Shri Harendra Nath Talukdar (Minister) : Sir, I am reading out the resolution. "The Executive Committee takes a serious view of the whole matter and considers the charges against Shri Shastri to be of a very grave nature and deserving of penal action. But taking note of the fact that the original appointment of Shri Shastri was made by the Govt. of Assam, the Committee feels that the matter should be referred to the Govt. of Assam for necessary action."

Shrimati Renuka Devi Barkataki : Sir, the Publication Board has appointed a Sub-Committee and that Sub-Committee, after going through the entire matter, has passed that resolution. May I know from the Hon'ble Minister whether a copy of that report will be made available to the Hon'ble Members of this House ?

Shri Harendra Nath Talukdar (Minister) : Sir, it is under examination of the Government.

Shri Dulal Chandra Khound : Sir, the Hon'ble Minister has very kindly read out the resolution of the Executive Committee of the Board. May I know from the Hon'ble Minister whether a copy of the resolution has been sent to Shri Shastri and National Book Trust ?

Shri Harendra Nath Talukdar (Minister) : Sir, I do not know exactly whether it has been sent to them or not. But I think it has not yet been sent.

Shri Dulal Chandra Barua : Sir, may I know from the Hon'ble Minister why the matter was referred to the Government instead of taking action by the Board ?

Shri Harendra Nath Talukdar (Minister) : Sir, I have already replied to that and read out the resolution.

Shri Dulal Chandra Barua : Sir, my point is that

why the Board could not take action and why this was referred to the Government and to make further delay in taking action ?

Shri Harendra Nath Talukdar (Minister) : Sir, there is no question of delay. Sir, this was referred to the Government as Shri Shastri was appointed by the Government.

## Re : Political sufferer's pension

Shri Chatra Gopal Karmaker asked :

*263. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that one Shri Dambarudhar Hazarika, P O. Sarupather under Golaghat Subdivision, has applied for political sufferer's pension repeatedly since a long time back ?

(b) Whether it is a fact that the above named political sufferer has received "Tamrapatra" ?

(c) If so, the reasons for not granting him political pension as yet ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

(a)-- One application for political sufferer's pension has been received from Shri Dambarudhar Hazarika through the Subdivisional Advisory Board.

(b)—Yes.

(c)—This is pending enquiry into his economic condition.

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, কোনোবাই তাম্ৰপত্ৰ পালে কিন্তু পেঞ্চন পোৱা নাই। কোনটো আগ হব লাগে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তাম্ৰপত্ৰ সকলোৱে পাব পাৰে কিন্তু পেঞ্চন সকলোৱে নেপাব পাৰে।

শ্ৰীসোনেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, এই পেঞ্চন পোৱা আৰু তাম্ৰপত্ৰ পোৱাৰ ভিত্তি কি কি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তাম্ৰপত্ৰ পোৱাৰ ভিত্তি হৈছে যি সকলে স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহন কৰি ৬ মাহ কাৰাবৰণ কৰিছিল আৰু পেঞ্চনৰ ভিত্তি হৈছে, যিসকল স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰিছিল আৰু যি সকলৰ অৱস্থা এতিয়া বেয়া ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, তাম্ৰপত্ৰ পোৱাৰ ক্ষেত্ৰত স্বাধীনতা সংগ্ৰামত ৬ মাহ জেইল খোৱা লোক হব লাগিব বুলি কৈছে আৰু পেঞ্চন পোৱাৰ ক্ষেত্ৰত স্বাধীনতা আন্দোলনত অংশ গ্ৰহন কৰা যি সকল লোক সেই সকলৰ আৰ্থিক অৱস্থা বেয়া হৰ লাগিব । কিন্তু মই আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক এই কথাটো সুধিব খুজিছো যে, পেঞ্চন পোৱাৰ ক্ষেত্ৰত এই কথাবিলাক বিশেষভাৱে অনুসন্ধান কৰি চোৱাৰ ব্যৱস্থা আছেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় এই ক্ষেত্ৰত তেখেত সকলৰ বয়স আৰু অৰ্থ নৈতিক অৱস্থাটো বিবেচনা কৰা হয় ।

শ্ৰীউপেন সনাতন ঃ অধ্যক্ষ মহোদয়: যি বিলাকৰ তাম্ৰপত্ৰ পোৱাৰ কাৰণে অধিকাৰ নেথাকে তেওঁলোকে পেঞ্চন পোৱাৰ অধিকাৰ থাকেনে নেথাকে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তাম্ৰপত্ৰ নেপালেও পেঞ্চন পাব পাৰে ।

শ্ৰীমতী প্ৰণীতা তালুকদাৰ ঃ অধ্যক্ষ মহোদয়, ৰাজনৈতিক নিৰ্য্যাতিতৰ ক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ৬ মাহ জেইল খাটিলে তাম্ৰপত্ৰ পায় আৰু আৰ্থিক অৱস্থা বেয়া থাকিলে ৰাজনৈতিক নিৰ্য্যাতিত হিছাবে পেঞ্চন পায় । কিন্তু মই জনাত বহুতো এনেকুৱা ৰাজনৈতিক নিৰ্য্যাতিত লোক আছে যি সকলে ৬ মাহ বা দুমাহ জেইল খোৱা লোকো আছে যি সকলে চৰকাৰৰ পৰা কোনো পেঞ্চন আদি পোৱা নাই এই কথাটো আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বিশেষ বিশেষ ক্ষেত্ৰত দৃষ্টি আকৰ্ষণ কৰিলে বিহীত ব্যৱস্থা লোৱা হব ।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে, অৰ্থ নৈতিক অৱস্থা বেয়া থকা ৰাজনৈতিক নিৰ্য্যাতিতই পেঞ্চন পাব পাৰে । কিন্তু মই এই কথাটো সুধিব খুজিছো যে, এই বিধান সভাত যিসকল সদস্য আছে সেই সকলৰ আৰ্থিক অৱস্থা ভালনে বেয়া আৰু

যদি বেয়া নহয়, তেতিয়াহলে এই সদনৰে সদস্য এজনে কেনেকৈ পেঞ্চন পালে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ মুখ্য মন্ত্ৰী : অধ্যক্ষ মহোদয়, তেখেতে বিধান সভাৰ সদস্যৰ যিটো কথা কৈছে সেইটো মতামতৰ কথা। এই বিষয়ে চৰকাৰে ব্যৱস্থা কৰা হব যদিহে এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰে।

Shri Ataur Rahman : Sir, Is it a fact that Shri Dambarudhar Hazarika has received a pension of Rs. 200/- p.m from the Central Government ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ মুখ্য মন্ত্ৰী : অধ্যক্ষ মহোদয় ৬ মাহ কাৰাবৰণ যি সকলে কৰিছে সেইসকলৰ কাগজ-পত্ৰাদি কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াই দিয়া হৈছে আৰু এইটো প্ৰমাণিত হলে পাব পাৰে।

শ্ৰীমতী প্ৰণীতা তালুকদাৰ : অধ্যক্ষ মহোদয়, এইটো কথা সত্যনে যে বহুতো ৰাজনৈতিক নিৰ্য্যাতিত লোকে ৰাজ্যিক চৰকাৰৰ পৰা কোনো পেঞ্চন আদি নোপোৱাকৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা পেঞ্চন আদি পাই আছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী : অধ্যক্ষ মহোদয়, এইটো পাব পাৰে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : পেঞ্চন পোৱাৰ ক্ষেত্ৰত যি বিলাক ৰাজনৈতিক নিৰ্য্যাতিতৰ অৰ্থনৈতিক অৱস্থা বিবেচনা কৰা হয় সেই সকলৰ অৰ্থনৈতিক ক্ষেত্ৰত কিবা সীমা আছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয় এইক্ষেত্ৰত প্ৰণয়ণ কৰা বিধিত তাৰ সংখ্যা নাই। বিশেষ অৱস্থা বিবেচনা কৰিহে চৰকাৰে এই সম্পৰ্কে ব্যৱস্থা গ্ৰহণ কৰে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, ৰাজনৈতিক পেঞ্চন আৰু তাম্ৰপত্ৰ বিতৰণৰ ক্ষেত্ৰত হোৱা খেলিমেলিৰ অনুসন্ধান কৰিবলৈ কিবা অনুসন্ধান কমিটি গঠন কৰা হৈছেনেকি আৰু যদি গঠন কৰা হৈছে তেতিয়াহলে, কাক কাক লৈ এই অনুসন্ধান কমিটি গঠন কৰা হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, গঠন কৰা হৈছে শ্ৰীলক্ষীধৰ বৰা, শ্ৰীৰবীন নবিচ আৰু শ্ৰীমহেন্দ্ৰ হাজৰীকা।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, কনভেনৰ জনৰ বিৰুদ্ধে কিছুমান অভিযোগ পাইছেনেকি আৰু যদি পাইছে তেতিয়াহলে, তাৰ বিষয়ে অনুসন্ধান আদি চলোৱা হৈছেনেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ে কোনো অভিযোগ

আদি পোৱা হোৱা নাই ।

শ্ৰীনগেন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজনৈতিক পেঞ্চনৰ কাৰণে কেতিয়া দৰ্খাস্ত দিছিল ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, দৰ্খাস্ত দিছিল ১৯৭১ চনৰ চেপ্তেম্বৰৰ দুই তাৰিখে ।

শ্ৰীনগেন বৰুৱা ঃ অধ্যক্ষ মহোদয়, এই মানুহ জনে তাম্ৰপত্ৰ পালে আৰু তেখেতে পেঞ্চনৰ কাৰণেও দৰ্খাস্ত কৰিছিল কিন্তু আজিলৈকে এইকেচটো ডিছপজ নোহোৱাৰ কাৰণে তেখেতক পেঞ্চন দিব পৰা নাই । এই তাম্ৰপত্ৰ পোৱা মানুহজনক পেঞ্চন দিব নোৱাৰাৰ কাৰণটো কি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তাম্ৰপত্ৰৰ কাৰণে আবেদন কৰিব নেলাগে । স্বাধীনতাৰ কাৰণে যি সকলে কাৰাবৰণ কৰিছে (৬ মাহ), জিলা পৰ্য্যায়ৰ এডভাইজৰি তদন্ত কমিটিয়ে এইটো অনুসন্ধানকৰি তেওঁবিলাকৰ এখন তালিকা প্ৰস্তুত কৰে আৰু সেই মতে যোগ্য লোকসকলকহে তাম্ৰপত্ৰ দিয়া হয় । সেইকাৰনেই যি সকলে তাম্ৰপত্ৰ পাইছে সেইসকলৰ ক্ষেত্ৰত বয়স আৰু অৰ্থনৈতিকতাৰ কথা নাই তাম্ৰপত্ৰ পোৱাৰকাৰণে চৰকাৰী চাকৰিয়াল সকলেও পাৰপাৰে যদিহে তাম্ৰপত্ৰ পোৱাৰ কাৰণে থকা বিধি নিয়মৰে প্ৰস্তুত কৰা তালিকাত তেওঁবিলাক পৰে । পেঞ্চনৰ কাৰণে যি সকলে স্বাধীনতাৰ আন্দোলনত সক্ৰীয় অংশ গ্ৰহণ কৰিছিল, যাৰ বৰ্ত্তমান সমাজত অৰ্থনৈতিক অৱস্থা বেয়া আৰু যাৰ বয়স ৫৫ বছৰ পাৰ হৈ গৈছে....এই সকলো বিলাক কথা বিবেচনা কৰিহে পেঞ্চন দিয়া হয় । এই ক্ষেত্ৰত এইখিনিয়েই কথা ।

শ্ৰীপ্ৰেমধৰ বৰা ঃ অধ্যক্ষ মহোদয়, ভাৰতৰ স্বাধীনতা আন্দোলন হৈছিল ১৯৪২ চনতে আৰু ৰাজনৈতিক পেঞ্চনৰ ক্ষেত্ৰত আজি ১৯৭৪ চনলৈকে ব্যৱস্থা নিৰ্দ্ধাৰণৰ কাম চলি আছে । এই ক্ষেত্ৰত আৰু কাম বাকী আছেনেকি আৰু এই ব্যৱস্থা কিমানদিনলৈকে অব্যাহত থাকিব ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইখিনিৰ কাম চমু চপাই আনিছোঁ । বিশেষ অনুসন্ধান কমিটি কৰি এইটো সমাপ্ত কৰিব খুজিছো ।

শ্ৰীজগদীশ দাস ঃ অধ্যক্ষ মহোদয়, তাম্ৰপত্ৰ দিয়াৰ ক্ষেত্ৰত আমি দেখিছো যে তাম্ৰপত্ৰ পাবলৈ হলে কিছুমান ৰাজনৈতিক কৰ্য্যকলাপত গুৰুত্ব থাকিব লাগিব । কিন্তু এই যি দুজন লোকক তাম্ৰপত্ৰ দিয়া হৈছে তেখেতসকলে কোন-

টো ৰাজনৈতিক আন্দোলনত বেছি অৰিহণা যোগাইছিল ? আৰু তেখেতসকলৰ আৰ্থিক অৱস্থালৈ চাই ৰাজনৈতিক পেঞ্চন পাবৰ যোগ্য হয় নে নহয়-সেই বিষয়ে জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ : সেই কথা জনাহলে ইনান দিনে পেঞ্চন হলহেতেন।

শ্ৰীউপেন সনাতন : অধ্যক্ষ মহোদয় যিজনে পেঞ্চন পাইছে সেই জনৰ বয়সৰ কথা আছে, কিন্তু ১৯৪৭ চনৰ পাছত বয়সৰ কথা নাহে। গতিকে এই পেঞ্চন পোৱা লোক জনৰ বয়স কিমান ? আৰু কোনঠাইত কেই মাহ—কেই দিন জেইল খালে সেইবিষয়ে সদনত জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ : এইটোৰ বাবে বেলেগ প্ৰশ্ন লাগিব।

## RE—SECRETARY OF AIDED HIGH SCHOOLS

Shri Giasuddin Ahmed asked :

*264. Will the Minister, Education be pleased to state-

(a) Whether it is a fact that in many aided High Schools under the Goalpara District Circle Sub-Inspectors of Schools have been nominated as Secretaries ?

(b) If so, whether the rank of a Sub-Inspector of Schools is considered to be above that of the Headmaster of an aided High School ?

Shri Harendra Nath Talukdar (Minister, Education) replied

(a) In some Schools Sub-Inspector of Schools have been so nominated.

(b)— No.

Shri Giasuddin Ahmed : Whether Government issued any circular to the effect that no S. I. of schools should be appointed as Secretary to aided high schools ? Whether any such circular was issued ?

Shri Harendra Nath Talukdar (Minister) : That will have to be examined. It has not come to my notice yet.

Shri Giasuddin Ahmed : There was a clear direction from the Government that no S. I. of school should be appoin-

ted as Secretary. In view of that circular how could Inspector of Schools nominate some S. Is. as Secretaries of some high schools ?

Shri Harendra Nath Talukdar (Minister) : I have already replied. I will have to examine.

শ্ৰীনগেন্দ্ৰ নাথ বৰুৱা : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে 'বি' ৰ উত্তৰত কৈছে 'ন'। Whether the rank of Sub-Inspector of Schools is Considered to be above that of a Head Master of an aided high School ইয়াৰ দ্বাৰা হেড মাষ্টৰৰ ৰেংক এচ. আই, অৱ স্কুলচ'ৰ ৰেংকতকৈ ওপৰত বুলি স্বীকাৰ কৰিছে। কিন্তু হেড মাষ্টৰৰ ৰেংক বেছি হোৱা স্বত্বেও এচ, আই পৰ্য্যায়ৰ লোকক অন্যান্য স্কুল বিলাকত চেক্ৰেটৰী কৰা ব্যৱস্থাটো ৰহিত কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : চাকৰিৰ ক্ষেত্ৰত পৰ্য্যায় বা ষ্টেটাচ লৈ আমি চেক্ৰেটৰী নিৰ্ণয় কৰা নাই। যি জনক যোগ্য বুলি বিবেচনা কৰা হৈছে সেই জনকেই দিয়া হয় আৰু ইয়াত কোনো কুৱালিফিকেচনৰ কথা নাই।

শ্ৰীপ্ৰবীন কুমাৰ চৌধুৰী : হেড মাষ্টৰে জইন্ট চেক্ৰেটৰী হয় নে নহয় ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : কোনো কোনো ঠাইত হয়।

শ্ৰীকবীৰ ৰয় প্ৰধানী : এল. পি স্কুলৰ শিক্ষকে হব পাৰে নে নোৱাৰে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী) : হব পাৰে।

## RE—GOVERNING BODY OF COLLEGE

Shrimati Pranita Talukdar asked :

*265. Will the Minister, Education be pleased to state-

How far the Government Body of a College can interfere the works of a Principal ?

Shri Harendra Nath Talukdar (Minister; Education) replied :

The duties of the Governing Body of a college are embodied in Rule 12, 13 and 14 of the Assam Aided College Management Rules, 1965 and 1966 and copies of the same are placed on the Table of the House.

Smti. Pranita Talukdar : May I know whether the governing body can interfere in the administration of a college?

Shri Harendra Nath Talukdar (Minister Education) : I have already stated under Rule 12, 13 and 14 the duties are governed and these are placed on the table of the House.

RE—PURCHASE OF BOOKS FOR STATE LIBRARIES

Srimati Renuka Devi Barkataki asked :

*266. Will the Minister, Education be pleased to state—

(a) What was the total allotment against the head "purchase of books" for State Libraries in Assam during 1972-73 ?

(b) What was the amount spent up-till-now ?

(c) What is the procedure of purchase and selection of books for those libraries ?

Shri Harendra Nath Talukdar (Minister, Education) replied :

(a)—Total allotment under the head 'Purchase of Books' during the year 1972-73 was 83,000.

(b)—No amount out of the above allotment could be utilised during the year of sanction.

(c)—Books approved by the State Book selection Committee are purchased through purchase Board.

Smti. Renuka Devi Barkataki : Sir, the Minister said that no amount uptill now could be spent on this account. May I know what is the reason for inability of the Govt. to spend the amount for purchase of books ?

Shri Harendra Nath Talukdar (Minister, Education) : Sir, there is a Purchase Board and there was a meeting also on 5.2.73, quotation were called for and after that no action was taken by the D.P.I. to purchase books.

Smti. Renuka Devi Barkataki : May I know from the Minister who are the members of the Purchase Board and also whether the D.P.I is responsible for purchase of books or the Purchase Board is responsible for non-implementation of Government decision ?

Shri Harendra Nath Talukdar (Minister Education) : Sir, these were the members at that time and not now- D P.I., Assam Chairman; Secretary, Education or his representative-Member; Financial Commissioner and Secretary Finance, Assam or his representative-member; Addl. D.P.I (Plains) Assam member; Financial Adviser, Education-member; Finance and Accounts Officer, Directorate and public Instruction, Assam Convenor.

Smti. Renuka Devi Barkataki : Sir, the reply was not given. All our libraries in districts and subdivisions are suffering from lack of books and the D.P.I. and a high powered Purchase Board have failed to purchase books inspite of allotment of funds. Now what action the Government has taken against the person responsible for this ?

Shri. Harendra Nath Talukdar (Minister Education) : Proceeding was drawn up against the person.

Shri Dulal Chandra Barua : After final approval from the purchase Board who is to process the matter ?

Shri Harendra Nath Talukder (Minister Education) : D.P.I.

Shri Dulal Chandra Barua : What is the amount ear marked for purchase of books ?

Shri Harendra Nath Talukdar ( Minister Education ) : I have already replied.

Shri Dulal Chandra Barua : Whether this is to be surrendered this year ?

Shri Harendra Nath Talukdar (Minister Education) : No.

Shri Probin Kumar Choudhury : Whether books purchased for Shillong State Central Library were brought to Gauhati ?

Shri Harendra Nath Talukdar, (Minister) : That will be decided according to North Eastern Areas Reorganisation Act.

Smti. Pranita Talukdar : How many times purchase is made in a year ?

Shri Harendra Nath Talukdar (Minister) : Once.

Smti. Renuka Devi Barkataki : Who was the D.P.I. at that time ?

Shri Harendra Nath Talukdar (Minister) : I do not like to name the then D.P.I.

Smti. Renuka Devi Barkataki : There were two D.P.I.s in your time; who was the D.P.I. at that time ?

Shri Harendra Nath Talukdar (Minister) : Shri Kalinath Sarma.

Shri Dulal Chandra Barua : Is there any possibility of Purchasing those books now ?

Shri Harendra Nath Talukdar (Minister) : Yes, Sir.

Shri Dulal Chandra Barua : Whether any arrangement has been made ?

Shri Harendra Nath Talukdar (Minister) : All arrangements have been made.

Smti. Renuka Devi Barkataki : Proceedings have been drawn up against Ex D.P.I. Kalinath Sarma but whether the new D.P.I. has taken any action for purchase of books ?

Shri Harendra Nath Talukdar (Minister) : Yes Sir. Uptill now Rs. 88,476·48 has been spent and orders are placed worth Rs. 84,177, orders being placed with local firms as per

selection made on spot by the committee appointed by the Purchase Board Rs. 60,000.00.

Shri Md. Umaruddin : May I know whether this allocation is for the whole State or for a particular library ? If so, what about the share of the places where there is no district library ?

Shri Harendra Nath Talukdar (Minister) : This is for all State, Subdivisional and District libraries.

Shri Md. Umaruddin : Where there is no district library, what about their share ?

Shri Harendra Nath Talukdar (Minister) : The books will go from the Central Library.

Shri Laksmi Kanta Saikia : ১৯৭২-৭৩ চনৰ কাৰণে কমিটিয়ে নিৰ্ব্বাচন কৰি দিয়া কিতাপবোৰ কিনাৰ উপৰিও আন কিতাপ দিয়া হবনেদি ?

Shri Harendra Nath Talukdar (Minister) : বাছনি কমিটিয়ে বাচি দিয়া কিতাপ কিনাৰ উপৰিও কিছু বেলেগ কিতাপো কিনা হব ।

## RE-PAKALAGI IRRIGATION SCHEME

Shri Golak Chandra Patgiri asked .

*267. Will the Minister, Irrigation be pleased to state –

(a) Whether it is a fact that Government has sanctioned an amount for Pakalagi Irrigation Scheme in Kokrajar Sub-division ?

(b) Whether it is also a fact that the detailed survey work was also not done according to the original scheme and t e scheme submitted to the Government for sanction ?

(c) What is the ground of alteration of the schemes ?

(d) Whether Government propose io implement the above scheme within the financial year ?

Shri Bishnu Prasad (Minister of State, Irrigation) replied :

(a) – Yes. The Pakalagi lift Irrigation Scheme was accorded with administrative approval for an amount of Rs. 14,27,000.00 only.

(b) Yes. The originally proposed pump site near village Abadi has been found during detailed survey to be under active erosion and unsuitable for installation of pumps. Hence a new site further upstream of the National Highway had to be selected requiring change in alignment of canal etc.

(c) – Does not arise in view of above.

(d) – Yes The scheme will be taken up forexecution during the financial year 1674-75.

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি ঃ কোকৰাঝাৰ মহকুমাত এই যিটো পকালাগী বান্ধ দিয়া হল সেইটো কোকৰাঝাৰ মহকুমাত হৈছে আৰু ভোৰকাডোবা নদীত হে হৈছে এই বান্ধটো আৰু দ্বিতীয়তে এই বান্ধটো বালিৰ ওপৰত পৰি আছে এইটো কথা সঁচানে ?

শ্ৰীবিষ্ণু প্ৰসাদ : অধ্যক্ষ মহোদয়, মই প্ৰশ্নোত্তৰত কৈছোৱেই যে যিখিনিত বহুৱাৰ কথা আছিল তাত ডিটেইল চাৰ্ভে কৰাৰ পিছত দেখা গৈছে যে তাত বহুৱাব পৰা নহয় সেই কাৰণেই আধা মাইল তললৈ অনা হল।

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি ঃ যি ঠাইত বহুৱাবৰ কথা আছিল তাত পাৰ্টচ খিনি বালিত পৰি আছে এই কথা সঁচানে ?

শ্ৰীবিষ্ণু প্ৰসাদ ঃ এইটো সঁচা। সেই কাৰণেই অন্য ঠাইত সজাব আৰু এইটো বহুৱাবৰ কাৰণে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

শ্ৰীআতাউৰ ৰহমানঃ May I know on which bank of the river project has been undertaken]?

শ্ৰীবিষ্ণু প্ৰসাদ ঃ এই খিনি আচলতে মৰা মানস। নদীখনে ঠায়ে ঠায়ে বেলেগ নাম লৈছে।

শ্ৰীআতাউৰ ৰহমান ঃ I want to know on which bank.

শ্ৰীবিষ্ণু প্ৰসাদ ঃ অধ্যক্ষ মহোদয়, বেংকৰ কথাটো ইয়াত নাই কিন্তু যি নদীত বহুৱাবলৈ চেষ্টাকৰা হৈছে সেইটো হৈছে মৰা মানস।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : পানীৰ মাজত বহুৱাবলৈ চেষ্টা কৰিছে নেকি নে কোন বেংকত বহুৱা হব ?

শ্ৰীবিষ্ণু প্ৰসাদ : অধ্যক্ষ মহোদয়, সেইটো কথা উল্লেখ নাই।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : এই পানী যোগান ব্যৱস্থাৰ কথা যে কৈছে পাৰত যোগাবনে নদীৰ মাজত পানী যোগান ধৰিব

শ্ৰীবিষ্ণু প্ৰসাদ : অধ্যক্ষ মহোদয় যি কেইখন গাওঁত পানী দিয়া হব সেই কেইখন হল টকোবাৰী, আওদী, পানপাৰা বহাইচৌকিনি চৌকিশালী. ঘাওবাৰী, নোৱাগাওঁ, আনলাগুৰী, বেচামাৰী আৰু বঙ্গলাপাৰা।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : কোন পাৰত ?

শ্ৰীআতাউৰ ৰহমান : Sir, the names dicates the project must have been undertakn on the r ght bank of the river. But is it not a fact that due the project being undertaken on the right bank the villages libroha Borhaied on the left bank has been affected very badly ?

শ্ৰীবিষ্ণু প্ৰসাদ : এইটো পশ্চিম পাৰত।

অধ্যক্ষ : আপুনি ৰহমানৰ প্ৰশ্নৰ উত্তৰ দিয়ক।

Shri Ataur Rahman : Sir, the names of the villages read out by the Minister indicate that the project must have been undertaken on the right bank of the river. Is it not a fact that due to the taking up of the project on the right bank, on the left bank, the villages like Raha etc, have been affected very badly ?

Shri Bishnu Prasad (Minister of State) : No, Sir.

শ্ৰীগোলক চন্দ্ৰ পাটগিৰি : মোৰ প্ৰশ্নৰ সঠিক উত্তৰ পোৱা নাই। বালিত পৰি থকা কথা সঁচা হয়নে নহয় ?

শ্ৰীবিষ্ণু প্ৰসাদ : এইটো বালিত পৰি থকা কথা নহয়। ১৯৭৪-৭৫ চনৰ বিত্তীয় বছৰত এক্সিকিউচন কৰা হব।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড : মন্ত্ৰী মহোদয়ে কৈছে পশ্চিম পাৰত বুলি কিন্তু নদীৰ কোনো পশ্চিম বা পুব পাৰ নাই। নদীৰ ক্ষেত্ৰত বাওঁফালে আৰু

সোফালে বুলিছে কয়। মন্ত্ৰী ডাঙৰীয়াই কব নে এই নদীখন ক'ৰ পৰা ওলাই ক'ত পৰিছে ?

শ্ৰীবিষ্ণু প্ৰসাদ : ভূটান ফুটছিলচ্ৰ পৰা ওলায় মানাসত পৰিছে।

শ্ৰীনগেন বৰুৱা : এই পানীযোগান ব্যৱস্থা জীৱন্ত নদীত হৈছে নে মৰা নদীত হৈছে ?

শ্ৰীবিষ্ণু প্ৰসাদ : নদীখন জীয়া কিন্তু নামটো মৰা মানস।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : প্ৰশ্নৰ উত্তৰ ঠিক দিব নোৱাৰে যেতিয়া প্ৰশ্ন নিদিয়াই ভাল।

শ্ৰীবিষ্ণু প্ৰসাদ : প্ৰশ্নকৰ্ত্তাই যি বিচাৰে সেইটোহে দিছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : সোঁফালে, বাওঁফালে পঢ়ি আহিব লাগে। কিন্তু পঢ়ি অহা নাই।

শ্ৰীবিষ্ণু প্ৰসাদ : পঢ়ি আহিছো, প্ৰশ্ন কৰিলেই বুজিব পাৰিব।

**Starred Question No. 268 was not taken up as the Hon'ble questioner was absent**

## বি গমিৰি মীন সমবায় সমিতি

শ্ৰীকন্দৰ্প কুমাৰ দাসে সুধিছে :

*২৬৯। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰ মহকুমাৰ গমিৰি মীন সমবায় সমিতিখনক ছয়দুৱাৰ ব্ৰহ্মপুত্ৰ আৰু খাবৈ বিল মীন মহল কেতিয়া পট্টন দিয়া হৈছিল ?

(খ) উক্ত মহলটো কিমান টকাত পট্টন দিয়া হৈছিল ?

শ্ৰীউপেন্দ্ৰ দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) যোৱা ১৭।৯।৭৩ তাৰিখে তেজপুৰ মহকুমাৰ গমিৰি মীন সমবায় সমিতিখনক ছয়দুৱাৰ ব্ৰহ্মপুত্ৰ আৰু খাবৈ বিলখন চমজি দিয়া হয় ও সেই তাৰিখৰ পৰা বিলখন এই সমিতিৰ নামত আছে।

(খ) উক্ত সমিতিক মীন মহলটো বছৰি ৫২,১০১ টকাৰ পট্টন দিয়া হৈছে।

শ্ৰীকন্দৰ্প কুমাৰ দাস : এই সমবায় সমিতি খনে দিবলগীয়া কিবা টকা বাকী আছে নেকি ?

শ্ৰীউপেন্দ্ৰ দাস : এইখন চোচাইটিৰ কোনো বাকী নাই।

**অধ্যক্ষ : হ'ল উত্তৰ।**

## বি ঃ লক্ষীমপুৰ জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়

শ্ৰীলীলাকান্ত দাসে সুধিছে ঃ

*২৭৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লক্ষীমপুৰ জিলাত উপায়ুক্তৰ স্থায়ী কাৰ্য্যালয় সজাৰ কাৰণে চৰকাৰে কেনে ধৰণৰ কাৰ্য্যকৰী ব্যৱস্থা হাতত লৈছে ?

(খ) ১৯৭৪-৭৫ চনৰ ভিতৰতে লক্ষীমপুৰ জিলাৰ উপায়ুক্তৰ স্থায়ী কাৰ্য্যালয় সজোৱাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

(গ) সচিবালয় আৰ্হিত উপায়ুক্তৰ কাৰ্য্যালয়ৰ লগতে জিলা সদৰৰ সকলো বিভাগৰ কাৰ্য্যালয় বিলাক এটা ঘৰতে স্থাপন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক)—গড়কাপ্তানি বিভাগৰ পৰা চৰকাৰে এতিয়ালৈকে প্ৰাক্-কলন আৰু আঁচনি নোপোৱাৰ বাবে এই বিষয়ে বিবেচনা কৰিব পৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ)—আঁচনি পালে প্ৰস্তাৱিত কাছাৰীঘৰত জিলাৰ সকলোবোৰ সদৰ কাৰ্য্যালয় সামৰি লোৱা প্ৰশ্নটো বিবেচনা কৰা হব।

শ্ৰীলীলাকান্ত দাস ঃ মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয় সাজিবলৈ গড়কাপ্তানী বিভাগক প্ৰাক-কলন দাখিল কৰিবলৈ কোৱা হৈছিল নেকি ?

শ্ৰীপৰমানন্দ গগৈ ঃ এইটো সংবাদ মোৰ হাতত বৰ্ত্তমান নাই।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ পি-ডব্লিউ-ডি আৰু ৰাজহ একে চৰকাৰৰে বিভাগ নহয় নেকি যে ইটোৱে সিটো বিভাগৰ ওপৰত বদনাম দি থাকে ?

শ্ৰীপৰমানণ্ড গগৈ ঃ বদনাম দিয়াৰ কথা নহয়।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ ৰাজহ বিভাগৰ পৰা কিমান তাৰিখে দিয়া হৈছিল পি-ডব্লিউ-ডি বিভাগক ?

শ্ৰীপৰমানন্দ গগৈ ঃ জিলাৰ উপায়ুক্তইহে দিয়ে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ জিলাৰ উপায়ুক্তৰ ফালৰ পৰা কোনো ধৰণৰ নিৰ্দেশ দিয়া হোৱা নাই বুলি মন্ত্ৰী মহোদয়ে কয় নেকি ?

শ্ৰীপৰমানন্দ গগৈ ঃ অনুমানৰ ওপৰত কোৱা অসম্ভৱ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ ৰাজহ বিভাগৰ পৰা কোনো ধৰণৰ অনুৰোধ

গড়কাপ্তানী বিভাগক কৰা নাই এইটো সত্য নে?

শ্ৰীপৰমানন্দ গগৈ : ৰাজহ বিভাগে নকৰে, জিলাৰ উপায়ুক্তই কৰে।

শ্ৰীহুলাল চন্দ্ৰ বৰুৱা : জিলাৰ উপায়ুক্তকো কথা সুধিবৰ কাৰণে ইয়াতে বহুৱাই ৰাখিব লাগিব নেকি?

শ্ৰীপৰমানন্দ গগৈ : আমাৰ হাতত থকা সংবাদৰ পৰাই উত্তৰ দিছো।

শ্ৰীহুলাল চন্দ্ৰ বৰুৱা : আমি জিলাৰ উপায়ুক্তক আনি ইয়াত বহুৱাই শুনিম নে মাননীয় মন্ত্ৰী মহোদয়ৰটো শুনিব লাগিব?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) : উত্তৰটো ময়ে দিছো।

শ্ৰীহুলাল চন্দ্ৰ বৰুৱা : ৰাজহ বিভাগে উত্তৰ দিছে যে গড়কাপ্তানি বিভাগে আঁচনি প্ৰস্তুত কৰি দিয়া নাই। ৰাজহ বিভাগলৈ কেতিয়া লিখা হৈছিল? কি

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) : তাৰিখটো মোৰ হাতত নাই। কিন্তু কিম বিষয়ে উপায়ুক্তই দিছিল সেই হিচাপ মোৰ হাতত দিছে। কিন্তু কিম তাৰিখে দিছে তাৰিখটো মোৰ হাতত নাই। তেখেতে যিখন ডাঙৰ চি আমালৈ পঠিয়াইছে তাৰ পৰা অনুমান হয় নিশ্চয় লিখিছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : এই চিঠিখনৰ তাৰিখ কিমান?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : ৰাজহ বিভাগে ইতিমধ্যে গড়কাপ্তানি বিভাগ বদনাম দি থৈছে।

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) : বদনামৰ প্ৰশ্ন নহয়। উত্তৰটো দিব তাৰিখটো মোৰ হাতত নাই। দোষ হৈছে যদি ক্ষমা কৰিব সুযোগ দিয়ক।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : মই সুধিব খুজিছো উপায়ুক্তই কেতিয়া কাগজ দিছিল, কেতিয়া আহিছে আৰু কি লিখিছে, তাৰিখটো তাত লিখা আছে নে

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) : উপায়ুক্তই ১৯।২।৭৪ তাৰিখে দি উপায়ুক্তই জনাইছে যে প্ৰাক কলনৰ কাৰণে গড়কাপ্তানী বিভাগলৈ লিখা কিন্তু পোৱা নাই।

শ্ৰীলীলাকান্ত দাস : ১৯৭১ চনৰ ২ অক্টোবৰ তাৰিখত লক্ষীমপুৰ জি নতুনকৈ গঠন হয়। তাৰ আগৰ পৰাই উত্তৰ লক্ষীমপুৰ মহকুমাধিপতিৰ ক লয় এটা অসম টাইপ ঘৰত চলি আছে। ১৯৭১ চনৰ পৰা আজি চনৰ এপ্ৰিল মাহলৈ এখন জিলাৰ সদৰৰ কাৰণে এটা স্থায়ী ঘৰ নি কাৰণে চৰকাৰে কিমান প্ৰয়োজন বুলি ভাবিছে জনাব নে?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী ঃ অপ্ৰয়োজনীয় নহয় অতি প্ৰয়োজনীয় কাৰণেই গড়কাপ্তানি বিভাগলৈ প্ৰাক্‌কলনৰ কাৰণে লিখা হৈছে, নিশ্চয় তাৰ ব্যৱস্থা কৰা হব।

শ্ৰীপ্ৰেম বৰা ঃ অতদিনে যি হ'ল হ'ল ৩ বছৰটো পাৰেই হ'ল। এতিয়া চৰকাৰে কিমান সোনকালে পৰীক্ষা কৰ ব্যৱস্থা লব বুলি আশ্বাস দিব পাৰে ?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) ঃ চৰকাৰে আশ্বাস দিবলৈ অসম্ভৱ।

শ্ৰীলীলাকান্ত দাস ঃ মন্ত্ৰী মহোদয়ে জনাইছে যে উপায়ুক্তই ১৯।২।৭৪ তাৰিখে জনাইছে। মই সেই ঠাইৰ বিধান সভাৰ সদস্য হিচাবে মই ইয়ালৈ অহাৰ পিচতে এই সম্পৰ্কে এটা প্ৰশ্ন দিছিলো কিন্তু আজিলৈকে তাৰ উত্তৰ নাপালো। এতিয়া মই জানিব খোজো লক্ষীমপুৰ জিলাৰ উপায়ুক্তৰ স্থায়ী কাৰ্য্যালয় সজাৰ বিষয়ে কি কৰিছে। পলমকৈ হলেও এতিয়াও স্থায়ী কাৰ্য্যালয় সাজিবৰ বাবে প্ৰাক্‌কলন যুগুত কৰাৰ বিষয়টো বিবেচনা কৰিছেনে ?

শ্ৰীপৰমানন্দ গগৈ ঃ বিবেছনা কৰা হব।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, মই জাদিব খোজো এই আঁচনিৰ শিতানত এইবাৰ বাজেটত টকা পইচা ধৰা হৈছেনে ? যদি ধৰিছে তেন্তে কিমান টকা ধৰিছে।

শ্ৰীপৰমানণ্ড গগৈ ঃ সেইটো চাব লাগিব।

শ্ৰীআতাউৰ ৰহমান ঃ অধ্যক্ষ মহোদয় যেতিয়া প্ৰাক্কলন আহ্বান কৰা হৈছে টকাৰ ব্যৱস্থা নিশ্চয় কৰা হৈছে। কিমান টকাৰ ব্যৱস্থা কৰা হৈছে ?

শ্ৰীপৰমানন্দ গগৈ ঃ প্ৰথমতে প্ৰাক্কলন বিচৰা হয় আৰু পিচতহে টকাৰ ব্যৱস্থা কৰা হয়

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ আমি জানিব বিচাৰিছো বাজেট প্ৰভিজন কৰা হৈছে নে নাই নে লক্ষীমপুৰ জিলাৰ সদস্য সকলক সন্তুষ্ট কৰিবলৈ আমুক তামুক গাইছে।

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) ঃ আমি বুজাত আগতে প্ৰকৃকলন আদি কৰি কিমান পইচাৰ দৰ্কাৰ হব সেইটোলৈ চাই বাজেট কৰা হয়। কিন্তু কিমান টকা লাগিব সেইটো নজনাকৈ বাজেটত ধৰা সম্ভৱপৰ নহয়।

## বিঃ ভাওনমাৰী P. G R ৰ সীমা

শ্ৰীআব্দুল হান্নান চৌধুৰীয়ে সুধিছে ঃ

*২৭১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ভাওনমাৰী P G,R ৰ সীমা ছয়গাওঁ চক্ৰ আৰু নলবাৰী চক্ৰৰ মাজত নিৰ্দ্ধাৰণ কৰা আছেনে ?

(খ) এই সীমা কেতিয়া নিৰ্দ্ধাৰণ কৰা হৈছিল আৰু এইটো শুদ্ধনে ?

(গ) যদি শুদ্ধ হয় যোৱা ২০।১২।৭৩ তাৰিখে উক্ত সীমা লৈ দুটা দলৰ মাজত ভীষণ মাৰপিট হোৱা কথা সচানে ?

ঘ) যদি সত্য হয় তাৰ প্ৰতিকাৰ কি ব্যৱস্থা লৈছে ?

শ্ৰীপৰমানন্দ গগৈ ৰাজহ বিভাগৰ মন্ত্ৰী য়ে উত্তৰ দিছে :

(ক)— ভাওনমাৰী P G R. খন বৰক্ষেত্ৰী চক্ৰৰ অন্তৰ্গত। ছয়গাওঁ বৰক্ষেত্ৰী ও পলাশবাৰী চক্ৰৰ সীমালৈ অলপ মতভেদ আছে।

(খ ছয়গাওঁ বৰক্ষেত্ৰী আৰু পলাশবাৰী চক্ৰৰ সীমা নিৰ্দ্ধাৰণৰ নিমিত্তে এটা জৰীপৰ কাম কামৰূপ জিলাৰ উপায়ুক্তই ১২।১২।৭৩ তাৰিখে শেষ কৰে। এই সীমা ও আগৰ সীমাৰ লগত প্ৰায় মিলিছে।

(গ) কিছুমান বেদখলকাৰী আৰু নদী খহনীয়া লোকৰ মাজত ২০।১২।৭৩ তাৰিখে মাৰপিট হোৱা কথাটো সচা।

(ঘ) নলবাৰী থানাত খবৰ দিয়াৰ পিছত পুলিচে যথাবিহিত ব্যৱস্থা লৈছে।

শ্ৰীআব্দুল হান্নান চৌধুৰী : মন্ত্ৰী মহোদয়ে জনাইছে যে ১২।১২।৭৩ তাৰিখে জৰীপৰ কাম সম্পাদন হৈছে কিন্তু তাৰ আগতে কামৰূপ জিলাৰ উপায়ুক্তই কি ভিত্তিত জৰীপৰ কাম সম্পূৰ্ণ নহোৱাত নলবাৰী মহকুমাৰ মহকুমাধিপতিক স্থায়ী বন্দবস্তী দিবৰ কাৰণে নিৰ্দেশ দিলে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) : আগতে এই সীমা চক্ৰ দুটাৰ মাজত গন্দোগোল থকা বুলি ভবা নাছিল কিন্তু যেতিয়া গন্দোগোলৰ সৃষ্ঠি হ'ল জৰীপ কৰিবলৈ কোৱা হৈছিল আৰু সেইমতে সীমা নিৰ্দ্ধাৰণ কৰা হৈছে।

শ্ৰীভূমিধৰ বৰ্ম্মন : এই পি জি আৰখনত এতিয়ালৈকে আৰু কিমান মাটি এলোটমেণ্ট নহোৱাকৈ আছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) : ৯০৬৭ বিঘা আছে।

শ্ৰীআতাউৰ ৰহমান : এই নদী খহিফু সীমা ৰেখা ৰখাৰ ব্যৱস্থা কি ?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) : এই বিলাক হৈছে চৰ এলেকা।

মাননীয় অধ্যক্ষ : সীমা খুটাৰ কি ব্যৱস্থা তেখেতে জানিব বিচাৰিছে ?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ মন্ত্ৰী) : নদীৰ ফালে নদীয়ে সীমা আৰু তাৰ বিপৰীতফালেও তেনেকৈ সীমা ৰেখাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : উত্তৰে শিমলু, দক্ষিনে শিমলু আৰু পূবে হাফলু সেই ব্যৱস্থাই চলি আছে নেকি ?

(প্ৰশ্নোত্তৰ কাল শেষ হ'ল)

Mr. Speaker : The question hour is over.

Under passed question of 12-3-74.

## বি : মীন মহল

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকীয়ে সুধিছে :

*২৭২। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মীন মহল সমূহক মীন নিগমৰ অধীনলৈ অনাৰ ব্যৱস্থা কিমান দূৰ আগ বাঢ়িছে ?

(খ) মীন মহল হব বুলি কিছুমান মীন মহলৰ ডাক বন্ধ ৰাখি কিছুমান ব্যক্তিগত ব্যৱসায়ীক চলাবলৈ দিয়া হৈছিল নেকি ?

(গ) যদি হৈছিল, সেই মীন মহল বিলাকৰ ব্যৱস্থা কি হৈছে ?

(ঘ) মীন নিগমে এতিয়ালৈ কিমান মীন মহলৰ কাম হাতত লৈছে ?

শ্ৰীউপেন্দ্ৰ দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক)—মীন মহল বিলাক নিগমৰ অধীনলৈ অনাৰ কাৰণে যাৱতীয় ব্যৱস্থা বৰ্ত্তমান শেষ পৰ্য্যায়ত আছে। ১৯৭৪-৭৫ চনৰ ভিতৰতে সকলো কাম শেষ হব বুলি আশা কৰা হৈছে।

(খ—দিয়া হোৱা নাই।

(গ)—প্ৰশ্ন নুঠে।

(ঘ)—যিহেতুকে মীন নিগম গঠনেই হোৱা নাই সেই প্ৰশ্ন নুঠে।

## RE : S.D.O'S OFFICE BUILDING AT HAILAKANDI

Shri Santosh Kumar Roy asked :

*273. Will the Minister P.W.D. (R. & B.), be please to state—

(a) Whether the Government is aware of the deplorab condition of the S D.O.'s office building at Hailakan

Sub-division ?

(b) If so, whether it is a fact that due to leakage in the office building some records have been spoiled ?

(c) If so, whether Government propose to re-construct the building ?

(d) If so, when ?

Dr. Lutfur Rahman (Minister, P.W.D. (R & B) replied :

(a) Yes.

(b) The leakage caused partial damage to some office records.

(c) & (d) Under consideration of Government.

## RE : LATERAL ROAD

Shri Golak Chandra Patsiri asked :

*274. Will the Ministe, Transport, be pleased to state—

Whether the lateral road from the Aie river bridge to SriRampur fulfils the conditions for nationalisation ?

Shri Harendra Nath Talukdar (Minister. Transport) replied :

Whether or not the lateral road from the Aie river bridge to SriRampur fulfils the conditions for nationalisation is not yet examined by the Assam and Meghalya States Road Transport Corporation.

## RE : KAKRIPARA JHAGRARCHER DARNI RIVER EMBANKMENT

Shri Nurul Islam asked :

*275 Will the Minister, Flood Control be pleased to State—

(a) Whether the plan and estimate for Kakripara Jhagrarcher Darni River Embankment has been prepared ?

(b) If so, whether fund is ready for the project ?

(c) If so, what is the total fund allotted for the project ?

(d) When it will be implemented ?

Shri Bishnu Prasad (Minister, of State, Flood Control) replied :

(a) The estimate as per revised alignment is prepared.

(b) No.

(c) Does not arise.

(d) It is proposed to be implemented after the Scheme is approved and funds are available.

## বিঃ মাছ

শ্ৰীলীলাকান্ত দাসে সুধিছে :

*২৭৬। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজ্যৰ অতি প্ৰয়োজনীয় খাদ্য সামগ্ৰীৰ ভিতৰত মাছকো প্ৰয়োজনীয় খাদ্য বস্তু হিচাবে ৰাজ্য চৰকাৰে গণ্য কৰিছেনে ?

(খ) অসম ৰাজ্যত বছৰি কিমান টন মাছৰ প্ৰয়োজন হয় আৰু সেই প্ৰয়োজনীয় মাছৰ দাম বৰ্ত্তমান বজাৰ মূল্যত কিমান টকা হব ?

(গ) অসমত উৎপাদিত মাছৰ ওপৰি কিমান টন অতিৰিক্ত মাছ বাহিৰৰ পৰা আনিবলগীয়া হয় আৰু সেই মাছৰ মূল্য কিমান হয় ?

(ঘ) অসমলৈ বাহিৰৰ পৰা আমদানি কৰিবলগীয়া মাছখিনি কৰ পৰা অনা হয় ?

শ্ৰীউপেন্দ্ৰ দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অতি প্ৰয়োজনীয় খাদ্য হিচাবে গণ্য কৰা হোৱা নাই।

(খ) অসমত বছৰি প্ৰায় ৬০ হেজাৰ টন মাছৰ প্ৰয়োজন হয আৰু সেই মাছৰ দাম গড়ে প্ৰতি কিলোত ৬ টকা হিচাবে ৩৬ কোটি টকা হয়।

(গ) বৰ্ত্তমানে তেনেকুৱা হিচাব ৰখা হোৱা নাই।

(ঘ) বিহাৰ, উত্তৰ প্ৰদেশ আৰু বাংলাদেশৰ পৰা মাছ অসমলৈ অনা হয়।

## RE : EDUCATED YOUTH OF BONGAIGAON EMPLOYMENT EXCHANGE

Shri Golak Chandra Patgiri asked :

*_77. Will the Minister, Labour be pleased to state—

(a) The total number of educated youth who registered their names through Bongaigaon Employment Exchange for jobs in the year 1973 ?

(b) How many of them have been absorbed in different Government Departments ?

(c) What are the total number of I.T.I. trained boys from Bongaigaon who registered their names through Bongaigaon Employment Exchange for jobs in the year 1973 ?

(d) How many of them have been absorbed in different Government Departments and in other way ?

Shri Gajen Tanti (Minister, Labour) replied :

(a) 873.

(b) 14.

(c) 58.

(d) 3.

## RE . CIRCLE HEAD QUARTERS AT MANKACHAR SOUTH SALMARA

Shri Nurul Islam asked :

*278 Will the Minister, Revenue be pleased to state—

(a) Whether the Government proposes to establish the Circle Head Quarters at Mankachar and South Salmara ?

(b) If so, the steps taken by Government in this regard ?

Shri Paramananda Gogoi (Minister, Revenue) replied :

(a) and (b) Circle Head Quarters have been already established at Mankachar and South Salmara.

Mr. Speaker : Now, Short Notice Question No 11

SHORT NOTICE

Questions and answers

Re : Service of an I.A.S. officer.

Dr. Robindra Kumar Goswami Asked :

11. Will the Chief Minister be pleased to state –

Whether it is a fact that an ex-Army personnel now holding the cadre of an I.A.S. Officer on State Quota (Assam) has been allowed to continue in his Services despite completing sixty years ?

Shri Sarat chandra Sinha (Chief Minister) replied : No.

Shri Atul Chandra Saikia : If I repeat the question then whether the Chief Minister will give the same reply as 'No'?

Shri Sarat Chandra Sinha (Chief Minister) : Yes Sir, 'No'.

Shri Atul Chandra Saikia : My information is that this gentleman has passed the matriculation in 1930 and according to the certificate his age on the 1st March, 1930 is 17 years 7 months and also according to the certificate his date of birth is .8.30. Will the Chief Minister enquire into it ?

Shri Sarat Chandra Sinha (Chief Minister) : Who is that officer Sir ? ( No reply )

Dr. Robindra Kumar Goswami : May I know from the hon'ble Chief Minister whether there is one officer in the I.A.S cadre in Assam who is holding the post of 'Secretary Transport ? If so, whether the matriculation age of that officer was corrected in the year 1946 by the Government of India on the recommendation of the StateGovernment ?

Shri Sarat Chandra Sinha (Chief Minister) : There are at present two ex-army officers. One is Mr. H.P. Rajkhowa, Secretary Transport and the other is Shri R.V. Subramonian. So far as Mr. Rajkhowa is concerned, his matriculation certificate was corrected in the year 1946. It is not actually a correction. The age in the certificate was modified. In 1946 he applied that his age recorded in the matriculation certificate was wrong. Because his elder brother's age was recorded less than his. Then his father submitted an affidavit along with his horoscope and the whole matter was considered by the then S.D.O. Golaghat Mr. Balachandras which was again considered by the Deputy Commissioner, Jorhat Mr. Humprey. This was then certified by the then commissioner of Divisions by Mr. Ghunning. According to the matriculation certificate, his birth date was 1.8.12, that is, 17 years 7 month on 1.3.30. This was corrected and his birth date was taken as 25.?.17. Now, the 'modified age has been entered in the service bock

শ্ৰীবদন তালুকদাৰ : অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছোঁ চৰকাৰী চাকৰিয়াল সকলৰ বয়সৰ ক্ষেত্ৰত মেট্ৰিকুলেচন চাৰ্টিফিকেটৰ বয়সৰ ওপৰত বেচি প্ৰাধান্য দিয়া হবনে চাকৰিয়ালজনৰ হৰচ্চকোপৰ ওপৰত বেচি প্ৰাধান্য দিয়া হব?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : চৰকাৰী চাকৰিয়াল সকলৰ মেট্ৰিকুলেচন চাৰ্টিফিকেটত যি বয়স লিখা থাকে সেই বয়সেই চূড়ান্ত বয়স বুলি নিৰ্দ্ধাৰণ কৰাৰ কোনো সন্দেহ কৰিবৰ বা অস্বীকাৰ কৰিবৰ কাৰণে কোনো ব্যৱস্থা নাই, যেতিয়ালৈকে মেট্ৰিকুলেচন চাৰ্টিফিকেটৰ বয়সটো পৰিবৰ্ত্তন কৰা নহয়। কিন্তু এই ক্ষেত্ৰত এই অৱস্থাত বেলেগ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজখোৱা আছিল 'এক্স আৰ্মি পাৰচ'নেল, ১৯৪৪ চনত আই, চি, এছ পৰীক্ষাৰ কাৰণে

তেখেত আছিল প্ৰাৰ্থী আৰু প্ৰাৰ্থী থকা কালতে দেখা গল বয়স বেচি, সেই বয়স বেচি হোৱাই আই, এ, এচৰ কাৰণে বয়সৰ যাতে যোগ্যতা থাকে, এই সম্পৰ্কত তেখেতৰ পক্ষৰ পৰা তেখেতৰ দেউতাকে 'এফিদেভিট' দাখিল কৰিলে আৰু সেই 'এফিদেভিট' প্ৰমাণ কৰিবৰ কাৰণে তেখেতৰ ককায়েকৰ মেট্ৰিকুলেচন চাৰ্টিফিকেট দাখিল কৰিলে। পিছত দেখা গ'ল ককায়েকৰ মেট্ৰিকুলেছন চাৰ্টিফিকেট মতে তেখেতৰ বয়সতকৈ ককায়েকৰ বয়স কম, সেই কাৰণেই এই গোটেইবিলাক কথা বিবেচনা কৰি সেই সময়ৰ বয়সটোকে নিৰ্দ্ধাৰণ কৰি অসম চৰকাৰে ভাৰত চৰকাৰলৈ পঠিয়াই দিয়ে আৰু ভাৰত চৰকাৰেও এই কথাটো গ্ৰহণ কৰে। আৰু তাৰ পাচত যেতিয়া তেখেতক আই, এ, এচ কেদাৰলৈ মনোনয়ন কৰা হয় তেতিয়া এই কথাটো উত্থাপিত হয় আৰু এই কথাটো ভাৰত চৰকাৰে বিবেচনা কৰে। এই গোটেই কথাটোকে বিবেচনা কৰি এই পৰিস্থিতিত 'এফিদেভিতত' দিয়া বয়সটোকে গ্ৰহণ কৰে। এই ব্যৱস্থাটো অৱশ্যে সৰ্ব্বসাধাৰণ সকলোৰে কাৰণে প্ৰযোজ্য নহয় অৰ্থাৎ গ্ৰহণ কৰা নহয়।

শ্ৰীবদন তালুকদাৰ : মেট্ৰিকুলেশ্যান চাৰ্টিফিকেটত যদি বয়সৰ গণ্ডগোল থাকে তেনে ক্ষেত্ৰত যি কৰ্তৃপক্ষই এই চাৰ্টিফিকেট দিয়ে সেই কৰ্তৃপক্ষই হে চাৰ্টিফিকেট কৰেকশ্যন কৰিব পাৰে, গতিকে যি কৰ্তৃপক্ষই মেট্ৰিকুলেশ্যান চাৰ্টিফিকেট দিছিল সেই কৰ্তৃপক্ষৰ দ্বাৰা চাৰ্টিফিকেটখন শুদ্ধ কৰা হৈছিলনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : সেইটো কৰা হোৱা নাই, মই আগতেই কৈছোঁ যে 'এফিদেভিটত' দেখুৱা মতে যি বয়স নিৰ্দ্ধাৰণ কৰা হৈছিল সেই বয়সটোৱেই অসম চৰকাৰে গ্ৰহণ কৰিছে আৰু পিছত ভাৰত চৰকাৰেও এই বয়সটোয়েই মানি লৈছে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : আজি এনেৰণেৰে যদি কোনোবা চৰকাৰী চাক-ৰিয়ালে নিজৰ বয়স ককায়েকৰ বয়সতকৈ বেছি হোৱা দেখুৱাই 'এফিদেভিত' দি কমকৈ বয়স নিৰ্দ্ধাৰণ কৰে সেই বয়সটোকে বিবেচনা কৰা হব বুলি চৰকাৰে আশ্বাস দিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : বিশেষ ব্যৱস্থা এটাৰ কথা উত্থাপিত হলেহে গোটেই কথাটো বিবেচনা কৰা হব বুলি কব পৰা যায়।

## UNSTARRED QUESTIONS AND ANSWERS

(To which answers were laid on Member's table)

Date : 12th March, 1974

Re : Farming Corporations in Lakhimpur Subdivision

SHRI Gaurisankar Bhattacharyya asked :

41. Will the Minister, Agriculture be pleased to state

(a) What are the Farming Corporations which have been formed uptil now in the Lakhimpur subdivision ?

(b) What is the total area which has actually been brought under plough in the said Farming Corporation ?

(c) What are the crops which are being grown in the said Farming Corporation ?

(d) What is the total number of cultivators who are putting in manual labour in the said Farming Corporation ?

(e) What is the total number of landless peasants in the said Subdivision ?

(f) How many of them are planned to be absorbed in the Farming Corporation within the next two years ?

(g) What is the plan for gainful employments of those landless peasants who will not be absorbed in the Farming Corporation ?

Shri Upendra Das (Minister, Agriculture) replied :

41.(a)—Agriculture Farming Corporation has already been registered in the North Lakhimpur Subdivision.

(b) - 8 bighas of land were brought under Rabi cultivation and 200 bighas of land are being brought under plough for growing Ahu paddy.

(c)—Wheat and Potato have been grown as Rabi crops and preparation for growing Ahu paddy is in progress.

(d)—4 Nos. of participants putting their manual labour for Rabi crop, 25 Nos. of participants will put their labour for Ahu crop.

(e)—As on 30th September, 1969 in the Lakhimpur District.

Without any land holding ... ... .... 14,696 Nos. + with holding land upto 5 bighas ... ... 9,243, Nos.

With holding land upto 5 - 8bighas ... ... 4,627, Nos.

(f) The immediate programme is to establish one Farming Corporation in each Subdivision depending on availablity of land: Each Corporation will comprise minimum of 50 landless families, No fixed number of Corporation for the next two years has yet been worked out.

(g) - As far as possible, the landless peasants are being included under the Special employment programme, e. g., Crash Rural Employment Scheme, Half a Million Job Programme, Rural Works Programme, etc.

Re: Assistant Surgeon I and II

Dr. Krishna Kanta Lahkar asked:

42. Will the Minister, Health be pleased to state—

(a) Whether Government has fixed the seniority of Assistant Surgeon I and II?

(b) If not, when seniority will be fixed?

Shri Chatrasing Teron (Minister, Health) replied :

(a)—Yes.

(b)—Does not arise in view of reply at (a) above.

Mr. Speaker (Pointing to the PWD Minister) : You want to make a Statement. Is it on some question.

## STATEMENT BY MINISTER

Dr. Lutfur Rahman( Minister, P.W.D.) : ( Supplementary statement on Q. regarding carriage of cement from Cherrapunji to Gauhati)

The date of calling quotations—27.2.73

The number of quotations received – 17

Name and address of the quotationers :

1. Shri G.D.Agarwalla, Thana Road, Shillong – 1
2. Shri V V. Goel, Nongthymai, Shillong—3
3. Shri B.L. Bajaj, polo Hills, Shillong—1
4- Shri D.P. Sharma, Quinton Road, Shillong – 1
5. Shri Tarch and garwalla, Bokakhat.
6. Shri .K Tigranis, Nongrim Hills, Shillong,
7. Shri S.N. Dhirasaria, A.T. Road, Guwahati—1
8. Shri P.K. Goel Nogrim Hills, Shillong
9. Shri Raj Kumar Saraf, Barabazar, Shillong
10. Shri G.R. Tigrania, Nongthymai, Shillong—3
11. Shri A.K. Dutta, Lummawrie, Shillong.
12. Shri Riang Syngkon, Jowai,
13. National Carriers, G.S. Road. Shillong—2
14. Guwahati Grain Traders, G.S. Road, Shillong

15. Kashiram Agarwala, Barabazar, S illong
16. M/S Punjub Furniture, Laitumkhrah, Shillong
17. Shri O:S: Thapar, Shillong

Name and address of Firm to whom work is alloted for Capital :

1. M/S National Carriers, G.S. Rd., Shillong
2. A.K. Dutta, Lummawrie, Shillong—3
3: Shri D.K. Dutta, Lummawrie, Shillong—3

Name and designation of officer posted at Cherra to look after the loading :

1. Shri Ghanasyam Thakuria, Section Asstt. with effect from 21-5-73
2. Shri Khanindra Nath Deka, Section Asstt. with effect from 22.0.73.

Shri G.Thakuria continued from 21-5-73 to 22-10-73 and thereafter Shri K.N.Deka continued from the subsequent date after relieving Shri Thakuria and for other deliveries one U.D.A Shri B.K. Chakrabarty from Secretariat was deputed from time to tim

Regarding cement carriage in Assam and Meghalaya' I am told yesterday that they have not the capacity ; but this morning on discussion the General Manager. Assam Road Transport Corporation told that they have the capacity to bring cement from Cherrapunji to Guwahati only.

Shri Dulal Chandra Barua : Mr. Speaker Sir, the Minister, P.W.D. has stated that he has discussed the matter with the General Manager. Our information is that till today no discussion was held at all from the side of

the P.W.D. in this regard. Then how the Minister could say that he had discussion with the Geaeral Manager ?

Dr. Lutfur Rahman, Minister, P.W:D. : Sir, only this morning the General Manager clarified that he can carry cement to Guwahati.

Shri Dulal chandra Barua : Sir, we asked repeatedly why these cements were held up while those were readily available, the Minister had informed us that they had taken up the matter with the General Manager and they expressed their inability. While the Minister did not ask any of the officers, how the Minister can give us wrong information ?

Dr. Lutfur Rahman, Minister, P.W.D. : Sir, I had the contact the General Manager and only this morning he met me and said that he can carry to Guwahati only.

Shri Dulal Chandra Barua : Can the Minister tell us the date on which he had telephonic talk with the General Manager ?

Dr. Lutfur Rahman : I cannot say the exact date.

Smti Renuka Devi Barkataki : Sir, the Minister met the Corporation's General Manager this morning, I agree. But earlier, to carry cement he expressed inability How can he say this morning that they are ready to bring cement from Cherrapunji to Guwahati only ? After all it is a capital and it is a loss about cement. Why did not allow Transport Department instead of allowing a few other parties ?

Dr. Lutfur Rahman : Sir, I have had talk about 6 months back. I had the idea that he told me that they cannot

carry cement as they had not the capacity. Only this morning he told me that he can carry to Gauhati.

Shri Dulal Chandra Barua : Sir, yesterday the Minister replied that State Transport refused to carry and today he tells that they can carry. Sir, during the last session, could not the Minister P.W.D. take up the matter with the Minister Transport about this arrangement ?

Dr. Lutfur Rahman : They had not the capacity, as I understood then. Clarification given by General Manager this morning only.

(Shri N. Barua stands up to speak)

Mr. Speaker : There should not be any unending discussion.

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : মই বহুতো প্ৰশ্ন দিছিলো আৰু আলোচনা ৰেইজ কৰাৰ বাবে দিছিলো আজিলৈকে নাহিল।

অধ্যক্ষ : মই এই বিষয়ত ষ্টেটমেণ্ট দিছো, লাগিলে আকৌ দিম। প্ৰত্যেক দিনাই দুই এটা আহিয়েই আছে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী : অধ্যক্ষ মহোদয়, লোক সভাত টাইম টেবুলৰ কথা আছে সেই টাইম টেবুল আমাৰ ইয়াতো লব লাগে।

শ্ৰীদুলাল বৰুৱা : চৰকাৰৰ ফালৰ পৰা আশ্বাস দিছিল। কিন্তু তিনি মাহৰ আগতে পঠোৱা প্ৰশ্নৰ উত্তৰ আমি আজিলৈকে পোৱা নাই।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : পাৰ্টিকুলাৰ কৰ্ণাৰৰ পৰাই প্ৰশ্ন বিলাক আহি থাকে। গতিকে নিয়মমতে চলিব লাগে।

Shri Dulal Chandra Barua : Sir, according to rules, questions should be replied within 15 days from the dat eof receipt of the question in the Department. The most defaulting Deptts are the Law Deptt and the Panchayat Deptt from which not a single question comes out.

Mr. Speaker : I will give a statement on Friday. Next item.

## CALLING ATTENTION

শ্ৰীসোণেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৫৪ নিয়ম অনুসৰি ৰাজ্যখনৰ অত্যান্ত গুৰুত্ব পূৰ্ণ বিষয়টো সদনত আলোচনা হবৰ অৰ্থে আৰু যথাযথ উত্তৰ পাবৰ অৰ্থে উত্থাপন কৰিলো। বিষয়টো ১৯ জানুৱাৰী তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত হৈছে। প্ৰকাশিত বাতৰিটোৰ শিৰোনামা এই ---

বাংলা দেশৰ ৬৩ জন অবৈধভাবে অসমলৈ অহা নাগৰিক গ্ৰেপ্তাৰ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ : অধ্যক্ষ মহোদয়, যোৱা ১৯ জানুৱাৰী তাৰিখৰ "দৈনিক অসম" বাতৰি কাকতত প্ৰকাশিত 'বাংলাদেশৰ ৬৩ জন নাগৰিকক গ্ৰেপ্তাৰ" শীৰ্ষক বাতৰিটোৰ প্ৰতি দৃষ্টি আকৰ্ষনমূলক প্ৰস্তাৱৰ উত্তৰত নিম্নলিখিত বিবৃতিটো সদনত নিবেদন কৰিব খুজিছো

কোনো পাৰ পত্ৰ নোহোৱাকৈ অসমত প্ৰবেশ কৰাৰ অপৰাধত যোৱা ৯ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীৰ ভিতৰত ৬৩ জন বাংলাদেশৰ নাগৰিক লামডিঙত গ্ৰেপ্তাৰ কৰা হয়। কাছাৰ জিলাৰ ভাঙ্গা সীমাত আৰু ত্ৰিপুৰা ৰাজ্যৰ সীমান্তইদি তেওঁলোকে অসমত প্ৰবেশ কৰে। পুলিচৰ প্ৰাথমিক জেৰাৰ উত্তৰত তেওঁলোকে কয় যে তেওঁলোক জীৱিকা নিৰ্বাহৰ বাবে ভাৰতবৰ্ষলৈ আহিছে। দুয়ো খন দেশৰ মাজত নাগৰিক সকলৰ চলাচল নিয়ন্ত্ৰনাধীন কৰিবৰ বাবে ভাৰত আৰু বাংলাদেশ চৰকাৰে পাৰপত্ৰ আৰু ভিছাৰ' ব্যৱস্থা ১৯৭২ চনৰ পহিলা চেপ্তেম্বৰৰ পৰা বলবত্ কৰা হৈছে। বাংলাদেশ নাগৰিকে (এইলোকসকলে কোনো পাৰপত্ৰ নোহোৱাকৈ ভাৰতবৰ্ষলৈ অহাৰ কাৰণে তেওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু আইন মতে চালান দিয়া হৈছে। বৰ্ত্তমানে বিচাৰাধীন হৈ আছে।

১৯৭৪ চনৰ ৯ জানুৱাৰী তাৰিখে ৪৮ জন অনুপ্ৰবেশকাৰীক গ্ৰেপ্তাৰ কৰা হয় আৰু ইয়াৰে ভিতৰত ৮ জন নিম্ন বয়স্ক। ১০ জানুৱাৰী তাৰিখে ১৪ জন অনুপ্ৰৱেশকাৰীক গ্ৰেপ্তাৰ কৰা হয়। এই ১৪ জন অনুপ্ৰৱেশকাৰীৰ ভিতৰত ৮ জন নিম্ন বয়স্ক। ১২ জানুৱাৰী তাৰিখে এজন অনুপ্ৰবেশকাৰীক গ্ৰেপ্তাৰ কৰা

হয়। ইয়াৰ পৰা দেখা যায় যে মুঠতে ৬৩ জন অনুপ্ৰবেশকাৰীক গ্ৰেপ্তাৰ কৰা হয় আৰু তেওঁলোকৰ বিৰুদ্ধে আইনমতে লব লগা ব্যৱস্থা লোৱা হৈছে।

মই এই খিনিতে কব খোজো যে চৰকাৰে সীমান্তবৰ্ত্তী জিলাসমূহৰ উপায়ুক্ত-সকলক ভাৰত বাংলাদেশ সীমান্তত চোকা পহৰাৰ ব্যৱস্থা কৰিবলৈ সতৰ্ক কৰি দিছে। এই নিৰ্দ্দেশমতে সীমান্তন্তইদি যাতে কোনো বাংলাদেশৰ নাগৰিকে বে-আইনী ভাবে অনুপ্ৰবেশ কৰিব নোৱাৰে তাৰ বাবে যথোচিত ব্যৱস্থা লবলৈয়ো কোৱা হৈছে। ইয়াৰ উপৰিও জ্ঞাত সীমান্ত চকীৰ বাহিৰে আন কোনো গুপ্ত পথেদি যাতে অনুপ্ৰবেশ কৰিব নোৱাৰে তাৰ বাবেও যথোচিত ব্যৱস্থা কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

## GENERAL DISCUSSION ON THE BUDGET

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি বাজেতৰ ওপৰত বিতৰ্ক আৰম্ভ কৰি মই কৈছিলো যে লেও নোহোৱা আইনাত মানুহৰ চবি যেনেকৈ পৰিস্কাৰকৈ নেদেখে তেনেকৈ জন স্বাৰ্থ নোহোৱা বাজেটতো জন সাধাৰণৰ উন্নতি প্ৰতি ফলিত কৰিব নোৱাৰে। অধ্যক্ষ মহোদয়, এখন দেশৰ যি কেনো মানুহ জীয়াই থাকিবলৈ অত্যন্ত পাচটা বস্তুৰ আৱশ্যক খাবলৈ এমুঠি ভাত পিন্ধিবলৈ কাপোৰ, থাকিবলৈ এটা ভাল ঘৰ স্বাস্থ্যৰ কাৰণে এপালি ঔষধ এটুপি নিৰ্ম্মল পানী আৰু জ্ঞানৰ কাৰণে অলপ লিখা পঢ়া। এই খিনিয়ে হব নিম্নতম আৱশ্যকীয় সামগ্ৰী। কিন্তু এই বাজেটত এই আৱশ্যকীয় নিম্নতম পাচটি বিষয়ৰ প্ৰতি অসম চৰকাৰে বাজেটত ব্যৱস্থা কৰা কাৰণে কোনো উল্লেখকে কৰা নাই। বৰ্ত্তমান বাজেটৰ মাধ্যমেৰে চৰকাৰে অসমৰ জন সাধাৰণক উৎসাহ উদ্দিপনা দি জীয়াই ৰখাৰ কোনো প্ৰতিচ্ছবি প্ৰতিবিম্বীত কৰিব পৰা নাই। সদনত যিখন বাজেট দাঙি ধৰিছে সেই বাজেট খন পঢ়িলে অনুমান হয় যেন ই এখন দৈনন্দিন বজাৰৰ জমা খৰছৰ এটা তালিকা মাত্ৰ। এইখন বাজেট অসমৰ জন সাধাৰণৰ কাৰণে উপযুক্ত বাজেট হোৱা নাই। মাত্ৰ এখন জমা খৰছৰ তালিকা-ৰূপ বাজেট হে উত্থাপিত কৰা হৈছে। গতিকে ইয়াক এখন প্ৰকৃত বাজেট নহয় বুলি কলে অত্যুক্তি কৰা নহব। আজি এই ৰাজ্যত ডেৰ কৌটি মানুহক খাবলৈ এমুঠি ভাত, পিন্ধিবলৈ এটুকুৰা কাপোৰ জন সাধাৰণক দি তেওঁলোকক উন্নতিৰ পথত আগ

বঢ়াবলৈ চেষ্টা কৰাৰ কোনো নমুনা এই বাজেটত দেখা নাযায়। অৱশ্য মই কোৱা নাই যে চৰকাৰে জন সাধাৰণক আগ বঢ়াবলৈ উৎসাহ বা মন নাই। কিন্তু এটা কথা আছে যে জানি শুনি যদি কোনোবাই পাপ কৰে ই এটা মেৰুৰ সমান আৰু সেই একে পাপকে যদি নাজানি কৰে তেন্তে সি এটা তিলৰ সমান। ৰাজ্য শাসনৰ দায়ীত্ব লৈ অসমৰ জন সাধাৰণক উন্নতি পথত আগ বঢ়াবলৈ কেনেকৈ খুৱাব পিন্ধাব লাগে বা কি পৰিমানে জিনিচ পত্ৰৰ যোগান ধৰিব লাগে সেইটো বুজি নোপোৱাটো বৰ পৰিতাপৰ কথা। তথাপি সেই পাপ নাজানি কৰাটো অৱশ্যে তিলৰ সমান কিন্তু তাকেই যদি জানি শুনিও এনে ধনৰ এখন অকাৰ্য্যকৰী বাজেট দাঙি ধৰিছে তেনেহলে সেই পাপ মেৰুৰ সমান হব। কোন ধৰণৰ পাপ তেখেত সকলে কৰিছে অৱশ্য তেখেত সকলে জানে। তেখেত সকলৰ পাপৰ ভাগ আমি বিৰোধী দলৰ পৰা লব নোৱাৰিলেও আমি তেখেত সকলৰ পাপ খণ্ডাবলৈ বিৰোধী পক্ষতে বহি অহোপুৰুসাৰ্থ চেষ্টা কৰিছো, এই পাপ খণ্ডাবলৈ যিখিনি যা যোগাৰ তেখেত সকলৰ দলৰ সেই খিনি আমি বিৰোধী দলৰ পৰা সাধ্য অনুসাৰে যোগান ধৰিছো। তথাপি তেখেঁত সকলে কিয় উপলব্ধি কৰিব নোৱাৰে বা গ্ৰহণ কৰিব নোৱাৰে, সি আমাৰ বোধগম্য নহয়। কিন্তু এইটো সকলোৱে জানিব লাগিব যে তেখেঁত সকলে আনৰ ভাল উপদেশ নুশুনি নিজে কৰা পাপকে সাব্যস্ত কৰিছে যেতিয়া তেখেঁত সকলে জানি বুজিয়েই এই পাপ কৰিছে। আজি আমাৰ দেশত ধান চাউলৰ বজাৰ আদি কৰি কিছুমান দৈনন্দিন সামগ্ৰী নিয়ন্ত্ৰণৰ ভাৰ চৰকাৰে নিজৰ হাতলৈ আনি দেশৰ মানুহে যাতে ভালকৈ খাবলৈ পায় তাৰ এটা ব্যৱস্থা কৰিলে। দেশৰ মানুহেও ভাবিলে যে তেওঁলোকেও সুকলমে দুবেলা দুমুঠি খাবলৈ পাব। অৱশ্যে মই কওঁ দৈনন্দিন বস্তুৰ সৰবৰাহৰ সু-ব্যৱস্থাৰ কাৰণে চৰকাৰে হয়তো আৰু দুই এটিৰ সৰবৰাহৰ ব্যৱস্থা নিজৰ হাতলৈ অনাৰ আৱশ্যক হব পাৰে। মই সেই ফালৰ পৰা কওঁ যে এই বাজেটৰ জৰিয়তে ৰাজ্যৰ খোৱা পিন্ধা ব্যৱস্থাটো সুচল কৰিবলৈ ৰাজ্যৰ উৎপাদন বঢ়োৱাৰ ব্যৱস্থা আৰু সেই বস্তুৰ ব্যৱসায় আদি পৰিস্কাৰ কৰি বাজেটত দেখুৱাত চৰকাৰ অসমৰ্থ হৈছে। গতিকেই এই বাজেট খন সুচল বাজেট নহয়। আমাৰ জন সাধাৰণৰ কাৰণেই এমুঠি চাউল এটুকুৰা কাপোৰ, অলপ মিঠাতেল ইত্যাদি

যিবিলাক নিত্যান্ত বস্তু সেই বস্তু বিলাক কি ধৰণে আৰু কি পৰিমাণে পাব আমাৰ ৰাইজে কি পিন্ধিছে কি খাইছে, কি ভুগিছে ভবিষ্যতে তাৰ ব্যৱস্থাই বা কি হব মানুহৰ আৱশ্যকীয় জাবতীয় এই সামগ্ৰী খিনিৰ ওপৰত কোনো নজৰ এই বাজেটত নাই। যি খন ৰাজ্যৰ জনসাধাৰণে ভোগ কৰা প্ৰতিটো বস্তুৰ বিষয়ে যি চৰকাৰ জ্ঞাত নহয় সেই চৰকাৰে সেই ৰাজ্যৰ জনসাধাৰণৰ কাৰণে প্ৰকৃত চৰকাৰ নহয়। ধান চাউল নিয়ন্ত্ৰণ কৰি চৰকাৰে জনসাধাৰণক খুৱাবলৈ বিছাৰিছে সেইটো মই সমালোচনা কৰা নাই মই নিজেও ভাবো জন সাধাৰণক ভালকৈ ৰাখিবলৈ অকল ধান চাউলেই কিয় অন্যান্য আৱশ্যকীয় সামগ্ৰী বিলাকৰো আৱশ্যক হলে চৰকাৰে নিয়ন্ত্ৰণ কৰিব লাগিব। এই বিলাকৰ আৱশ্যকতা যে নাই সেইটো নহয়। যি ৰাজ্যত খেতিয়ক কুথাৰ নাঙল আদি সা-সৰঞ্জাম তৈয়াৰ কৰিবলৈ কোনো উদ্যোগেই হোৱা নাই। কোনো ৰুৱনিৰ বেমাৰ হলে ৰুৱনি এটিৰ নিয়োগ কৰাৰ ব্যৱস্থা কৰিব পৰা নাই, তেনে চৰকাৰৰ খেতিয়কৰ অকল ধানৰ ওপৰতে হাত দিয়াৰ কোনো অধিকাৰ নাই। চৰকাৰে মনত ৰাখিব লাগিব যে খেতিয়কৰ পথাৰৰ ধান এনেয়ে উৎপন্ন নহয়। ধান উৎপন্ন কৰিবলৈ খেতিয়কক মাটি লাগিব, পানীৰ যোগান লাগিব, ভাল সচ যোগান লাগিব আৰু লগে লগে খেতিৰ সা-সজুলিও যোগান লাগিব। এই সামগ্ৰী বিলাকৰ কি ব্যৱস্থা হব সেই বিষয়টো বাজেটৰ জৰিয়তে আইনাৰ নিচিনাকৈ দাঙি ধৰিবলৈ চৰকাৰে কোনো চেষ্টাই কৰা নাই। এই এমাহ কাল উৎপাদন বঢ়োৱাৰ যি নমুনা পোৱা হল, সি অকল বক্তৃতাৰ বাহিৰে অন্য একো কৰিব পৰা নাই বুলিয়েই অনুমান হৈছে। সেই বিষয়ে বক্তৃতাও বহুত দিলে। নিগমৰ প্ৰশ্নও আহিছে। আমাৰ প্ৰশ্নৰ উত্তৰত চৰকাৰৰ ফালৰ পৰা কেৱল এটা কথাই কোৱা হৈছে সেইটো হল, অৰ্ধনিযুত 'যব'। এই অৰ্ধনিযুত যব'ৰ ফৰমুলাটো আমাৰ ৰাজ্যিক চৰকাৰে ললে আৰু এই অৰ্ধনিযুত 'যব'ৰ বাহিৰে যেন আৰু একো নাই।

অধ্যক্ষ মহোদয়, আজি তাৰ পৰিবৰ্ত্তে চৰকাৰে খেতিৰ কাৰণে যি আঁচনি লৈছে, সেইটো আজি আমাৰ বিধান সভাতে এমাহ কাল জুৰি আলোচনা হৈ আছে। সেই আলোচনাৰ পৰা বুজা যায় যে, এই চৰকাৰে প্ৰকৃত উৎপাদনৰ কাৰণে বক্তৃতাৰ বাহিৰে বিশেষ একো কৰিব পৰা নাই। বক্তৃতা বহুত দিয়া

হৈছে, নিগমৰ কথা আহিছে নিগম সম্পৰ্কত আমাৰ ফালৰ পৰা যিখিনি প্ৰশ্ন দিয়া হৈছে তাৰ উত্তৰো চৰকাৰৰ ফালৰ পৰা দিছে। এতিয়া মাত্ৰ এটা বস্তুকেই দেখা গৈছে, সেইটো হৈছে 'হাফ এ মিলিয়ন জব'। দিল্লীৰ চৰকাৰৰ পৰা অসমৰ চৰকাৰলৈ মাত্ৰ এটা কথাকেই দেখিছো, সেইটো হৈছে— হাফ এ মিলিয়ন জব। আজি ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ কাৰণে ১৫০ টকাত ইঞ্জিনিয়াৰ ৰাখিব। এতিয়া সকলো ক্ষেত্ৰতে হাফ এ মিলিয়ন জব হৈছে। এতিয়া দেখা গৈছে যে প্ৰাইমাৰী স্কুলৰ কাৰণে অসমত ৪৪৫০ টা পদ আছে। ৪৪৫০ টা পদৰ ভিতৰত গোলাঘাটৰ পদ হল ১৬৬টা। তাৰে ভিতৰত মোৰ ৪ টা সমষ্টিত ৪১ টা পদ আৰু প্ৰতি মৌজাতে ৭ টাকৈ পদ আছে। আনহাতে মোৰ ঘিলাধাৰী মৌজাত জনসংখ্যা হল ৫৬ হাজাৰ। এই দৰে সমস্যা সমাধান হব নেকি? আজি ইঞ্জিনিয়াৰ প্ৰাইমাৰী স্কুলৰ শিক্ষকৰ ক্ষেত্ৰত হাফ এ মিলয়ন জব হৈছে। গতিকে এই আচনিৰে আমাৰ ৰাজ্যৰ কোনো সমস্যাৰেই সমাধান নহব। গতিকে আজি যিসকল কৃষকে সংস্থাপনৰ কাৰণে চৰকাৰৰ মুখলৈ চাই আছে সেই সকলক মই আজি এই বক্তৃতাৰ দ্বাৰাই সাৱধান কৰি দিছো। যে, তেওঁলোকৰ কোনো আশা আকাংক্ষা এই হাফ এ মিলিয়ন জবৰ দ্বাৰা পূৰণ নহব।

মহোদয় আজি স্বাধীনতা লাভ কৰা ২৬ বছৰ হল। এই সময়তো যি শিক্ষা পদ্ধতি আমাৰ দেশত চলোৱা হৈছে বা যি অৰ্থনীতি দেশত চলোৱা হৈছে, যি সমাজনীতি দেশত চলোৱা হৈছে যি ৰাজনীতি দেশত চলোৱা হৈছে, এই ব্যৱস্থা বিলাকৰ মাজেদি দেশৰ জনসাধাৰণৰ চৰকাৰ মুখী হোৱা, নগৰ মুখী হোৱা, কেন্দ্ৰীয় মুখী হোৱাৰ বাহিৰে একো হব নোৱাৰে। আজি যি কোনো মানুহৰে লৰা ছোৱালী পঢ়া শেষ কৰাৰ পাছত চাকৰি মুখী হৈ পৰে। পুখুৰীত মাছক টোপ খুউৱাৰ দৰে আজি শিক্ষা পদ্ধতিয়ে লৰা ছোৱালীক চাকৰি মুখী কৰি গঢ়ি তুলিছে। আজিৰ চৰকাৰে ভূমি সমস্যা সমাধানৰ দ্বাৰা হয়তো চৰকাৰৰ আঁচনি কৃতকাৰ্য্য কৰিব পাৰে। আজি ৩ বিঘা বা ৪ বিঘা মাটিৰ কথা কৈছে। সেই কাৰণে সমবায়ৰ জৰিয়তে বা নিগমৰ জৰিয়তে এখন চৰকাৰে বহুতো মানুহ সংস্থাপন কৰিব পাৰিব। কিন্তু দেশক লগা হিচাবে উৎপাদন বঢ়াব পাৰিবনে? আজি মানুহক মাটি দি মাটি সমস্যা

সমাধান কৰি মাটি দি মানুহক অধিকাৰ দিয়া যি কথা চিন্তা কৰি থকা হৈছে তাৰ লগত উৎপাদনৰ কথাৰ প্ৰাৰ্থক্য আছে। কেৱল মাটি অধিকাৰ কৰি ৰেজিষ্টাৰ কৰি খেতিৰ উৎপাদন বঢ়াব নোৱাৰে। আজি মুখ্য মন্ত্ৰীয়ে বাৰে বাৰে কৈছে যে নিগমৰ মাজেদি অদূৰ ভৱিষ্যতে আমাৰ খাদ্য উৎপাদন হবনে নহয়? মই নিজে ভাবো নিগমৰ বিষয়টো যিমান পৰিস্কাৰ হওক বা নহওক সমূহীয়া খেতিয়কে ব্যক্তিগত খেতিয়কতকৈ উৎপাদন বঢ়াব পাৰিব। অন্যান্য বৈজ্ঞানিকেও কৈছে যে, উৎপাদন বঢ়াবলৈ হলে ব্যক্তিগত পৰিশ্ৰমৰ মাজেদি যিমান কৃষি উৎপাদন বাঢ়িব সমূহীয়া আঁচনিৰ দ্বাৰা ৮ ঘণ্টা পৰিশ্ৰম কৰি কৃষি উৎপাদন বঢ়াব নোৱাৰে। যি সকল লোক এলেহুৱা বা সোৰোপা নহয়, তেওলোকে লৰা তিৰোতাৰে খেতি কৰি যি উৎপানন কৰিব সমূহীয়া লোকৰ লগত সেই উৎপাদন নহয় এই কথা চৰকাৰে উপলব্ধি কৰিব পাৰিছেনে নাই কব নোৱাৰো।

যদি চৰকাৰে উপলব্ধি কৰিছে তেন্তে তাৰ ফলত উৎপাদন ভাল হব বুলি মই ভাবো। আজি নিগমত যি পদ্ধতিত কৰা হৈছে যোৱা কেইদিনত চৰকাৰৰ ফালৰ পৰা যি নিগমৰ আঁচনিৰ কথা কোৱা হৈছে, সেই হিচাবে এটা মহকুমাত এখন িগম কৰিলে ১ শ ২ শ বছৰেও নিগম কৰি শেষ নহব। অৰ্থাৎ ধ্যান বা তপস্যা কৰোতেই যাব। আজি আমি কাপোৰ নহলে এখন্তেকো থাকিব নোৱাৰো এক মুঠি ভাত নহলে থাকিব নোৱাৰো, এপালি দৰব নাপালে আমাৰ বেমাৰ ভাল নহয়, গতিকে এই সকলোবিলাকৰ ততকালিন ব্যৱস্থা কৰিব লাগে। আজি দেখা গৈছে যে বাজেট বক্তৃতা আৰু প্ৰকৃত বাজেটৰ মাজত প্ৰাৰ্থক্য আছে। আমাৰ দৈনন্দিন যবিলাক লাগতিয়াল সজুলি সেই বিলাকৰ কথা যেনে, আলু, পিয়াজ, আৰ্চী ফনি তেল আদিৰ কথা আমাৰ বাজেটত নাই। অৰ্থাৎ শতকৰা ১০০ ভাগ বস্তুৰ উৎপাদনৰ আচনি এই বাজেটত নাই। কোনো আশা আকাংক্ষাৰ সম্ভাৱনাৰ, কোনো উপলব্ধিৰ আঁচনি এই বাজেটত নাই। ইয়াত আছে ইমান টকাৰ বস্তু কিনা হৈছে, ইমান টকা খৰচ হৈছে, ইমান জমা আছে, এইখন এখন জমা খৰচৰ নিচিনাহে হৈছে। এই বাজেট চাই চাই মানুহ জীয়াই থাকিব নোৱাৰে। যদি এই বাজেট জীয়াই থাকিবলৈ হয় তেনেহলে সকলো মানুহ একেলগে মৰিব লাগিব। গতিকে এই বাজেটৰ পৰিবৰ্ত্তন কৰিবই লাগিব।

আলোচিত বিত্ত আয়োগৰ গুণানুকীৰ্ত্তন কৰা হৈছে। অৱশ্যে এইটো ঠিক যে আগৰ বছৰতকৈ এই বছৰ টকা বেচিকৈ পাইছে। কিন্তু এই টকা অকল অসমেই পাইছে নে? আনবোৰ ৰাজ্যও পাইছে? কিন্তু এই টকাৰ মূল্য আজিৰ পৰা ১০ বছৰ আগৰ টকাৰ লগত যদি মমতা চাই তেনেহলে সেই টকাৰ মূল্য আজিৰ তাৰিখত একেই আছেনে? আজি এটকাৰ মূল্য আগৰ মূল্যতকৈ ৩৬ পইচাকৈ হ্ৰাস কৰা হৈছে। গতিকে উক্ত বিত্ত আয়োগক গুণানুকীৰ্ত্তন কৰিলেও যিমান টকা পাব লাগিছিল সিমান টকা পাইছেনে? পোৱা নাই। আৰু কোৱা হৈছে এইবাৰ ঘাটি কম হৈছে। আগতে হয়তো ঘাটি বেছি আছিল আৰু সেইমতে কামো হৈছিল। এতিয়া ঘাটি কম হলেও ২ কোটিৰ কাচা কাছি হৈছে। কিন্তু সেইমতে আজিৰ মানুহে খাবলৈ পাইছে নে বা পিন্ধিবলৈ পাইছে নে? যোৱা পাচ বছৰত এখন কলেজ, স্কুল এটা হস্পিটেল বা মানুহক খাবলৈ পানী দিব পৰা নাই। গতিকে কাম নকৰি নকৰি ৰাহি কৰাটোকে ৰাহি বুজাই নে? আমাৰ যি বিলাক ব্লক আছে সেই ব্লক বিলাকত মাত্ৰ ১ লাখ টকাৰ বাজেট হয় তাৰে ৬৫ হাজাৰ প্ৰশাসনীয় ক্ষেত্ৰতে ব্যয় হয়। গতিকে দেখা যায় জনসংখ্যাৰ কাৰণে মাত্ৰ ৩০, ৩৫ হাজাৰ টকাৰ উন্নয়ণৰ কাৰণে বাজেট কৰিব লগীয়া হয়। তাৰ দ্বাৰা কিবা উন্নয়ণ বুজাই নে? আজি মানুহক খাবলৈ নিদি, পিন্ধিবলৈ নিদি বা কোনো উৎপাদনৰ আঁচনি নলৈ ৰাইজৰ উন্নতিত হাত নিদি টঙনীয়াই টঙনীয়াই মানুহক খাব নিদি মাৰি ৰাহি কৰাকে দেশ খনৰ উন্নতি হোৱা বুজাই নে? ১২,ৰ ৭ গ'ল পাচ বুলি যি অংক মিলাইছে বাজেটখন টি চাই তাতে আমাৰ কংগ্ৰেছী বন্ধু সকলে ঘাটি কমিছে ভাল বাজেট হৈছে বুলি কলেই হ'ব নে? মাট যেনেকৈ কমিছে তেনেকৈ উৎপাদনো কমিছে। আজি চৰকাৰে কৈছে যে শ্ৰমিক, কৰ্মচাৰী সকলে ধৰ্মঘট কৰি তেওঁলোকক বিপদত পেলাইছে। কিন্তু তেওঁলোকে ধৰ্মঘট কিয় কৰিছে আজি অসমৰ তৃতীয় চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলে কিয় ধৰ্মঘট কৰিছে? টকাৰ মূল্যৰ হ্ৰাস হৈছে কিন্তু বস্তুৰ মূল্য হ্ৰাস কৰিব পৰা নাই। গতিকে কৰ্মচাৰী সকলে দৰমহাৰ কাৰণে আন্দোলন নকৰি কি কৰিব? এইটো চৰকাৰৰ দায়িত্ব। সেই দায়িত্ব পালন নকৰি বাজেটৰ মাজেদি ৬০-৬৫ হাজাৰ কৰ্মচাৰীক সমা-

লোচনা কৰাৰ কেনো অৰ্থ নাই। ৰেল কৰ্মচাৰী, পৰিবহন কৰ্মচাৰী চাহ বাগানৰ কৰ্মচাৰী তেওঁলোকৰ প্ৰাপ্যৰ কাৰণে আজি গণতান্ত্ৰিক ভিত্তিত ধৰ্মঘট নকৰি কি বন্দুক হাতত লব? আজি ইয়াৰ নেতৃত্ব কৰিব লাগিছিল শাসনত অধিস্থিত দলে। তেওঁলোকে কৰা হলে সকলোতেই মঙ্গল হ'লহেতেন। কিন্তু তাকে নকৰি প্ৰধান মন্ত্ৰীৰ পৰা আৰম্ভ কৰি মুখ্যমন্ত্ৰীলৈ এই কথাষাৰ বো-বা হৈছে যে বিৰোধী পক্ষই উচতাই উচতাই এই ধৰ্মঘট বিলাক কৰাইছে। খেতিয়ক সকলৰ মাটিত বহি তেওঁলোকে বেদখল কৰিছে আৰু তাৰ কাৰণে বামপন্থী দল সমূহক দোষী কৰিছে। কিন্তু এই আন্দোলনৰ স্বাধীন চৰকাৰে বাগানৰ মালিকে মাটি নিদিলে, ধনী লোকে মাটি নিদিলে আনি জোৰ কৰি দিয়ে তেতিয়াহলে ৰাইজৰ মঙ্গল হ'লহেতেন কিন্তু কৰিছেনে সিদিনা ৰাজহ মন্ত্ৰীয়ে কৈছে যে মাটি সমস্যা সমাধান কৰিবলৈ সকলোকে মাটি এৰি দিব নোৱাৰি কাৰণ ভৱিষ্যত বংশধৰ সকলে পিচত মাটি নাপাব। কিন্তু আজি আমি বৰ্ত্তমানৰ কথা চিন্তা নকৰি পো-নাতি সকললৈ চিন্তা কৰা কথাটো মাতুলতা নহয় নে? আজি আমি জীয়াই থকাৰ কথা বাদ দি ১০০ বা ৬০ বছৰ পাচলৈ চিন্তা কৰা আমি ইমান দূৰদৰ্শী নহওঁ। আজি চাকৰীৰ ব্যৱস্থা নাই, ডেৰ কোটি জনসংখ্যাৰ ভাত নাই তেনেহলে চৰকাৰে কওক যে ইমান মানুহ বাণিজ্য কৰিবলৈ, ইমান মানুহ চাকৰি কৰিবলৈ বা ইমান মানুহ খেতি কৰিবলৈ ওলাই আহক। আৰু ইমানে বিজ্ঞান, সাহিত্য, বুৰঞ্জী চৰ্চা কৰক। তেনেকৈ চৰকাৰে উপায় উলিয়াই দিয়ক। নহলে আজি আমাৰ মানুহে হাবি জঙ্ঘল নাভাঙি কি কৰিব? আগৰ দিনৰ এটা কথা আছে যে ৰজাৰ কৰকাতলৰ প্ৰকোপত ৰাইজ থাকিব নোৱাৰি হাবি জঙ্ঘলত সোমাইছে— আকৌ ৰজাই তাৰ পৰা ধৰি আনি শাস্তি দিছে। আজি আমিও সেই অৱস্থাত উপনীত হৈছো। আজি বহুতে পেটৰ তাৰণাত তত নাপাই কাকী দৈয়াং সদিয়া ৰিজাৰ্ভত সোমাইছে। এইটো কি পাপ? আজি টাউনৰ আশে পাশে থকা যাৰ অলপ অলপ মাটি আছে তেওঁলোকে চহৰীয়া সংস্কৃতি, অৰ্থনৈতিক হেঁচাত পৰি শোষণৰ তাড়ানাত যি খিনি মাটি আছিল তাকো নতুনকৈ সৃষ্টি হোৱা আমোলা সকলৰ পাল্লাত পৰি বিক্ৰি কৰি হাবি জংঘলে সোমাইছে। তেওঁলোকৰ চিন্তা চৰকাৰে কৰিছেনে? আজি এই নিৰ্যাতিত লোক সকলে পেটৰ তাড়নাত পৰি

নিজৰ লৰা ছোৱালীক বজাৰত বিক্ৰী কৰিছে। ইয়াতকৈ লাজৰ কথা কিবা হ'ব পাৰেনে? এই সমস্যাৰ সমাধানৰ কাৰণে চৰকাৰে কিবা চিন্তা কৰিছেনে? ইয়াৰ একমাত্ৰ উপায় হ'ল বহিৰাগতৰ আগমন একেবাৰে বন্ধ কৰিব লাগিব। অসম দেশ এদিন ধনে-ধানে, সম্পদে, শস্য শুৱলা আছিল কিন্তু সেই ধন আজি কলৈ গল? আজি বহিৰাগতই অসমবাসীক যি ধৰণে শোষণ কৰিছে এই ধৰণে যদি কৰি থাকে আৰু আমি কিমান দিন তিষ্ঠি থাকিব পাৰিম আজি মানুহৰ ওপৰত যি অত্যাচাৰ, দুৰ্নীতি চলিছে আগতে নাছিল নিশ্চয়। সেই কাৰণে উৎপাদন সামান্য আছিল যদিও খাই লৈ জীয়াই থাকি কবিয়ে কবিতা ৰচনা কৰিব পৰিছিল। কিন্তু আজি শোষণৰ তাড়নাত সকলো শেষ হৈ গ'ল। আজিৰ লৰাই বি এ এম, এ পাচ কৰিব পাৰে কিন্তু কবিতা লিখা ভাৱ নোহোৱা হৈছে। কিন্তু সেই দিন আকৌ ঘূৰাই আনিব পাৰিলেহে ৰাইজক সেই বিপদৰ পৰা ৰক্ষা কৰিব পৰা হ'ব। আজিৰ গণতান্ত্ৰিক ক্ষেত্ৰত উৎপাদন বঢ়োৱা, মাটি সমস্যা সমাধান কৰা আদি সজ কাম কৰিব নোৱাৰিলে কল্পনা জল্পনা সদায় কল্পনা জল্পনা হৈয়ে থাকিব।

ইয়াত থকা মানুহখিনি অসুৰ হল। যিবিলাকে বলে কৌশলে যুদ্ধ কৰি যুদ্ধত জয় কৰি বুৰঞ্জী লিখিলে সেইবিলাক আৰ্য্য। যিবিলাক আদিম বাসী আছিল সেইবিসাক হল অনাৰ্য্য, ট্ৰাইবেল; কিন্তু সেইবিলাক মানুহ যিবিলাক মানুহৰ এইখন দেশ আছিল আজি সেইবিলাকক জনজাতি বুলি কোৱা হৈছে, সেইবিলাকক অনুসূচিত জাতি বুলি কোৱা হৈছে আৰু সেইবিলাকক অ বি. চি. বুলি কোৱা হৈছে। এইখন দেশ শাসন কৰা মানুহক পিচত অহা মানুহ খিনিয়ে অনাৰ্য বুলি কৈছে। এই অৱস্থাটো চলি থাকিলে অৰ্থ নৈতিক ভাবে এইখন দেশৰ মানুহে কেতিয়াও মুক্তি লাভ কৰিব নোৱাৰিব। এইখন দেশৰ মানুহে মুক্তিলাভ কৰিবলৈ হলে সমাজবাদী অৰ্থনীতি গ্ৰহণ কৰিব লাগিব। সমাজবাদী অৰ্থনীতি হ'ল শ্ৰেণী সংগ্ৰামৰ আধাৰ শ্ৰেণীভিত্তি সংগঠিত গোটত আন্দোলন কৰিলেহে ভাৰতত সমাজবাদ প্ৰতিষ্ঠা হব। সেই আন্দোলনে ১৯৪২ চনৰ স্বাধীনতাৰ আন্দোলনতকৈ দুগুন বেছি ক্ষমতাবান আন্দোলন/পুজিবাদী হৈ শাসন ব্যৱস্থা পুজিবাদী অৰ্থনীতি ব্যৱস্থা আৰু সাম্প্ৰদায়িক ব্যৱস্থা নিৰ্ম্মূল কৰিব পাৰিব। তাৰ কাৰণে আজি কৃষক বনোৱা ডেকা গাভৰুৰ আৱশ্যক হৈছে।

সেইসকলে আন্দোলনত জপিয়াই পৰিলে তথাকথিত চৰকাৰক তথাকথিত নেতৃত্ব আতৰাই পেলাব পাৰিব। তাৰ গত্যন্তৰ নাই।

উপাধ্যক্ষ মহোদয়, আজি অসমৰ অৰ্থনীতি বৰ্ত্তমান সময়ত ভাগি পৰা অৰ্থ নীতি। মই আগতে অলপ উনুকীয়াই গলো যে ৫ খন ৰাজ্যৰ নিৰ্বাচন কৰিবলৈ যাওঁতে ইয়াৰ তেল, চেনী, কাপোৰ, সূতা আটাইখিনি উত্তৰ প্ৰদেশ উৰিষ্যা, মণিপুৰ, পণ্ডিচেৰীত গোটেইবিলাক দি দিয়াৰ কাৰণে তাৰ ফলাফল পালে। তেল নিমখ খোৱাৰ পাছত ইয়াত বস্তুৰ দাম বাঢ়িল। অসমৰ তেল, নিমখ, চেনী, আটা-ময়দা বস্তু যেতিয়া নিৰ্বাচন হোৱা ৰাজ্যবিলাকলৈ নিয়া হল সেই সময়ছোৱাত বেছিকৈ বস্তুৰ দাম বাঢ়িল আৰু সেই বস্তুৰ মূল্য বৃদ্ধিয়ে অসমৰ মানুহক কিলালে। তেনেধৰণে আজি অসমৰ অৰ্থনীতি ভাগি পৰিছে। এই অৰ্থনীতি গঢ়ি তুলিবলৈ হলে এইখন বাজেট নহয়। তাৰ কাৰণে কৰ-কাটলৰ এখন বাজেটে নোৱাৰিব এখন বিপ্লবী বাজেট লাগিব আৰু এক দুই বছৰতো হয়তো সেইটো নহব পাৰে। কিন্তু এনে ধৰণে আমি এই বিধান সভাৰ প্ৰশ্নোত্তৰৰ কালছোৱাত আলোচনা কৰিছিলো আমাৰ নিজৰ কাৰণে অনা চেনী, অসমৰ নামত থকা চেনী, চেনী নোহোৱা মিলত লাইচেন্স দি দিছে। যেনেকৈ 'কণা হাঁহক পতান ধান'। কণা হাঁহে যিদৰে নেদেখে ধানেই দিছেনে পতানেই দিছে- ঠিক তেনেকৈ আজি অসম কণা হৈ পৰিছে, দেখিও নেদেখা হৈছে। অসমৰ নেতৃত্ব কণা। দেখা পালেও নেদেখা কণা বুলিলেও জগৰ। গতিকে আছে গৰু নাবায় হাল, হোৱাতকৈ নোহোৱাই ভাল। গতিকে এই চৰকাৰক মানুহে বিদায় দিব। লাঠিৰে উগুনিয়াই হলেও বাহিৰ কৰি দিব। মই আশা কৰিছো জনসাধাৰণৰ মাজত নকৈ সুসংগঠিত হৈ নতুন নেতৃত্ব তৈয়াৰ কৰি দেশক নেতৃত্ব কৰিব। মই আশা নকৰো আজিৰ ৰাজনৈতিক দল কেইটাই আবহমান কালৰ পৰা অনন্ত কাললৈ থাকিব। ৰাজনৈতিক দল ভাঙি চিঙি চুৰমাৰ হৈ যাব। বেবেৰিবাং শাসন চলিবলৈ নিদিও। আজি শাসনৰ নামত বেবেৰিবাং ঘটিবলৈ নিদিও। আজি পানী নাই, খাবলৈ ভাত নাই পিন্ধিবলৈ কাপোৰ নাই, ঔষধ নাই, হাস্পাতাল নাই। গাওঁৰ মানুহৰ পৰা আঠ, বাৰ অনা টেক্স লগাই টাউনৰ বজাৰ বেপাৰৰ থলি হিচাবে ৰাখি মিউনিচিপেল বৰ্ড কৰা হৈছে। সেই হেপাহ

গাওঁৰ মানুহৰ নাইনেকি ? অসমত ২৫ হাজাৰ ৭শ গাওঁ আছে কোনোবা এখন বাজেটত গাৱত পানী যোগান ধৰি খোৱা পানী দিয়াৰ আচনি আছে জানো ? গাৱৰ মানুহক খোৱা পানী দিব নোৱাৰে। এইখন সাৰমৰ্ম্মহীন বাজেট। এই বাজেটৰ ওপৰত ৰাইজৰ বিশ্বাস নাই। এই বিলাক কথা ৰাইজে উপলব্ধি কৰিব চৰকাৰৰ এই ভণ্ডামী অত্যাচাৰী শাসক ব্যৱস্থা, অনাচাৰ ব্যৱস্থা নিমৰ্মূল কৰিবলৈ জনসাধাৰণ আগবাঢ়ি আহিব।

মুঠতে এই বাজেটত মই জনাত কেইটমান বৃহত উদ্যোগ যেন তেল শোধানাগাৰ, চিমেণ্টৰ কাৰখানা মৰাপাতৰ কাৰখানা চেনিৰ কাৰখানা আদি কেইটামান কাৰখানা নিৰ্ম্মানৰ এটা আভাষৰ বাহিৰে মানুহৰ দৈনন্দিন জীৱন জাপনৰ আহিলা আদিৰ বা যিবিলাক সামগ্ৰী অসমৰ জনসাধৰণে খাই পিন্ধে, ঘহে সেই যাবতীয় বস্তু বিলাকৰ উৎপাদনৰ কোনো ব্যবস্থাই এই বাজেটত দেখা নাই। এই বিলাকৰ উৎপাদনৰ হকেও কেন্দ্ৰীয় চৰকাৰৰ মতামত লাগে নেকি বা কেন্দ্ৰীয চৰকাৰৰ মতামত নহলে ৰাজ্যিক চৰকাৰে কৰিব নোৱাৰে নেকি ? মই ভাবো দিল্লীয়ে মুখ্য মন্ত্ৰীহে পাতিব পাৰে, অসমৰ জনসাধাৰণে খাবলৈ কি সামগ্ৰীৰ আৱশ্যক পিন্ধিবলৈ কি সামগ্ৰী লাগে ঘহিবলৈ কি বস্তুৰ পৰাবৰাইৰ দৰকাৰ এই সকলো বিলাকৰ যোগান আৰু উৎপাদনৰ হকে কেন্দ্ৰীয় চৰকাৰ বা দিল্লী নহয়, দায়ী হৈছে ৰাজ্যিক চৰকাৰ এই সামগ্ৰীৰ যোগান আৰু উৎপাদনৰ কাৰণে ৰাজ্যিক চৰকাৰ দিল্লীৰ মুখাপেক্ষি হোৱাৰ বোধকৰো আৱশ্যক নকৰে। এইটো নকৰাৰ অৰ্থ হল ৰাজ্যিক চৰকাৰৰ জানি শুনি কৰা পাপ এই পাপ তিলৰ সমান নহয় এই পাপ মেৰুৰ সমান। এইবিলাক ক্ষেত্ৰত ৰাজ্যিক চৰকাৰ দিল্লীৰ মুখাপেক্ষি নহৈ নিজ ক্ষমতাৰে আগ বাঢ়িব লাগিব। আজি নিবনুৱা সমস্যা যি হিচাবে জটীলতকৈ জটীলতাৰ হৈ আহিছে সেই হিচাবে সমাধান কৰিবলৈ কিমান যোৰেৰে অগ্ৰহৰ হব লাগে তাকো চৰকাৰ উপলব্ধি কৰিব পৰা নাই। আমি বিৰোধী দলৰ ফালৰ পৰাই ইতিমধ্যেই বহুতো পৰামৰ্শ আগ বঢ়াইছো এতিয়াও মই উপলব্ধি কৰা কথাৰেই কও যে আমাৰ চাকৰি জগতত কি কি প্ৰহেলিকাৰ সৃষ্টি হৈছে আজি ৪০ বছৰ আগতে যি সকলে চাকৰি কৰি আছিল আজিও সেই সকলৰে সন্তান

সন্তুতি সকলে চাকৰি পাই আছে। অন্য যিবিলাক গৰীব জনসাধাৰণৰ সন্তান সন্ততিয়ে চাকৰি বিচাৰিছে সেই সকলৰ এজনকে চাকৰি দিয়া হোৱা নাই। সেই কাৰণে আজি আমাৰ নিবনুৱা সমস্যা দিনক দিনে জটীলতৰ হৈ গৈছে। মই কওঁ যে, আজি মহকুমা জিলা বিলাকৰ পঞ্জিয়কৰ অফিচত যিবিলাকৰ নাম ভৰ্ত্তি হৈছে সেই বিলাকক চৰকাৰে কাম দিব লাগিব। এতিয়া কথা হৈছে হয় চাকৰি দিয়ক। হয় খেতি কৰিবলৈ মাটি দিয়ক নহয় তেওঁলোকৰ সংস্থাপনৰ ব্যৱস্থা চৰকাৰে কৰক। মোৰ কথা হল, আজি যাৰ ঘৰত চাকৰিয়াল নাই সেই ঘৰৰ কোনোৱে চাকৰি পোৱা নাই আৰু চাকৰীয়াল থকা ঘৰ বিলাকতেই চাকৰি পাইছে। সেই ক্ষেত্ৰত মই এটা পৰামৰ্শ দিওঁ যে মাটিৰ বিষয়ত ৰেচন কৰাৰ নিচিনাকৈ চাকৰিৰ ক্ষেত্ৰতো এটা ৰেচন ব্যৱস্থা কৰাৰ দৰ্কাৰ হৈ পৰিছে আজি মাটিৰ ক্ষেত্ৰত কাৰবাৰ কোনো ঠাইত দহ বা সাত বিঘা মাটি থাকিলে অন্য ঠাইত মাটি পাব নোৱাৰে ঠিক তেনে দৰে এটা পৰিয়ালত এজন চাকৰিয়াল থাকিলে সাধাৰণতে অন্য এজনে চাকৰি পাব নোৱাৰে। অন্তত: এনে ধৰণে এটা পৰিয়ালক কম বেচি অন্ততঃ এটাকৈ চাকৰি দিয়ক। তাৰ পাচতহে চাকৰি থকা পৰিয়ালৰ মানুহক চাকৰি দিব লাগিব। আজি নিবনুৱাৰ দায়িত্ব ঠিকমতে বহন কৰিব লাগিলে মোৰ মতে সংবিধানো সংশোধন হব লাগিব।

মহোদয়, এফালে এই গৰীব জনসাধাৰণক চাকৰি দিব দিব বুলি তেওঁ-লোকক প্ৰত্যক্ষ বা পৰোক্ষ ভাবে কৰৰ বোজা দিয়া হৈছে। কিয়নো এজন লৰাই চাকৰিৰ কাৰণে দৰ্খাস্ত দি টেজাৰী চালান দিলে ইণ্টাৰভিউ ললে তাৰ পাচত চাকৰি নাপালে এনেকৈ বাৰে বাৰে চাকৰিৰ দৰ্খাস্ত দি টকা পইচা খৰচ কৰি সৰ্ব্বস্ৰান্ত হৈছে অথচ চাকৰি পোৱা নাই এইটো জানো সেই জনৰ ওপৰত টেক্স বহোৱা হোৱা নাই? সি মাক বাপেকৰ হাতৰ পৰা টকা আনি বাৰে বাৰে অকৃতকাৰ্য্য হৈছে ই পৰোক্ষ বা প্ৰত্যেক্ষ ভাবে মাক বাপেকৰ ওপৰত কৰ কাটল লগোৱা হৈছে। কিন্তু চাকৰিৰ ক্ষেত্ৰত চাকৰি কৰি থকা সকলৰ অওহি বওহিকেই চাকৰি দিব বুলি আগতেই থিক কৰি থৈছে। এই বিষয়েও চৰকাৰে ভাবি চাব।

মহোদয় আজি সীমান্তত বহুতো অঘটন ঘটিছে। বিশেষকৈ আমাৰ মাজতেই বৰ্ত্তী থকা নগা ৰাজ্য আৰু তাৰ সীমা শিৱসাগৰ আৰু গোলাঘাট সমষ্টিৰ পৰা এই সীমান্ত সংঘৰ্ষৰ নতুন নতুন খবৰ ওলাইয়েই আছে। ৰাজ্যৰ আৰু জনসাধাৰণৰ নিৰাপত্তা ৰক্ষাৰ কাৰণে এই ক্ষেত্ৰত বাজেটৰ টকা দিবই লাগিব। অকল সেইয়েই নহয় এই সীমান্তত ৰক্ষাৰ কাৰণে এটা আচুতিয়াকৈ প্ৰস৷শনীয় বিভাগ খুলিব লাগে। জিলাৰ উপায়ুক্ত আৰু চাবডিভিজনৰ অফিচাৰ সকলেই যথেষ্ট নহয়। যোৰহাট, শিৱসাগৰ আৰু গোলাঘাট সীমান্তত সংৰক্ষণৰ কাৰণে সোনকালে এটা বিভাগ খুলিব লাগে। ইতিহাসত এনেকুৱা দৃষ্টান্ত নাই যে কোনো ৰাষ্ট্ৰই অ লোচনা বিলোচনাৰ জৰিয়তে কোনো ঠাই সীমান্ত সংঘৰ্ষৰ ওৰ পেলাইছে।

আজি উৎপাদন বঢ়োৱাৰ কথা এই চৰকাৰে কৈছে যে টকাহে বঢ়াব। বৃদ্ধিত টকা কৰ পৰা আহিল, তাৰ কাৰণে টেক্স লগোৱা বিল পিচত আনিব ইনকামটেক্সৰ ক্ষেত্ৰত জনসাধাৰণক ৰক্ষা কৰিবলৈ যা৹তে আগৰ ৰেহাই ৫ হাজাৰৰ ঠাইত বৰ্ত্তমানে ৬ হাজাৰ ৰেহাই দিব। কিন্তু খেতিয়কক উৎসাহ দিবলৈ একো কৰা হোৱা নাই। মই কওঁ খেতিয়কৰ ক্ষেত্ৰতো বছৰেকীয়া উৎপাদনৰ ওপৰত ৬ হাজাৰ ৰেহাই দি আইকৰ বহাব লাগে। এই সকলো ক্ষেত্ৰতে এটা সমান্তৰাল ব্যৱস্থা কৰিব লাগে।

এই ধৰণৰ ব্যৱস্থাত নিশ্চয় সমাজবাদী অৰ্থনীতিৰ আৱশ্যক আছে। উপাধ্যক্ষ মহোদয়ক সেইফালৰ পৰা এই ব্যৱস্থা লবৰ কাৰণে মই আহ্বান জনালো। আজি আমাৰ দেশত দুৰ্নীতি খুব বৈছিকৈ হৈছে। কেইটামান সামান্য ব্যৱস্থাৰে দুৰ্নীতি নিৰাময় কৰিব নোৱাৰে। মই নিজে ভাবো মই যদি শাসনৰ গাদীত থাকিলোহেতেন তেন্তে মই কেইটামান সৰু সৰু আদালত কৰিলোহেতেন যাৰ দ্বাৰা চাকৰিয়ালেই হওক বা অন্যান্য মানুহেই হওক নীতিত লিপ্ত হলে ধৰা পৰাৰ ব্যৱস্থা হলহেতেন। চৰকাৰে এনে ক্ষমতাবান লোকক নিয়োগ কৰিব লাগে যাৰ জৰিয়তে দুৰ্নীতি ধৰা পৰে আৰু বন্ধ হয়। দুৰ্নীতি তলত নহয়, ওপৰতে দুৰ্নীতিৰ সৃষ্টি হয় আৰু তাৰ পৰাই চৰিওফালে বিয়পি পৰে। আজি শাসনৰ গাদীত থকা সকলেহে দুৰ্নীতি বেচিকৈ কৰিছে, শাসনৰ গাদীত থকা ভব্য গব্য লোক সকলেই

দূৰ্নীতিৰ মূল নিৰ্বাচনৰ নামতে প্ৰথম দূৰ্নীতি আৰম্ভ হৈছে। সাত হেজাৰ টকাতে দূৰ্নীতি সমাপ্ত হব লাগে কিন্তু তাত লাখ লাখ টকা খৰচ কৰা হৈছে। পাচখন ৰাজ্যত ইতিমধ্যেই নিৰ্বাচনৰ খতিয়ান যদি আমি চাওঁ তেনেহলে দেখা পাম যে সাত হেজাৰ টকাত এম এল এ সকল হাৰিল নে?

(ধ্বনী—আপোনালোকে খৰচ কৰা নাই নে কি ?)

মই অকল একোটা বিশেষ পাৰ্টি কথাকে কোৱা নাই। চচিয়লিষ্ট পাৰ্টিয়েই হওক বা কংগ্ৰেছ পাৰ্টিয়েই হওক মই সকলোৰে কথা কৈছো। হয়তো কংগ্ৰেছ আজি ক্ষমতাত আছে। প্ৰধান মন্ত্ৰীয়ে তেল মন্ত্ৰীক কলে যে উৰিষ্যাৰ কাৰণে পঞ্চাশ হেজাৰ টকা দিয়া হওক। তেনেকৈ ৰেল মন্ত্ৰীয়ে উদ্যোগ মন্ত্ৰীক আৰু উদ্যোগ মন্ত্ৰীয়ে........

মঃ ডেপুটি স্পীকাৰ : এইবোৰ কথা পাৰ্লিয়ামেণ্টত কলেহে ভাল হব।

শ্ৰীসোণেশ্বৰ বৰা : পাৰ্লিয়ামেণ্টত কোৱাৰ সুবিধা নাই কাৰণে ইয়াতে কব লগা হৈছে। আজি আমাৰ ৰাজনীতিতে দূৰ্নীতি কৰা হৈছে। স্বাধীনতা লাভ কৰা আজি কুৰি বছৰ হল তথাপি আমাৰ দল বাগৰা নিয়মটো চলিয়েই থাকিল। যিখন দেশৰ ৰাজনীতিত দূৰ্নীতি বন্ধ নহয় সেইখন দেশৰ অৰ্থনীতিত দূৰ্নীতি আৰু সামাজিক দূৰ্নীতি বন্ধ কৰিব নোৱাৰে। কায়মনো বাক্যে আজি সকলোৰেই দূৰ্নীতিৰ উচ্চ শিখৰত উঠিছে ফলত তলতীয়া কৰ্মচাৰী বা অন্যান্য লোক সকলে দূৰ্নীতি কৰা স্বাভাবিক হৈ পৰিছে। গতিকে আজি প্ৰধান মন্ত্ৰীয়েই হওক, মুখ্য মন্ত্ৰীয়েই হওক এম এল এ এম পিয়েই হওক সকলোৰেই সংগঠন কৰিব পাৰে। আৰু এটা কথা মই কব খুজিছো সেইটো হৈছে ভাষাৰ মাধ্যমেৰে কৰা আমাৰ দেশৰ দূৰ্নীতি। ইংৰাজীৰ মাধ্যমেৰে আজি আমাৰ দেশত দূৰ্নীতি বেছিকৈ কৰা হৈছে। ভাষাটো স লোৰে বুজি নেপোৱাৰ কাৰণে দূৰ্নীতি কৰিবলৈ সুযোগ বেছি হৈছে। ভাৰতবৰ্ষৰ সকলো ৰাজ্যতে যদি সংহতি আনিব লগীয়া হয় তেন্তে মই ভাবো ভাষাৰ মাধ্যমেৰেই আটাইতকৈ সহজে সংহতি আনিব পৰা হব বুলি মই ভাবো। অসমত অসমীয়া, বঙ্গদেশত বঙালী উৰিষ্যাত উৰিয়া, বিহাৰত হিন্দী আদি কিবা কিবি হৈ নেথাকে তেনেহলে তাৰ জড়িতে সংহতি সম্ভৱ হব। এটা আখৰ হলেও অন্ততঃ এটা সম্প্ৰদায়

হলেও এই সংহতিৰ মাজলৈ আহিব। কিন্তু মাদ্ৰাজ কলিকতা বোম্বাইত, দিল্লীত কিছুমান নেতা আছে যি ভাৰতবৰ্ষৰ চুকে কোনে ইংৰাজী ভাষাটো ৰাখিবলৈকে বিচাৰে। কাৰণ ইংৰাজী নাজানিলে ফ্ৰান্স, জাৰ্মাণী, আমেৰিকা আদিলৈ গৈ তেওঁলোকৰ লৰাই কেনেকৈ শিক্ষা লাভ কৰিব পাৰিব? কিন্তু আজি আমাৰ দেশত কেইজন মানুহে ইংৰাজী জানে? এই কথা আমাৰ উকিল বন্ধু সদস্য সকলে ভালকৈ জানে। আমি জানো যে ইংৰাজী ভাষাৰে আৰু আমাৰ জনসাধাৰণে এই ভাষাটো ভালকৈ নজনাৰ ফলতে সকলোবোৰ কাৰ্য্যালয় দূৰ্নীতিৰে উপচি পৰিছে। যদি আমাৰ দেশত দূৰ্নীতি বন্ধ কৰিব লগা হয় বা আমাৰ মানুহক স্বাৱলম্বী কৰিব লগীয়া হয় ইংৰাজী ভাষাৰ প্ৰভাবটো আমাৰ মাজৰ পৰা নোহোৱা কৰিব লাগিব। মই পাঁচশ টকীয়া চাকৰীয়ালৰ কথা নকওঁ সকলো চাকৰীৰ ক্ষেত্ৰতে কৈছো শতকৰা ৮০ ভাগ চাকৰি আমাৰ ডেকা-গাভৰুৰ কাৰণে বিৰ্জাভ কৰি ৰখা নাই।

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে ট্ৰাইবেল জনজাতীয় বা চিডুৰেল কাষ্ট বা অ' বি চি ৰ কাৰণে এইবাৰ এই ব্যৱস্থা কৰা হৈছে বুলি কোৱা হৈছে। কিন্তু মই আগৰ ৰ ৰাজ্যপালৰ ভাষণতে কৈছো যে এই শ্ৰেণী হিচাবে, অৰ্থনৈতিক গোট হিচাবে সাম্প্ৰদায়িক ভিত্তিত আমাৰ দেশ গঠণ কৰিব পৰা নহব। মিশ্ৰিত পুঁজিবাদৰ অৰ্থনীতি দেশৰ পৰা আঁতৰি যাব লাগিব খেতিয়ক হিচাবে খেতিয়কৰ গোট, শ্ৰমিক হিচাবে শ্ৰমিকৰ গোট ইত্যাদি ধৰণেৰে একো একোটা সৰু সৰু সংখ্যা গঠিত যেতিয়ালৈকে নহয় তেতিয়ালৈকে আমাৰ মাজত সমাজবাদ গঢ়ি উঠিব নোৱাৰে। কালি নমিনেশান দিয়া হৈছে মই চৰকাৰক সুধিব খোজো যে সেই নমিনেশ্যন চিডুৰেল কাষ্ট বা অ' বি চি বা ট্ৰাইবেল কোনো লোকে পাইছে নে? নাই পোৱা। সেইখন চৰকাৰী মেলত এই সকল লোকে নমিনেশ্যন পোৱা নাই। সমাজবাদ গঢ়াৰ কথা আজি যেতিয়া কোৱা হৈছে তেনে ক্ষেত্ৰত কিমান মজদুৰ নাই বা চিডুৰেল কাষ্ট বা অ' বি চি বা ট্ৰাইবেল কাষ্ট আদিৰ পৰা পাব লাগিছিল। আচলতে চৰকাৰে তলৰ পৰা জাতি সম্প্ৰদায়ৰ মাজত সমাজবাদ গঢ়িব বিচৰা নাই অৰ্থ নৈতিক ভাৱে যিবিলাক পিচপৰা খেতিয়ক আছে আজি যদি সেইসকলৰ

মাজৰ পৰা কোনোবাই দিল্লীৰ দৰবাৰত আসন লাভ কৰিব পাৰিলেহেতেন তেন্তে আমি কব পাৰিলোহেতেন যে চৰকাৰে প্ৰকৃততে সমাজ বাদ প্ৰতিষ্ঠা কৰিব বিচাৰিছে। গতিকে মই কওঁ যে আমাৰ সংবিধানত পিচপৰা জাতি বা জনজাতি বুলি যি এটা সম্প্ৰদায় বা শব্দ আমাৰ সংবিধানত আছে মই কৈছো অকল সংবিধানৰ পৰাই নহয় অভিধানৰ পৰাও ইয়াক বাদ দিয়ক।

**Shri Ataur Rahman :** Mr. Deputy Speaker, Sir, on a preliminary reading of the budget the impression that one gets is one of frustration, of course. For it is a deficit budget and secondly, it does not contain much of the developmental proposals formulated for the first year of the Fifth Five year plan. But then, the deficit is rather nominal and new taxes are not yet round the corner; moreover, as the plan itself has not been finalised as yet more developmental schemes are yet to be indicated. In that perspective, I think, there is a ray of hope as well and this is specially so because after all, the Central Government through its decisions as expressed in the resolutions of the Sixth Finance Commission has condescended to look sympathetically into the unhappy fiscal position of the State. On our side, by minimising over-drafts and other irregular methods of obtaining finances the financial position has been so improved that now we can hopefully expect that the Fifth plan will be lunched with some hope and development projects will be taken in right earnest-may not be to our expectations. But, Sir, the budget has to be weighed against the prevailing situation in which there is a reign of spiralling prices specially in food grains

and unless we can make the take over of foodgrains successful, if anything good there is in the budget it will be offset. Therefore we have to concentrate our attention or making procurement successful by having more intensive drive and by harrassing small cultivators but by imposing effective measures against smuggling through the borders. Some relaxation in the movement of foodgrains within the State has to be allowed and if need be Government has to come forward to sell food grains at subsidised rates. However Sir the hardcore of the problem is agriculture and in harnessing the agriculture with the agriculture Deptt: The Government promises are there to provide scope for improved agriculture and for providing irrigation facilities in respect of every inch of cultivable land. In this respect Sir, taking what is what today my suggestion would be that in the interest of better co-ordination recently reorganised irrigation Deptt. be entrusted to a Minister holding the agriculture portfolio. A person with mental vigour and clear conception should be placed incharge of the departments, otherwise we are not going very far. A person holding the agriculture and irrigation portfolio should be one who is also in a position to enthuse the people in respect of whatever we hold out. It is a fact Sir, with all the resources at our command we cannot fulfil all the aspirations of the people, who with enthusiasm created by us all should meet the rest by themselves. It is also true that unless there is unpre-

cedented improvement in agriculture there is nothing which can deflect us from the direction of chaos in which we are moving willy nilly.

Sir, the law and order situation also deserves some attention. In the wake of the emergence of Bangladesh some subversive elements appear to have made their way in our borders. Fissiforous tendencies are there in the form of some movements. Crimes involving life and property are ever on the increase. Prices and other economic factors have intellectually affected large sections of the people including students who have of course their own reasons to get upset from time to time. Against this perspective the law and order machimery must be in its proper form, but unfortunately the main prop in this connection, the police appeared to be contaminated with unwholesome practices. The citadel appears to be pulled down partially. In respect of land reforms the land settlement we have kept the people in an expectant mood for quite a long time. It i s good that we have passed the necessary laws but so far as the implementation is concerned, the labours of two years have produced that mouse of a Land Use Committee only, which is yet to take proper shape. In the meantime what we have done Sir ? We have done nothing. We are looking helplessly. The Director of Land Record is feasting about the rural areas supposedly inaugurating the land reform campaign and some hypocritical hands extended by persons or elements of dubious character are being

eulogised for having prepared the ground for land reforms. In fact they are out to create disorder and chaos and in-fights among the people. We have no scope for complacancy, we have to be up and doing. In respect of land reforms Sir, I for one, am wholly for nationalisation of land. No halfway measure. But in the mean time if we are to take other measures then we have to introduce an element of soundness about implementing all these measures. As Shakesphere speaking of other things indicated that the play is the thing in respect of land reforms measures, I would say Sir, that 'speed is the thing'. That I want the Government to remember. Sir, with a deficit budget before us and with an eye on the Centre for help and assistance it is less than good to dilate upon the grievances of the constituencies of members. I will therefore forsake the path of a nagging wife. But then what about the incomplete embankments visited by Ministers themselves and assurances held out locally? What about these P.W.D. roads or breaches on P.W.D. roads along which the weary feet of the rural people tread their way? What about the dilapidated building of the dispensaries or erosion affected dispensaries? And what afterall about the barest necessity of some police arrangement in order to keep the law and order for which demands have been placed from time to time? Towards these factors I invite the attention of the Government. Sir, I am never a pessimist but then as the situation has developed and as the atmosphere smacks of, I think we all should join

hands in prayer in the vein of Cardinal Newman. "Lead Kindly Light, Lead thou me on."

This Kindly Light may be God over head or it may be those that be at Delhi. Thank You Sir.

Mr: Deputy Speaker: It is 12.30 now. The House stands adjourned till 2.30 p.m.

The House reassembled at 2-30 p.m. with the Hon'ble Speaker in the Chair.

Shri Charan Narzari: Mr Speaker Sir, on examination of the budget presented by the Chief Minister I have been inclined to make an observation that the budget is based more on administrative needs rather than on public needs. In one sentence, if I am to say, the budget has not been public need oriented one. It is true that we cannot avoid administrative expenditure. But it does not mean that an undue emphasis should be given on the administrative expenditures in utter neglect to the basic needs of the people of the State. It has been said that the State Government is running with a deficit budget. Whether the deficit is big or small, I do not mind. Any way, the Government is running with a deficit budget.

But what are the factors responsible for this distressful state of economy? Sir, if we examine the relevant aspects of the problem, it is evidently clear that the Government have miserably failed to give due stress on the productive factors. The productive factors have been totally neglected as a result of which there has been a marked fall in the State revenue.

As for instance, Sir, I must place before the House that throughout the State of Assam thousands and thousands of landless peasants have been thrown out of their lands. There is no effective step or arrangement on the part of the Government to provide landless peasants with sufficient land. Everywhere there has been large scale eviction of the landless peasants which has seriously affected the State's economy. It is known to all. Sir, if the agriculturists are thrown out of their lands in this way, how can you expect an improvement in the State's revenue? If this large number of landless people were provided with lands where they can cultivate crops, definitely these people could have cultivated their lands to enhance the State's revenue. This is not happening. The Government have been neglecting this aspect. Repeatedly there has been eviction everywhere, not only in forest areas but also in the revenue areas. Whether they are forest people or the people living in the revenue areas, they are all cultivators. So, I want to suggest that for the sake of State's economy and for the improvement of our revenue higher priority should be given to the cultivators who are undoubtedly the most productive factors in the State.

Sir, a serious problem has been created by this Government by evicting the forest villagers everywhere through out the State. I do not want to cite many examples. These wretched people have been subjected to such a harrowing condition which is unthinkable in a civilised society. As for instance, many people from the Sonapur forest reserve area

of Gahpur represented their case to the Hon'ble Forest Minister. They narrated varied stories of inhuman harassment, tortures, ill-treatment. Ultimately after much persuasion, the Government communicated its order staying eviction. But that is not enough. Today, I have received complaints even after the communication of the stay-order. Their crops have been destroyed totally. What is the harm if those people are allowed to harvest their crops ? What pleasure this Government finds by destroying the crops which have been grown with so much of labour by the poor peasants ? If the crops are destroyed like this, is it not the loss to the State economy ? Definitely these people have been rendered unproductive elements by the Government. It should not be a pleasure of the Government to put these innocent, indigenous and wretched people to such an inhuman treatment.

If the Government is genuinely interested in improving the State economy, then it should undertake a survey work of the landless peasants, so that they can be conveniently accommodated in certain areas in a planned way so that they become able to grow more and more crops and that will enrich the State economy. It has become a glaring problem for us today. Everyday, there has been incessant flow of landless people who have been coming to this capital in the hope of getting some help or remedy from the Government. They go back with some assurances and immediately after one or two days, they come back to the

capital again. It has been a very serious problem. It is not a matter of joy for us. These people are inseparably attached to the land and forest.

Sir, what is the forest policy of the Government? People who have been living in the reserved forests for many many ears have been evicted ruthlessly. These people have been rendering free labour to the Forest authority and the result is so pathetic that they remain ever poor, neglected, uncared and unheard. For them there is no human consideration from the Government.

I remember, the other day the Forest Minister has been pleased to discuss a particular Forest case with his officers and later on, I came to know about the minutes of the discussion of that discussion, which was verbally communicated to me by the Chief Conservators of Forest. The meeting reviewed the forest policy of the Govt. and laid down that so far as the settlement of forest people is concerned, the concerning officers should take into consideration certain vital points. Firstly the dependent forest villagers who have received settlement orders from the Government should not be disturbed and harassed unnecessarily and they should be conveniently accommodated some where in some area contiguous to the existing forest villages, so that the area can be dereserved in future, if necessary. Secondly the dependent forest villagers, who have not received any settlement order from the Government, should also be treated humanely and with sympathy and they should be accommodated in similar way. And, thirdly, there are many people who have been living in the forest areas for many many

years, rendering free labour to the forest authority, but in the eye of law they are neither forest villagers nor are they dependent forest villagers. The fact that these people have been living in the forests for years together, say fifteen, twenty or thirty years, clearly indicates that they are genuinelylandless people and so these people also should not be disturbed or harassed. They should be settled somewhere. If this is the policy of the Government in the matter of settlement of forest land to the landless people, it is expected that the forest officers at the bottom should implement it, acting in the true spirit of the Govt. policy. This policy of the Govt, was clearly explained before the Divisional forest officer of Kachugaon Forest Division, Mr. Patar in my presence the other day by the Chief Conservator of forests and he instructed that D.F O, to act accordingly. But today, I met people from that particular area who have reported that till yesterday eviction operation was going on. So, then, where is the remedy ? Are they not citizens of a free country ? Are they not human being ? If the forest officers at the bottom do not follow and implement the Government orders, where is the justice and what is the remedy for these people. This is not an isolated incident. This is happening everywhere throughout the State. These are the impediments which stand in the way of State economy. The Government by resorting to such drastic measures against the innocent landless cultivators have rendered then completely incapable of contributing to the State economy, So, in this matter, the Government should be sympethetic and very careful.

Mr. Speaker, Sir, wherever we go, we see the grievances of the people and the grievances are of serious nature.

This Government in the early stage proclaimed loudly that all the grievances and problems of the people will be removed within the shortest possible time. Very often we heard the Chief Minister saying—first identify. or locate the problem and as soon as the problem is identified it is not difficult for us to solve it. This is what we always hear from the Chief Minister on all occassions. Now, my question is whether the Govt. have been able to idenify the glaring problems of the people in the State. If the Government have been able to indentify the problems of the people why they have not been solved? Why there is the cry of people every where? What have we seen in the reality? Why there is no rice, no atta or maida, no sugar, no kerosene oil, no mustard oil, etc.? Every where the people are living below poverty line; students cannot read books for want of kerosene oil. I do not know what is happening in other areas. In my Kokrajhar constituency, particularly in the interior, the students right from the Pathsala classes cannot read books for want of kerosene oil. Sugar has become a very dear thing, rice is selling at exhorbitant rate, and God knows how long this sorry state of affairs will continue. We have not even reached the middle of the year, and we have still a long way to go.

Mr. Speaker, Sir, I want to speak something about the problems of the backward sections of the people because every section of the people in the state is a

contributing factor to the the state's economy. If the state's economy is to be improved, all the downtrodden and backward sections of the people must be raised to the level of other advanced sections of the people so that they also become able to contribute to the State's economy. But so far as their amelioration is concerned, the Government have totally failed in looking after these people. In fact, when the Annual plan is prepared by the Government detailed survey of the backwardness of these people should be made by the Government, taking into account the different aspects of the problem. Other wise it will never be possible for the Government to make a correct annual plan. There is a link between the Central Government and the state Government as far as the financial involvement for their development is concerned. Over and above, there is a clear directive principle embodied in the sacred constitution of India which says that the vital interests of the backward sections of the people should be safeguarded by all means. I quote Article 46. "The State shall promote with special care the educational and economic interests of the weaker sections of the people and, in particular, of the Scheduled Castes and Scheduled Tribes and shall protect them from social injustice and all forms of exploitation."

Now the question is whether the spirit of the Article 46 of the Constitution has been maintained by the Government so far as protection of the vital interests of the weaker sections of people are concerned. I say 'No'. The State Government have never cared to implement or act

in the spirit of the Constitution, other wise there would not have been so much of dis-satisfaction and frustration amongst all the weaker sections of the people. So, Sir, this point must be borne in mind by the State Government. Simply by blaming some people, who spearhead the cause of the downtrodden people, Government cannot escape from its responsibility. It is obligatory on the part of the Government to look after the vital interests of the downtrodden people.

Hon'ble Member, Shri Soneswer Bora (He is not in the House now) referred to the scheme of half a million jobs for the jobless. Sir, it is a big and high-sounding slogan, which has failed to bring any effective result or create any impact on the jobless people. Already we have noticed that this big slogan of half million job for the unemployed people has been a farce, everything that relates to the employment of the people has been described as falling under this scheme.

Sir, what is happening in the Tribal Areas Department? The Government because of its apathetic attitude has failed to fulfil the reserved quota for employment of the Tribal people and Scheduled Caste youths. The Advisory Councils for the Plains Tribals and the Scheduled Castes evolved a novel scheme for giving them employment. What is that? The scheme is that a detailed socio economic survey must be undertaken by the Department concerned under the Ministry of T.A.D. and Social Welfare. And for that purpose, a pro-forma has been prepared and if you look at the columns of the proforma prepared

for undertaking detailed socio-economic survey of the weaker sections of the people you will find that the enumerators proposed to be engaged for the purpose are to move from house to house to collect statistics as to how many chickens or goats or swines a man has, the number of thatched and C. I. sheet-roofed houses the extent of land possessed by him, etc. All these informations are to be collected or supplied by the enumerators. I am not speaking about the scheduled caste people. There are 14 lakhs of plains tribal people in the state, and these enumerators, who are to be employed for collecting these data, are to go to each house for the purpose. Now, what will be the time necessary for collecting all the data ? I am afraid, if this Government will be able to complete the tribal socio-economic survey even within the full term of this Ministry. Till the end of the term of this Ministry even this task would not be completed Again, what is the remuneration of the enumerators who are to be recruited under the half-a-million job scheme ? It is only Rs- 100/-per month without any T.A. These people will have to go to every house and they will get for this job only Rs. 100/-per month. That is why, the scheme has totally failed to enthuse the young unemployed youths. This scheme is a failure and everywhere it is the same. That is why, Government should review the whole thing seriously. Sir, the Government is always expected to have a realistic approach to the problem. It should not be the tendency of the Government to escape its responsibility by giving certain nonsensical schemes which

do not serve the purpose of the people at all.

With regarded to the grants-in-aid under Article 275; an amount of Rs. 80 lakhs has been earmarked in the budget for developmental works of the scheduled castes, scheduled tribes and other backward classes combined together. Is it sufficient, Sir, to under take all the developmental schemes for the down-trodden people with this amount of money? It is not possible. Since the State Government receives the grants-in-aid under Article 275 from the Central Government, it should be very careful in submitting the plan Budget to the Central Government. I do not know on what basis the State Government asks for a particular amount of the grants-in-aid under Article 275. The amount earmarked for developmental works for the scheduled castes, scheduled tribes and other backward people is too meagre. In this regard therefore, I want to advance a few suggestions. Sir, the basic objective of this grant is to raise the weaker sections of people to the level of surrounding areas but this could not be achieved because of shortage of fund. Every year we find that there is a tendency not to utilise the fund in a proper manner and some times we see that the grant also lapses; and once the grant lapses, there is no re-allotment of the money in the succeeding year. Therefore provision should be there for reallotment of the lapsed amount of money in the succeeding year. Secondly, Sir, under Article 275 there is no scope for getting loans for the welfare projects of the weaker sections of people. Since this grant cannot meet the entire requirement of the backward people, the

State Government should take up the matter with the Central Government for grant of loans.

Sir, Budget should involve all aspects of our social and economic life. In this connection, I want to refer to a particular case. There is a general complaint that free compensatory grants have not been received almost by all the schools and colleges. Of course, I do not know whether the educational institutions have, by now, received the free compensatory grants. But till a few days back the students were complaining that they had not been able to clear their tuition fee and other dues because free compensatory grants have not been disbursed.

This is a very serious matter. So, Sir, I request the Hon'ble Chief Minister to look into the matter.

Sir, the budget reflects the real social and economic condition of the State. Very unfortunately the budget has not been able to give any ray of hope to the people: It has given a sense of frustration to the people and this is noticeable everywhere. Hon'ble Members can very well understand this sense of frustration among the people. Sir, a time will come when this Govt., for its serious lapses, ommissions and commissions, will have to pay very dearly.

Assam is a problem ridden State as has been expressed by many Hon'ble Members of this House. Yes, it is a problem-ridden State, socially politically, economically and so on and so forth. The manner in which this Govt. is acting reveals that the Govt. has been a traitor to the people. When the Govt. ignores the indigenous people of the State, it cannot be a Govt. of the people: Sir, the State of Assam

has already been sold out and for that Govt is blaming this and that to save their skin. By doing this the Govt. is digging its own grave. The vital interests of every section of people have been sacrificed by the so-called patriots and leaders. Now, Sir, if this region is to be protected, and if the solidarity of the Nation is to be protected, the only way out is compartmentalisation of the State. Every one should understand this reality.

Mr. Speaker : Mr. Narzary, please conclude.

Shri Charan Narzary : Sir, many of the Hon'ble Members will blame me for launching a political demand for creation of a new State, i.e., Udayachal. But what is left for us in this state of Assam ? Udayachal is my dream, my hopes and the future of my people. Sir, the Constitution has empowered the Parliament to create new States and we are very anxiously waiting for that historic moment when we will be able to say "good-bye" and this will be good for all concerned. Thank you, Sir.

শ্ৰীপ্ৰেমধৰ বৰা : অধ্যক্ষ মহোদয় এতিয়া আমাৰ ইয়াত জৰুৰী আলোচনা চলি আছে এই সময়ত মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে বাকী কেইজন কেবিনেট মন্ত্ৰী থাকিলে ভাল হয়।

শ্ৰীঅতুল শইকীয়া : অধ্যক্ষ মহোদয়, সিদিনা মাথোন কেন্দ্ৰীয় ৰেল মন্ত্ৰীয়ে বাজেট উত্থাপন কৰিলে। তাত আমাৰ জনসাধাৰণে ব্যৱহাৰ কৰা তৃতীয় শ্ৰেণীৰ ৰেলৰ ভাৰা বঢ়াই দিলে। তাৰ কেইদিমান পিচতেই কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে তথা অৰ্থ মন্ত্ৰীয়ে এই নতুন বছৰৰ বাজেট দাঙি ধৰিলে। তাত কিছু কৰ কাটল বৃদ্ধি কৰিলে। পেট্ৰল আৰু পেট্ৰল জাতীয় সামগ্ৰীৰ কৰ বৃদ্ধি কৰি, পৰিবহন ব্যয় আকাশ লংঘা কৰিলে। ৰাইজৰ আজি আৰ্থিক অৱস্থা শোচনীয়। অত্যাৱশ্যকীয় সামগ্ৰীৰ জুই চাই দাম হল। দৈনন্দিন লাগতীয়াল সামগ্ৰীৰ দাম আৰু সৰ্ব্বসাধাৰণ ৰাইজৰ ক্ৰয় ক্ষমতাৰ মাজত বিৰাট ব্যৱধান বৃদ্ধি হব ধৰিছে। এই

পটভূমিত, আমাৰ বিত্ত তথা মুখ্যমন্ত্ৰী ডাঙৰীয়াই নতুন কাৰ-কাটল নোহোৱাকৈ বাজেট দাঙি ধৰাৰ বাবে ৰাইজে আনন্দ পাইছে আৰু আমি তেখতৰ শলাগ লৈছো। এতিয়া অৱশ্যে তেখেতে এই বাজেট খনত দেখুৱাইছে যে এই বছৰ ১৯২.৩৭ লাখ টকা ঘাটি হব। এইটো দেশ এখনৰ কাৰণে ১৯২.৩৭ লাখ টকা বৰ ডাঙৰ সংখ্যাৰ টকাৰ কথা নহয়। কিন্তু এইটো ঘাটি আৰম্ভ হৈছে বহুত বছৰৰ আগৰ পৰাই। অথচ আগৰ আৰম্ভনীৰ ঘাটি ৪৯৯.৭৮ লাখ টকাৰ ভিতৰত ৩০৮ লাখ টকাৰ ঘাটি আলোচ্য বিত্তীয় বছৰত পূৰণ কৰিব পৰা কথাটো অতি আনন্দৰ কথা। যোৱা বছৰ মূল ধন আয় আছিল ৯৯১৭.৩৪ লাখ টকা আৰু ব্যয় আছিল ৯২.৬৭৯ লাখ টকা। অৰ্থাৎ যোৱা বছৰৰ এই শিতানত আমাৰ ৭১০.৪৫ লাখ টকা ৰাহি হৈছিল। আলোচ্য বছৰত ঘাটি পৰিছে মাত্ৰ ১৮৮.৭৯ লাখ টকা। উন্নয়ণ যিমান বৃদ্ধি হয় সিমানেই দেশৰ কাৰণে লাভজনক হয়। সেই কাৰণে মূলধনৰ আয় বা মূল ধনৰ খৰছ আমি ধৰিব নালাগে। মূল ধনৰ আয়ৰ পৰা নতুন মূল ধন আহে। সেই কাৰণে এইখিনি বাজেটত মূলধনী ঘাটি বিত্তীয় শৃংখলাৰ অভাৱত হৈছে বুলি কব লাগিব।

কোনো এখন ৰাজ্যিক চৰকাৰৰ বাজেট এখন পৰ্য্যালোচনা কৰাৰ আগতে আমাৰ ভাৰতীয় সংবিধানত ৰাজ্যিক চৰকাৰ সমূহৰ বাবে থকা নীতিমূল নিৰ্দ্দেশসমূহৰ মূল কথা বিলাক পালিত হৈছে নে নাই সেইবিলাক চাব লাগিল। সংবিধানৰ ৩৭ নং অনুচ্ছেদৰ পৰা ৫০ অনুচ্ছেদত—এই মৌলিক নিৰ্দ্দেশসমূহ উল্লেখ কৰা আছে। সংবিধানৰ ৪১ নং অনুচ্ছেদত কোৱা হৈছে-বিত্তীয় সমতা অনুসৰি ৰাজ্যখনৰ সকলো নাগৰিকে কাম কৰা সুবিধা, শিক্ষাৰ সুবিধা আৰু বেকাৰ, বুঢ়া হোৱা নাগৰিক ৰোগাক্ৰান্ত আৰু অস্থায়ী ভাৱে কাম কৰিব নোৱাৰা সকলক ৰাজহুৱা ভাবে সহায় কৰাৰ নিৰ্দ্দেশ আছে। ৪২ নং অনুচ্ছেদত আছে প্ৰসূতি কল্যাণৰ আৰু স্বাস্থ্যকৰ মানবীয় পৰিবেশত কাম কৰাৰ সুবিধা দান সকলো শ্ৰমজীৱি সি উদ্যোগিক বনুৱাই হওক বা কৃষি বনুৱাই হওক উন্নত ধৰণৰ জীৱনৰ মানদণ্ড সৃষ্টিৰ বাবে উচিত দৰমহা দান। ৪৩ নং অনুচ্ছেদত আছে—১৪ বছৰ বয়সৰ প্ৰত্যেকজন লৰা ছোৱালীকে সংবিধান প্ৰৱৰ্ত্তন হোৱাৰ ১০ বছৰৰ পিচত বাধ্যতামূলক বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। সংবিধানৰ ৪৫ অনুচ্ছেদত কোৱা হৈছে পিচপৰা সম্প্ৰদায় বিলাকক সামাজিক

অন্যায়ৰ পৰা ৰক্ষা কৰা আদি বহুতো কথা উল্লেখ আছে।

কিন্তু এতিয়া প্ৰশ্ন হল, সেইবিলাক জানো আমি কৰিব পাৰিছো? আজি ২৬ বছৰে আমি জানো নাগৰিকসকলক সকলো সুবিধা দান কৰিব পাৰিছো? আমি আজি বাধ্যতামূলক শিক্ষা লৰা ছোৱালীক দিয়াৰ ব্যৱস্থা কৰিব পাৰিছো? নিবনুৱাক কৰ্ম্ম সংস্থাপন দিব পাৰিছো? নে বুঢ়া বয়সত সকলো নাগৰিককে পেনচন বা আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা এই ২৬ বছৰত কৰিব পাৰিছো? এতিয়া অৱশ্যে প্ৰশ্ন হয় বিত্তীয় মন্ত্ৰী ডাঙৰীয়াই হয়তো কব—আমি কৰিব পাৰো-কিন্তু আমাৰ বিত্তীয় অৱস্থা অত্যন্ত শোচনীয়—সেই কাৰণে আমি কৰিব পৰা নাই।

১৯৬১ চনত মিজোৰাম আৰু মেঘালয়কে ধৰি অসমৰ জনসংখ্যা আছিল ১১,৮,৩৮ হেজাৰ। তেতিয়া জনমূৰী আয় আছিল ৩১১ টকা অৰ্থাৎ ৩৬৩.৫০ কোটি টকা ৰাইজে খৰছ কৰিবলৈ পাইছিল। ১৯৭১ চনত জনসংখ্যা হয় প্ৰায় ১ কোটি ৪৮ লাখ। জনমুৰী আয় হয় ৫২৩ টকা। ৰাইজে খৰছ কৰিবলৈ পাইছিল প্ৰায় ৭৭৫ কোটি টকা। এই আৰ্জ্জিত টকাৰ বাৰু অসমলৈ ভৌগলিক চাৰি সীমাৰ ভিতৰত কিমান খৰছ হয়? এই সম্পৰ্কত কোনো পৰিসংখ্যা নাই। তত্ৰাচ ১৯৬১ চনৰ তিনিশ তেশষ্টি দশমিক পঞ্চাচ কোটি টকাৰ ভিতৰত দুই তৃতীয় অংশ অৰ্থাৎ ২৪২ লাখ মানুহে অসমত খৰছ হৈছে। বাকী এক তৃতীয় অংশ প্ৰায় ১২১ কোটি টকা অসমৰ ভৌগলিক চাৰি সীমাৰ বাহিৰত খৰছ হৈছে। যোৱা ১০ বছৰত এই আৰ্জ্জিত ধনৰ পৰিমান আগতকৈ শতকৰা হিচাবত কিছু বেছি অসমত খৰচ হব ধৰিছে। কিন্তু এতিয়াও এক চতুৰ্থ অংশ অৰ্থাৎ ১৯৭১ চনত আৰ্জ্জিত ধনৰ ৭৭৫ কোটি টকাৰ ভিতৰত প্ৰায় ১৮০ কোটি টকাহে বাহিৰলৈ গৈছে। এই টকা যোৱাৰ সোত অসমৰ যি কোনো ডাক ঘৰত ঠিয় দি মনিঅৰ্ডাৰ কৰা লোকৰ সংখ্যা ললেই প্ৰমাণ পোৱা যায়। ৰাষ্ট্ৰিয়কৰণ বেঙ্কসমূহৰ বিনিয়োগৰ পৰিমানৰ যদি সমীক্ষা কৰা হয়, তেন্তে দেখা যাব যে জমা ৰখা টকাৰ এটা বুজন পৰিমানৰ টকা অসমৰ ভৌগলিক সীমাৰ বাহিৰলৈ যায়।

এতিয়া এইটো প্ৰশ্ন হব পাৰে আপোনাৰ এই অনুমান কিহৰ ওপৰত ভিত্তি কৰি হব পাৰে? তাৰো মই এটা প্ৰমাণ সদনত দাঙি ধৰিম। এতিয়া ধৰক ১৯৬১ চনৰ লোক পিয়লৰ আমাৰ জন সংখ্যা প্ৰায় ৩৪.৯৭ ভাগে বাঢে

যদিও সৰ্বভাৰতীয় জনসংখ্যা এই সময়ত বৃদ্ধি সংখ্যা আছিল ২১.৬৪ ভাগ। ১৯৭১ চনতো অসমৰ জন সংখ্যা বৃদ্ধিৰ নিৰিখ আছিল ৩৩.৯৫। সৰ্বভাৰতীয় বৃদ্ধি এই সময়ত আছিল ২৪৮০ হে মাথোন। কিন্তু এই শ্ৰেণীৰ লোক সপৰিয়ালে অসমলৈ অহা হলে সিমান লোকচান নাছিল। সাধাৰণতে মতা মানুহ জন পাম ধৰিবৰ বাবেহে আহে। ১৯৬১ চনৰ ভিতৰত অৰ্থাৎ ১০ বছৰৰ ভিতৰত অকল মিকিৰ পাহাৰ জিলাৰ জনসংখ্যা বৃদ্ধি হয়, প্ৰায় ৬৯ ভাগ। সেই দৰে উত্তৰ কাছাৰত বৃদ্ধি পায় প্ৰায় ৪০ ভাগ। বাহিৰাগত মতা মানুহৰ সোতৰ বাবে এনে হৈছে যি উপাৰ্জ্জনৰ বাবেহে অসমলৈ আহে। এই কথাটো সুস্পষ্ট হৈ উঠে মতা তিৰোতাৰ সংখ্যালৈ চালে। ১৯৭১ চনত প্ৰত্যেক ১০০ মতা মানুহৰ বিপৰিতে অসমত ৮৯.৬০ জন তিৰোতা আছিল। যদিও সৰ্বভাৰতীয় পৰ্য্যায়ত এই নিৰিখ আছিল ১০০ মতা মানুহৰ বিপৰিতে ৯৩ জন তিৰোতা আছিল। ইয়াৰ অৰ্থ এইটোৱে যে বাহিৰৰ পৰা কিছুমান মানুহ অসমত কেবল পাম ধৰিবলৈ আহিছিল। ফলত অসমৰ বহু পৰিমানৰ ধন বাহিৰলৈ গৈছে। উদাহৰণ স্বৰূপে কেইটামান সৰু সৰু কথাকে কওঁ। যেনে নাপিতৰ কথ'কে কওঁ। অসমত প্ৰায় ১৮ হেজাৰ নাপিত আছে। তাৰে বাৰু থলুৱা কিমান? কাছাৰ জিলাত তাৰ থলুৱা নাপিত কিছু পোৱা যায়। অসম উপত্যকাৰ জিলা কেইখনত থলুৱা নাপিতৰ সংখ্যা ৫০০ হব নে নহয়, তাৰো সন্দেহ। একেবাৰে ভিতৰুৱা ঠাইলৈ যদি যাও তাতো দেখিম যে সপ্তাহিক বজাৰত চুলি কটা নাপিতজনো থলুৱা নহয়। ধোবাৰ কাম কৰা প্ৰায় ১২ হেজাৰ মান লোক আছে। তাৰো জানো এজনো থলুৱা লোক আছে? তোষক লেপ তৈয়াৰ কৰা লোকৰ সংখ্যা বাৰু কিমান হব? বোধহয় ১২-১৪ হেজাৰৰ কম নহয় এজনো জানো থলুৱা লোক আছে। বিৰিৰ কথাই ধৰো অসমৰ দৈনিক প্ৰায় তিনি কোটি বিড়ি বিক্ৰি হয় আৰু এই বিড়ি প্ৰস্তুত কৰোতাৰ সংখ্যা প্ৰায় ২৪/২৫ হোজাৰ মান লোক হব। অসমৰ প্ৰায় ১৫০০ শ মান লোকেহে এই উদ্যোগত কাম কৰে। অথচ ৭ দিনমান প্ৰশিক্ষন হলেই বিড়ীৰ কাৰিকৰ হব পৰা যায়। "মেনপাৱাৰ প্লেনিং বুলিলে আমি আই, টি, এত ট্ৰাৰ্ণাৰ, মোলদাৰ, মেকানিক প্ৰশিক্ষন দিয়াৰ কথাহে বুজো। এই শ্ৰেণীৰ কাৰিকৰৰ যে প্ৰয়োজন আছে, তাক অস্বীকাৰ নকৰো বৃত্তি স্থানান্তৰ ব্যৱস্থাই গাৱলীয়া অঞ্চলৰ নিবনুৱা সমস্যা মীমাংসা কৰাত বিশেষ সহায় কৰাৰ উপৰিও, আৰ্থিক

স্থবিৰতা হ্রাস কৰিব পাৰে বুলি ভাবো।

মহোদয়, এতিয়া আমি অকনমান যদি এই বিষয়টো লৈ দৃষ্টি পাত কৰো আমি বহুখিনি আগবাঢ়ি যাব পাৰো। আমাৰ বেকাৰ সমস্যা সমাধানৰ অৰ্থে যদি আমি বৃত্তিবিলাক স্থানান্তৰিত কৰো আৰু বিনিয়োগ বিভাগৰ জৰিয়তে কোন ঠাইত কিমান বিনিয়োগৰ থল আছে আৰু কোন ঠাইত কিমান বিনিয়োগ সম্ভাবনা আছে সেই সকলো বিলাক যদি ঠিক কৰিব পাৰো—তাৰ পৰা আমি বহুতো সুফল লাভ কৰিব পাৰো। এই বাৰৰ বাজেটত ১৯২'৩৭ লাখ টকা ঘাটি পৰিছে। বৰ্ত্তমান বিত্তীয় বছৰৰ চৰকাৰী পৰ্য্যায়ৰ উদ্যোগত ব্যয় হব লগীয়া টকা খিনিও সু-পৰিকল্পিত ভাবে খৰছ কৰিলে তাৰ পৰাও কিছু টকা ৰাহি হ'লহেতেন। অসমত বিত্তীয় নিগম আৰু ওৱেৰ হাউচে ৭৫ ৫৬ লাখ টকা নিয়োগ কৰিছে। ইয়াৰ উপৰি ১৯৭১ চনলৈ ৰাজ্যিক চৰকাৰে গঠন কৰা কোম্পানীসমূহত ১৪ ২২ কোটি টকা নিয়োগ কৰো।

সমাবায় অনুষ্ঠানত দিছে ২'৮৪ লাখ টকা। মুঠতে ১৯৭১ চনত শেষ হোৱা বছৰটোত ১৮ ৬৯ কোটি টকা বিভিন্ন শিতানত খৰছ কৰিছে। শতকৰা দহ টকা হিচাবেও যদি আয় আহিলহেতেন ভাল আছিল। বহুত টকা আত্মসাৎ হৈছে বেয়াধৰণে খৰছ হৈছে আৰু অনিয়মানুবৰ্ত্তিতাৰে খৰচ কৰা হৈছে। সদনত দুটা কমিটি আছে এষ্টিমেট কমিটি আৰু পাবলিক একাউণ্টচ্ কমিটি। কিন্তু মই ভাবো দৰকাৰ হলে সদনৰ নিয়মাৱলীৰ সাল সলনী কৰি হলেও লোক সভা আৰু ৰাজ্যসভাৰ নিচিনাকৈ এটা আমিও নতুন কমিটি কৰি এনে বিলাক পাবলিক আণ্ডাৰটেকিংৰ কাৰণে নিয়োজিত কৰিব লাগে যাতে এই সম্পৰ্কত কমিটিয়ে দিহা পৰমৰ্শ দিব পাৰে। ব্যয় বিলাক শৃংখলিত আৰু প্ৰয়োজনীয় পৰিদৰ্শন নোহোৱাৰ বাবেও ঠিক ভাবে খৰচ নহয়। অসম কৃষি উদ্যোগ নিগমৰ কথাকে কওঁ। এক লাখ সাতাৱন্ন হাজাৰ টকা গুৱাহাটীৰ কেপিটেল মটৰ কোম্পানী বুলি এটা কোম্পানীক দিছিল, কিন্তু তাৰ বিনিময়ত এটা পইচাৰ বস্তুও নিগমে পোৱা নাই। আজিৰ এই তাৰিখলৈকে তদন্ত চলি আছে। আকৌ নিগম কৰিলে আনাৰসৰ টুকুৰা আৰু ৰস পথাবৰ কাৰণে কাৰবাৰ। বহুত কষ্ট কৰি আনাৰসৰ ৰস দুই লাখ তেসত্তৰ হাজাৰ টকাৰ সংগ্ৰহ কৰিলে আৰু বিক্ৰী কৰিলে কলিকতাৰ কোনোবা কোম্পানীৰ ওচৰত এক লাখ আঠষষ্টি হাজাৰ টকাত। ইয়াতে এক লাখ পাচ হাজাৰ টকা লোকচানহে

হ'ল। বিদেশী মুদ্ৰা পোৱাতো ভাল কথা। কিন্তু যিটো কোম্পানীক বিক্ৰী কৰিলে, সেই কোম্পানীয়ে এক পইচাও নিগমক ঘূৰাই নিদিলে। ফলত আহৰণ কৰা টকাও থাকি গল। এই সংক্ৰান্তত আজিলৈকে কৃষি বিভাগৰ পৰা কি কৰিছে, নাজানো।

অধ্যক্ষ মহোদয়, কাৰ্য্যক্ষম যে আমি নহয় তাৰ এটা উদাহৰণ দিব খুজিছো। ৰিফাইনাৰি হোৱাৰ সময়ত তিনি কুৰি দুই লাখ টকাৰ মাটি দিছিলো। তাৰ বিনিময়ত ভাৰত চৰকাৰে কৈছিল ভাৰতীয় তেল নিগমৰ ইকুইটি-চেয়াৰ দিয়া হব বুলি। কিন্তু কিবা কাৰণত আজিলৈকে এখনো চেয়াৰ ইছু হোৱা নাই। এই তেৰ বছৰে চেয়াৰ চাৰ্টিফিকেট অসম চৰকাৰক কিয় লোৱা নাই কব নোৱাৰো। খাৰুৱা তেলৰ ৰয়েলিটী সম্পৰ্কে কৈছো যে আগতে পাইছিলো পোন্ধৰ টকা। এতিয়া প্ৰায় সাড়ে সাত ডলাৰ দামত বিক্ৰী হৈছে প্ৰত্যেক বেৰেলত। আগতে ইয়াৰ দাম আছিল বেৰেলে প্ৰতি তিনি ডলাৰ। পেট্ৰল আকৌ বেৰেল হিচাবেহে দাম হয়। ভাৰতীয় মুদ্ৰাত কিয় নহয়, কব নোৱাৰো। আনহাতে অইল ইণ্ডিয়া বা অ' এন-জি-চিয়ে বৰ্ত্তমানে বেছি দামত খাৰুৱা তেল বিক্ৰী কৰি আছে। গতিকে ৰয়েলিটি চল্লিশ টকালৈ বঢ়াব লাগে বুলি কেন্দ্ৰীয় চৰকাৰক হেচা দিব লাগে। আন এটা সৰু ঘটনা কওঁ, তিনি বিধ সাৰ লগ লগাই সৰু সৰু গুলি তৈয়াৰ কৰি বিক্ৰী কৰাৰ কাৰণে চাৰি লাখ টকা মূলধনেৰে এটা সমবায় কৰিব খুজিছিল, পিছে, মূলধন যোগাৰ কৰিব নোৱাৰি, অসম ঔদ্যোগিক উন্নয়ণ নিগমৰ লগত জইণ্ট চেক্টৰ কৰা হ'ল—মোৰ সমষ্টিতে। নাৰেঙ্গীৰ অলপ আগত কাৰখানা সাজিব ধৰিছে আৰু এপ্ৰিল বা মে মাহত হবগৈ। মাটি যি খিনি অধিগ্ৰহণ কৰিছিল, সেইখিনি আছিল কোনোবা গোসাইৰ মাটি। চিলিং আইনত যোৱা মাটি। মাটি ডোখৰৰ মূল্য হিচাবে দুই লাখ পঞ্চাশ হাজাৰ টকা দিয়া হৈছে। কিন্তু কাক দিছে? অনুসন্ধান কৰি উলিয়াব নোৱাৰিলো। মাত্ৰ লালুং আৰু মিকিৰ মানুহ কেইঘৰমান আছিল। তেওঁলোকৰ দখল স্বত্ব কিনাৰ বাবে পোন্ধৰ হাজাৰ মান টকা গৈছে। বাকী টকা কাৰ পকেটত গৈছে, উলিয়াব নোৱাৰিলো।

অধ্যক্ষ মহোদয়, চাহ উৎপাদন যথেষ্ট পৰিমানে বৃদ্ধি হৈছে। প্ৰায় ৪৯ ভাগ উৎপাদন বৃদ্ধি হৈছে যোৱা ২৪ বছৰত। কিন্তু ১৯৫০ চনত নিয়োজিত বনুৱাৰ সংখ্যা আছিল ?চ লাখ আৰু আজিৰ তাৰিখত উৎপাদন ৪৯ ভাগ বৃদ্ধি

হোৱাৰ পিছতো বনুৱাৰ সংখ্যা তিনি লাখ পঞ্চাশ হাজাৰহে হ'ল। ইয়াৰ ফলত চাহ বাগান বিলাকত আজি বেকাৰ সমস্যাৰ সৃষ্টি হৈছে। অকল কাছাৰতেই প্ৰায় দুই লাখ নিবনুৱা আছে। অসম উপত্যকাৰ চাহ বাগিছাত তিনি লাখ বনুৱাই কাম কৰি আছে আৰু প্ৰায় ছয় লাখ নিবনুৱা হৈ আছে। এই সম্পৰ্কে চৰকাৰৰ কোনো সুস্পষ্ট ব্যবস্থা কৰিব পৰা নাই। আমাৰ ঔদ্যোগিক নীতিতো তাৰ কোনো সুস্পষ্ট ইঙ্গিত পোৱা নাই। চৰকাৰী অনুদান লৈ কল কাৰখানা গঢ়ি উঠে অথচ বনুৱাক বেতন দিয়াৰ সময়ত আইন মতে দিবলৈ মালিক সকলে আপত্তি কৰে। সেই কাৰণে মই পৰামৰ্শ দিব খুজিছো যে ঔদ্যোগিক নীতি মতে যিবিলাক মালিকে বনুৱাক উচিত দৰমহা নিদিয়ে তেওঁলোকক কোনো সহায় সহানুভূতি দেখুৱাব নালাগে। মোৰ বক্তব্য দীঘলীয়া নকৰো। একেষাৰ কৈ শেষ কৰিম। ঔদ্যোগিক বিবাদ আইন অনুসৰি ঔদ্যোগিক ন্যায়ধীকৰণৰ আৰু বনুৱা আদালতৰ ৰায়—ৰায়টো চৰকাৰে পোৱাৰ এমাহৰ ভিতৰতে অসম গেজেটত প্ৰকাশ পাব লাগে। কিন্তু আজি তিনিমাহ ধৰি গেজেটত কোনো ৰায় প্ৰকাশ হোৱা নাই। আজিৰ তাৰিখত দেখিছো সৰু সৰু তিনিটা ৰায় প্ৰকাশ পাইছে। সেইবাবে চৰকাৰে যদি নিজেই আইনৰ ব্যৱস্থা ভঙ্গ কৰে তেন্তে শ্ৰমিক সমাজে অসন্তোষ প্ৰকাশ কৰাটো স্বাভাবিক। মই আৰু বেছি দীঘলীয়া কৰিব খোজা নাই। এইখিনি কৈয়েই কওঁ যে সামাজিক সচেতনাৰে বৃত্তিৰ স্থানান্তৰ কাৰ্য্য যদি কৰিব পৰা যায়, তেতিয়াহলে মই ভাবো আমাৰ বহুখিনি বেকাৰ সমস্যা দূৰ কৰাত বৰঙণি যোগাব পাৰিব। ধন্যবাদ।

শ্ৰীকেহোৰাম হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয়, বাজেট বক্তৃতা আৰু বাজেট অধ্যয়ন আৰু বুজিবলৈ চেষ্টা কৰিছো। আমাৰ মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে সদনত যিখন বাজেট উত্থাপন কৰিছে সেই বাজেটে আমাৰ দেশ তথা ৰাজ্যখনৰ প্ৰকৃত অৰ্থ নৈতিক, সামাজিক আৰু ৰাজনৈতিক ছবিখন ফুটাই তুলিব পৰা নাই নাইবা বাজেটৰ ভিতৰেদি প্ৰতিবিম্বিত হোৱা নাই। আমি এই কথাও দেখিবলৈ পাইছো যে বাজেটৰ ভিতৰেদি ষষ্ঠ বিত্ত অংয়োগে অলপ টকা আগতকৈ বেছি দিছে তাতে সন্তুষ্ট প্ৰকাশ কৰা হৈছে আৰু এই টকাৰে এটা মাত্ৰ সাধাৰণ জমা খৰছৰ হিচাব দাঙি ধৰা হৈছে।

অধ্যক্ষ মহোদয়, বাজেটখনত যদি প্ৰকৃততে ৰাজ্যখনৰ অৰ্থ নৈতিক, সামাজিক আৰু ৰাজনৈতিক অৱস্থা পৰিস্ফুত নহয় আৰু ভৱিষ্যতৰ পৰিকল্পনা যদি বাজেটৰ

ভিতৰেদি দাঙিধৰা নহয় তেনেহলে আমাৰ দেশখনৰ অৰ্থ নৈতিক বোজা কি ধৰণে দমন কৰিব তাৰ কোনো নিৰ্দ্দিষ্ট নেতৃত্ব দিব নোৱাৰে। আমি বাজেট বক্তৃতা আৰু বাজেটৰ ভিতৰেদি এই কথাত উপনীত হৈছো যে আমাৰ দেশত দেখা দিয়া আৰ্থিক সংকট আৰু সেই সংকট অন্যান্য কাৰণতে হওঁক আমাৰ দেশৰ ক্ষমতাৰ নেতৃত্বত যি ধৰণে সংকটে দেখা দিছে বৰ্ত্তমান দেশত দৰিদ্ৰ জনসাধাৰণৰ কথা যদি ধৰা হয় গোটেই দেশতে চৰকাৰী হিচাবমতে শতকৰা ৭৪ জন মানুহ দাৰিদ্ৰৰ সীমা ৰেখাৰ তলত আছে। গতিকে এই দৰিদ্ৰ জনসাধাৰণৰ কাৰণে কোনো নিৰ্দিষ্ট পৰিকল্পনা হাতত লোৱা হোৱা নাই। দেশত দেখা দিয়া অৰ্থ-নৈতিক সংকট, নিবনুৱা সমস্যা, কৃষি সমস্যা, কৃষকৰ সমস্যা বা অন্যান্য যিবিলাক জলন্ত সমস্যা কোনো পথেই বাজেটৰ ভিতৰত দেখা পোৱা নাই। তাতকৈ ডাঙৰ কথা যে বৰ্ত্তমান দেশত বাঢ়ি অহা মূল্যবৃদ্ধি সমস্যা সমাধানৰ ৰাস্তা বাজেটত দেখুৱাব পৰা নাই বৰঞ্চ দুঃসহ জনসাধাৰণৰ ওপৰত কৰৰ বোজা জাপি দিয়াৰ ইঙ্গিত দিছে। আমি যদি ধৰি লওঁ যে আমাৰ দেশ কৃষি প্ৰধান দেশ আৰু শতকৰা ৮০ ভাগ মানুহেই কৃষিৰে জীৱিকা উপাৰ্জন কৰে আৰু দেশৰ শতকৰা ৫৫ ভাগ টকা কৃষিৰ পৰা উপাৰ্জ্জন হয় আৰু কৃষি অৰ্থনীতি যদি দেশৰ গুৰুত্ব অৰ্থনীতি বুলি ধৰা হয় তেনেহলে কৃষিৰ ওপৰত যি ধৰণে গুৰুত্ব দিব লাগিছিল তুলনামূলক ভাবে বেলেগ কথা, আংশিকভাবেও সেই গুৰুত্ব দিয়া হোৱা নাই।

অধ্যক্ষ মহোদয়, কৃষক আৰু কৃষি দেশৰ দুটা মৌলিক সম্পদ আৰু ই জাতীয় সম্পদ। আমি জনাত চৰকাৰে নিজেই স্বীকাৰ কৰিছে যে আমাৰ দেশৰ কৃষি বনুৱাৰ সংখ্যা প্ৰায় ৬ লাখজন। যদি ৬ লাখ বুলিয়ে কোৱা হয় বিগত ২৫ বছৰে কৃষিৰ ওপৰত জোৰ দিয়ালৈ চাই পঞ্চবাৰ্ষিক পৰিকল্পনাৰ তৃতীয় পৃষ্ঠাত এই কথা স্বীকাৰ কৰিছে যদিও কৃষি বনুৱাৰ সংখ্যা ৬ লাখ বুলি কোৱা হৈছে, আচলতে কৃষি বনুৱাৰ সংখ্যা তাতকৈও বেছি। যদি অৰ্দ্ধ কৃষি বনুৱা যোগ দিয়া হয় তেনেহলে প্ৰায় সাৰে ১৬ লক্ষ কৃষি বনুৱা হয়। তাৰ ভিতৰত কিছুমানে কাম পায়, সৰহভাগেই অন্যান্য কাম কৰে আৰু কিছুমানে কাম নাপায় বহি থাকে বা কেতিয়াবা লঘোনে থাকিবলগীয়া হয়। তাৰে কিছুৱে হাজিৰা কৰি খায়। গতিকে এই কৃষি বনুৱা বিলাকৰ কোনো নিৰ্দিষ্ট সংস্থাপনৰ পৰিকল্পনা দাঙি ধৰা নাই। আমাৰ জনসাধাৰণৰ ডেৰকোটি জনসংখ্যাৰ ভিতৰত

১৬ লক্ষ কৃষি বনুৱাই আমাৰ সমাজৰ পৰা বাদ পৰি থাকে । তেওঁলোকৰ উন্নয়ণৰ কাৰণে সমূলি গুৰুত্ব নিদিয়ে। তেওঁলোকৰ অৰ্থ নৈতিক অৱস্থা কোনেও অধ্যয়ন কৰা নাই। গতিকে তেওঁলোকৰ কাৰ.ণ কোনো পৰিকল্পনা নকৰিলে তেওঁলোকৰ কোনো উন্নতি নহয়। এই সাৰে ১৬ লক্ষ জনসাধাৰণে আজি দেশত অৰ্দ্ধাহাৰে অনাহাৰে মৰিছে । তেওঁলোকৰ কিছুৱে কাম পায় আৰু কিছুৱে নাপায় বা তেওঁলোকৰ দৈনিক ভাট্টা কি হব সেই সম্পৰ্কে কোনো নিৰ্দ্দিষ্ট আইন নাই ফলত এই অংশ জনসাধাৰণে সমাজত নিষ্পেষিত হৈছে। বাজেটত এই অংশ জনসাধাৰণক কেনেকৈ অৰ্থ নৈতিক দুৰ্যোগৰ পৰা উদ্ধাৰ কৰা যায় তাৰ কোনো ইঙ্গিত নাই। হয়তো মুখ্যমন্ত্ৰীয়ে কব যে তেওঁলোকৰ কাৰণে নিগম কৰা হৈছে! সেই নিগমৰ মাজেদি তেওঁলোকক সংস্থাপন কৰা হব। কিন্তু এই কথা ঠিক যে সকলোবোৰ কৃষি বনুৱা এই নিগমত সংস্থাপন কৰা সম্ভৱপৰ নহব। গতিকে তাৰ বিকল্প ব্যৱস্থা লাগিব । কিন্তু সেই বিকল্প ব্যৱস্থা কি চৰকাৰে চিন্তা কৰিছেনে ? গতিকে সুস্থ পৰিকল্পনাৰে তেওঁলোকৰ সংস্থাপন আমি দাবী কৰিছো। হিচাবৰ পৰা দেখা যায় ১৯৫১ চনত প্ৰত্যেকজন কৃষি বনুৱাৰ বছৰি উপাৰ্জন আছিল ৫০৪'৭৭ টকা। ১৯৭২ চনত সেই উপাৰ্জন হৈছে ৩৩৫'২৭ টকা। এই ধৰণে উপাৰ্জন কমিছে আনহাতে ব্যয় দিনক দিনে বাঢ়ি আছে প্ৰত্যেক বস্তুৰে মূল্য ক্ৰয়শক্তিৰ বাহিৰত গৈছে। আপুনি আচৰিত হব, আজি অসমত বহাগ মাহ নপৰোতেই ২ টকা কিলোত চাউল নাপায়, ধানৰ মোন ৪৭-৬০ টকাৰ কমত নাপায়। আজি আহুধানৰ বিধানৰ মূল্য ৬০-ৰ পৰা ৯০ টকা হৈছে । এই ধৰণে বস্তুৰ মূল্য বাঢ়িছে। গতিকে আজি কম উপাৰ্জনৰ পৰিয়াল চলা অসম্ভৱ হৈ পৰিছে।

সেই কাৰণে মই কব খুজিছো যে এই কৃষি বনুৱা সংস্থান কৰাৰ কাৰণে প্ৰথমতে চৰকাৰে ব্যৱস্থা কৰা উচিত। সমাজৰ সকলোতকৈ নিষ্পেষিত কৃষক সকলৰ এই বাজেটত কোনো সংস্থান নাই বা আৰ্থিক উপাৰ্জনৰ কোনো ব্যৱস্থা নাই। আমাৰ দেশত এতিয়ালৈকে সাম্ৰাজ্যবাদী আৰু সামান্ত বাদী অৰ্থনীতি জাজল্যমান হৈ আছে। সামান্তবাদী অক্টোপাচে আমাক বেৰি আছে আৰু আজি আমাৰ কৃষক সকলে মহাজন আৰু মাটি গিৰি কবলৰ পৰা মুক্ত হব পৰা নাই। এনেধৰনেৰে চলি থাকিলে ভাৰতবৰ্ষত কেতিয়াও সমাজ-বাদী সমাজ ব্যৱস্থা প্ৰবৰ্ত্তন হব নোৱাৰে। আজি যি এটা ঘটনাৰ সৃষ্টি

হৈছে আমাৰ দুখীয়া কৃষক সকলে পথাৰত শস্য উৎপাদন কৰিছে কিন্তু সেই শস্য উৎপাদন হোৱাৰ আগতে মহাজন সকলে দুখীয়া কৃষক সকলক টকা ধাৰে দিছে আৰু পথাৰৰ শস্য চপাই অনাৰ লগে লগে অৰ্দ্ধ মূল্যতে সেই শস্য মহাজন সকলক দিব লগা হৈছে। খেতিয়ক সকলৰ যি মাটি আছে সেই মাটিও মহাজন সকলে গ্ৰাস কৰিছে। চৰকাৰে আজি কি কৰিছে? জাতীয়-কৰণ কৰা বেঙ্কৰ জৰিয়তে গাওঁ অঞ্চলত কিছুমান শাখা খুলি দুখীয়া ৰাইজক ঋণ দিয়াৰ ব্যৱস্থা কৰিছে। এই ব্যৱস্থাৰে গোটেই ভাৰতবৰ্ষত কৃষিৰ উন্নতিৰ কাৰণে ঋণ দিয়াৰ ব্যৱস্থা এই জাতীয়কৰণ বেংক সমূহে আগবঢ়াইছে। যি হওক সমগ্ৰ ভাৰতবৰ্ষত ১৯৭২ চনত অন্যবিলাক ৰাজ্যত শতকৰা ৯ ভাগ টকা কৃষিৰ কাৰণে দিয়া হৈছে। কিন্তু অসমত মাত্ৰ দুই ভাগহে দিয়া হৈছে আৰু সেই ভাগো ঠিকমতে পোৱা নাই। আমাৰ দুখীয়া খেতিয়ক সকলে এই ঋণ গ্ৰহণৰ কাৰণে অহা যোৱা কৰি থাকে। তেওঁলোকৰ বহুতৰে অসময়ত গৰু, ম'হ মৰিছে, গতিকে এই দুই ভাগ টকা যিখিনি ঋণ হিচাবে পাইছে সি দৰ্কাৰ অনুপাতে বহুত কম হৈছে। ইয়াৰ ওপৰিও এই ঋণ কাক দিছে? এই ঋণ দুখীয়া কৃষকৰ নামত ধনী খেতিয়কৰ মাজত সীমাবদ্ধ আছে। আজি ২৬ বছৰৰ ভিতৰত অসমত কৃষিৰ উন্নতিৰ কাৰণে যথেষ্ট ধন ব্যয় কৰা হৈছে যি ধনৰ শতকৰা ৯৫ ভাগেই ধনী খেতিয়কৰ মাজত নাইবা মাটি মহাজনৰ মাজত সীমাবদ্ধ আছে। তাৰ পাচত আজিলৈকে কৃষিৰ উন্নতিৰ কাৰণে যি সাজ-সৰঞ্জাম, সা-সজুলি আদিৰ ব্যৱস্থা কৰা হৈছে সেই খিনিৰে উপকাৰ পাইছে তলৰ দুখীয়া সকলে নহয়, ওপৰত থকা ধনী আৰু মহাজন শ্ৰেণীয়ে। যেনেকৈ বালিৰ ওপৰত পানী দিলে, ওপৰৰ বালিয়েহে শুহি লয়, তল নাপায় গৈ, ঠিক তলৰ দুখীয়া খেতিয়ক সকলৰ অৱস্থাও তদ্ৰূপ। আমাৰ দেশত যি বাজেট হৈছে তাৰ সুফলও যিসকলৰ অৱস্থা ভাল, সেই সকলৰ মাজতেই আবদ্ধ আছে। সৰ্ব্বভাৰতীয় যিটো সাৰ প্ৰয়োগৰ নিৰিখ সেইটো অসমত তাৰ শতকৰা এক ভাগ মানো নহয়। এনেকি অসমত ১০ হাজাৰ টন সাৰো বছৰি বিতৰণ নহয়। ইয়াৰ উপৰিও সাৰৰ দাম ইমান বাঢ়িছে যে দুখীয়া খেতিয়কে সিমান দাম দি সাৰ কিনিব নোৱাৰে। যদি এইটোৱেই অৱস্থা চলি থাকে তেন্তে অসমৰ পক্ষে অৰ্থনৈতিক ক্ষেত্ৰত অগ্ৰসৰ হোৱাটো দূৰৰ কথা, খাদ্য সংকটৰ পৰা উদ্ধাৰ হোৱাই টান হ'ব। আজি যিখিনি কৃষি উৎপাদন বাঢ়িছে সেই

খিনি চৰকাৰৰ পৰা পোৱা কোনো যত্নৰ কাৰণে বঢ়া নাই বা আমাৰ খেতিৰ পথাৰত বৈজ্ঞানিক উপায় অবলম্বন কৰা কাৰণে হোৱা নাই। সেইটো এই কাৰণে যে আমাৰ খেতিয়ক ৰাইজে চুকে কোনে যিখিনি মাটি অবাবদ হৈ পৰি আছে সেই খিনি মাটিত খেতি কৰাৰ কাৰণেহে খাদ্যদ্ৰব্যৰ উৎপাদন কিছু পৰিমানে বাঢ়িছে। তাতো কেনে ধৰণৰ অঘটন ঘটিছে চাওক, যেতিয়া খেতি উঠাৰ সময় হৈছে তেতিয়াই সেই লোক সকলক বেদখলকাৰী বুলি অভিহিত কৰি মাটিৰ পৰা উচ্ছেদ কৰিবলৈ গৈ চপাব লগীয়া শস্যৰ খেতি পথাৰত জুই লগাই নষ্ট কৰি ঘৰ বিলাক হাতীৰে গছকাই ভাঙি দিছে আৰু উচ্ছেদ কৰিছে। আনকি কিছুমান লোকক গুলিও দিছে। ইয়াৰ ফলত আমাৰ খাদ্য দ্ৰব্য বহুতো নষ্ট হৈছে। সেই কাৰণে আজি প্ৰয়োজন হৈছে যে দেশৰ আৰ্থিক উন্নতি সাধন কৰিব লাগিলে এই সকলো বিলাক বিষয়লৈ চোকা দৃষ্টি ৰাখিব লাগিব আৰু এই সুদবোৰ মহাজন আৰু মাটি মালিকৰ হাতৰ পৰা দুখীয়া খেতিয়ক সকলক উদ্ধাৰ কৰিব লাগিব। যিখিনি সাহায্য উৎসাহ উদ্দিপনা চৰকাৰৰ তৰফৰ পৰা আগ বঢ়াইছে সেইটো যাতে দুখীয়া খেতিয়ক সকলে পাব পাৰে তাৰ যথাযথ ব্যৱস্থা কৰিব লাগিব। চৰকাৰে ভূমি সংস্কাৰৰ কাৰণে কেইবাখনো আইন প্ৰনয়ন কৰিছে, কিন্তু সেই আইন বিলাক যথাযথ ভাবে কাৰ্য্যকৰি হোৱা নাই। যাতে এই সংস্কাৰ সাধন যথাযথ ভাবে হয় তাৰ সংস্কাৰৰ বাবে অন্ততঃ জিলাই জিলাই একোটা কমিটি তৈয়াৰ কৰি দিব লাগে। আৰু তেনে ধৰণৰ কমিটি বোৰ আমাৰ বাস্তৱ লোকৰ দ্বাৰা গঠিত কৰিব লাগে সেই লোক সকল এনে ধৰণৰ হব লাগে যি সকলৰ এই সংস্কাৰ আইন সমূহৰ কাৰ্য্যকাৰিতাত একনিষ্ঠ ভাব আছে আৰু নিস্বাৰ্থ ভাবে এই সংস্কাৰ কাৰ্য্য সম্পন্ন কৰিব পাৰে।

বৰ্ত্তমান ইতি পূৰ্বে থকা ভূমি উপদেষ্টা কমিটিৰ নিৰ্চিনাকৈ এতিয়া কিছুমান লেণ্ড ইউজ কমিটি চৰকাৰে গঠন কৰি দিছে আৰু এই কমিটিত সভ্য সংখ্যা ইমান বেছি হৈছে যে কোনো কথাতে চুৰান্ত সিদ্ধান্তত আহিব নোৱাৰে। ইয়াৰ ওপৰিও এই কমিটিত যি ধৰণৰ ক্ষমতা দিয়া হৈছে তাৰ দ্বাৰা ভূমি-সংস্কাৰ কৰিবলৈ যিখিনি কথাৰ আৱশ্যক সেই খিনি এই কমিটিৰ দ্বাৰা হব নোৱাৰে। গতিকে মই ইয়াৰ বিৰোধিতা কৰিছো। এই সংস্কাৰ সাধন কৰিবলৈ উপযুক্ত ক্ষমতা সম্পন্ন কমিটি এটা গঠন কৰিব লাগে। যিসকল লোকে সংস্কাৰ

সাধনত প্ৰতিজ্ঞাবদ্ধ আৰু কাৰ্য্যকৰি কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে সেই সকলকহে এই কমিটিত সদস্য কৰিব লাগে।

আমাৰ শস্য উৎপাদন ১৯৭০ চনত ১৯৬৮ চনত যিটো আছিল তাতকৈ কমিল। গতিকে দেখা গৈছে কোনোবা বছৰ কমিছে আৰু কোনোবা বছৰ বাঢ়িছে। সেই ফালৰ পৰা আমাৰ খাদ্য উৎপাদনৰ ক্ষেত্ৰত কোনো স্থিৰতা নাই বা কোনো বিশেষ পৰিকল্পনা নাই। গতিকে কৃষি উৎপাদনৰ ক্ষেত্ৰত যি খিনি বস্তুৰ দৰকাৰ তাক যোগান ধৰিবৰ কাৰণে মই চৰকাৰক দাবী কৰিছো। আমাৰ দেশৰ খাৰিফ বতৰৰ ওপৰত নিৰ্ভৰ কৰি থাকিলে নহব। তাৰ পিছত কোৱা হৈছে যে ৫ হেজাৰ বাহৰ পাইপ বহুৱাই জলসিঞ্চনৰ ব্যৱস্থা কৰিব। যদিও কোৱা হৈছে দেশৰ প্ৰত্যেক ইঞ্চি মাটিত পানী যোগান ধৰিব তথাপি বাজেট খন চালে বুজা যায় কেই ইঞ্চি মাটিত পানী যোগান ধৰিব। মই দাঠি কব পাৰো যদি বৈজ্ঞানিক কৃষি স্থচী লোৱা নহয় তেন্তে কৃষিৰ উন্নতি নহয়। তাৰ কাৰণে আমাৰ দৰকাৰ হব নিৰ্দ্দিষ্ট পৰিমানৰ সাৰ, পানী যোগান বন্দবস্ত আৰু চৰকাৰী সাহায্য। আজি পৰিকল্পিত ভাবে খাদ্য উৎপাদন বৃদ্ধি কৰিব লাগিব আৰু এটা কথা কব খুজিছো আজি খেতিয়কক নকৈ কৰৰ বোজা জাপি দিয়া হৈছে। আমাৰ জনসাধাৰণৰ ওপৰত গধুৰ কৰৰ বোজা জাপি দিয়া হৈছে। কেই দিন মান আগতে কেন্দ্ৰীয় চৰকাৰে ২৭৫ কোটি টকাৰ কৰ লগাইছে। ফলত খাদ্য সম্ভাৰৰ দাম বাঢ়িল। আজি মানুহে জীৱন ধাৰণ কৰা অসম্ভৱ হৈ পৰিছে। এই কেন্দ্ৰীয় কৰৰ বোজা সাধাৰণ মানুহৰ ওপৰত জাপি দিয়া হৈছে। ধপাত, কাপোৰ আদিত টেক্স্ জাপি দিয়া হৈছে। আনহাতে যি সকলে দেশৰ অৰ্থনীতিৰ কব্জা নিজে ৰাখি সম্পদৰ সৃষ্টি কৰিছে সেই সকলক টেক্সৰ বোজাৰ পৰা ৰেহাই দিয়া হৈছে। আপুনি জানে যে কোটিপতি বিলাকক শতকৰা ৯৭.৫ ভাগৰ পৰা শতকৰা ৭০ ভাগ ৰেহাই দিয়া হৈছে। ৰেহাই দিয়াৰ অৰ্থ হল তেওঁলোকে কৰ ফাকি নিদিব আৰু অন্তৰ শুদ্ধ হব। অডিত ৰিপোৰ্টত ওলাইছে কেনেকৈ কোটি কোটি টকা এই পুজিপতি সকলে আত্মসাৎ কৰিছে। আজি এই ধৰণৰ কোটিপতি বিলাকক টেক্সৰ পৰা ৰেহাই দিয়াৰ বন্দবস্ত কৰা হৈছে। আকৌ ৰাজ্যিক চৰকাৰে যি টেক্স লগাব তাৰো বোজা জনসাধাৰণৰ ওপৰত জাপি দিয়া হব। আজি বিক্ৰি কৰ ৰাইজে দিব লাগে। গতিকে এই টেক্স যাতে সাধাৰণ ৰাইজৰ ওপৰত নপৰে তাৰ কাৰণে মই চৰকাৰক সাৱধান কৰি

দিছো। আমাৰ দেশত অৰ্থ সংকট দেখা দিছে। কিন্তু দেশৰ জনসাধাৰণে যিটো ৰাস্তা লৈছে বা এই সংকটে দেশক এটা দুৰ্য্যোগৰ পথলৈ ঠেলি দিব। সেই কাৰণে জনসাধাৰণৰ ওপৰত যাতে টেক্সৰ বোজা নপৰে তাৰ কাৰণে ব্যৱস্থা বল লাগে। দুখীয়া কৃষকক কৰমুক্ত কৰিবৰ কাৰণে চৰকাৰে যি ব্যৱস্থা লব লাগে তাক লোৱা উচিত। আমাৰ চৰকাৰে কৃষি-কৰটো পোনপটিয়াভাবে লগায়। গতিকে আমাৰ যি সকল লোকৰ ১৫ বিঘা মাটি আছে তেওঁলোকক খাজানা ৰেহাই দিব লাগে। আমাৰ কৃষকক আজি মহাজনৰ কবলৰ পৰা মুক্ত কৰিব লাগে। সামন্তবাদী শাসনৰ পৰা মুক্ত কৰিব লাগে। আমাৰ চৰকাৰে কৈছে যে এজন যুৱকক এশ টকা দি চাকৰিত কিছুমানক নিয়োগ কৰিব। এইটো জানো সম্ভৱ? কনা হাঁহক পতান দিয়াৰ নিচিনা এই ব্যৱস্থা হৈছে। আমাৰ দেশৰ কোনো সুস্থিৰ নীতি নাই, যাৰ ফলত নেকি ব্যাপক যুৱক নিয়োজিত হব পাৰিব। আমি শুনিছোঁ—চেনিকল, মৰাপাট কল হব তাৰ কাৰণে লাইচেন্স দিছে। এই গতিত চলিবলৈ হলে দেশত দৈত্যাকাৰ নিবনুৱা সমস্যাই বছৰি বছৰি বৃদ্ধি পাব।

যদি শিল্পত সমৃদ্ধ কৰি দেশখনৰ লাখ লাখ যুৱকক নিয়োগ কৰাৰ বন্দবস্ত কৰা নহয় আৰু আমাৰ দেশৰ শিল্প কৃষিৰ ওপৰত নিৰ্ভৰ কৰি গঠন কৰাৰ কাৰণে বাস্তৱ পৰিকল্পনা লোৱা নহয় তেনেহলে আমাৰ দেশখনক সংকটৰ পৰা সংকটলৈ ঠেলি দিয়া হব। গতিকে শিল্প সম্প্ৰসাৰণৰ কাৰণে যি খিনি কৰা দৰকাৰ সেই খিনি প্ৰয়োজনীয় ব্যৱস্থা কৰিব লাগে। জনসাধাৰণৰ ওপৰত লগোৱা কৰ বন্ধ কৰিব লাগে আৰু সমাজতন্ত্ৰৰ ওপৰত যদি নতুন কৰ লগোৱা হয় তেন্তে নিশ্চয় জনসাধাৰণে তাৰ বিৰোধিতা কৰিব।

ইয়াৰ পিচত মই ক'অপাৰেটিভৰ কথা দুআষাৰমান কব খুজিছো। মোৰ মনত আছে সিদিনা বলভদ্ৰ দাসদেৱে এই সদনত আলোচনা কালত কৈছিল যে বিৰোধী দলে ক'অপাৰেটিভৰ বিৰোধিতা কৰিছে। অধ্যক্ষ মহোদয়, আমি বিৰোধিতা কৰা নাই। ক'অপাৰেটিভ যাতে কৃতকাৰ্য্য হয় আৰু তাৰ ভিতৰত যিবিলাক বেমাৰ আছে সেইবিলাক যাতে দূৰ হয় তাৰ কথাহে আমি কৈছো। বিগত কেইবছৰৰ যিটো অভিজ্ঞতা সেই অভিজ্ঞতাৰে আমাৰ মানুহৰ তিতাকেহা লাগিছে। আমাৰ সদনত যিসকল সদস্য আছো সেইসকলোৱে চৰকাৰৰ ক'অপাৰেটিভ গঠনত একমত যে এই ক'অপাৰেটিভ শক্তিশালী হব লাগে। কিন্তু এটা

কথা নকৈ নোৱাৰো যে আগৰ দৰে বৰ্ত্তমানৰ ক'অপাৰেটিভ বিলাক যাতে এক শ্ৰেণীৰ সুবিধাভোগীৰ হাতত নপৰে তাৰ কাৰণে যেন চৰকাৰ সচেষ্ট হয়। সিদিনা মই এটা খবৰ পালো যে লক্ষীমপুৰৰ পৰা ধান সংগ্ৰহ কৰাৰ নামত এজন চেক্ৰেটৰীয়ে উধাও হল। নগাওঁ জিলাৰ ক্ষেত্ৰতো ক'অপাৰেটিভৰ চেয়াৰমেন জনে চোৰাং ধানৰ অপৰাধত হাতে হাতে ধৰা পৰি পুলিচৰ যোগেদি হাজোতলৈ গৈছিল। সেইজনক যাতে খঁলাচ কৰা হয় তাৰ বাবে চৰকাৰৰ ফালৰ পৰা কাগজ-পত্ৰ গৈছিল। নগাওঁ জিলাৰ ক'অপাৰেটিভৰ কথাৰে আমি কেইবাবাৰো পৰামৰ্শ আগবঢ়াইছিলো কিন্তু সেইবোৰ সকলো অথলে গল। গালো বালো খোলাকটিৰ তাল হল। বুৰক্ৰেটিক কণ্ট্ৰলৰ পৰা যদি উদ্ধাৰ কৰা নহয় তেন্তে মানুহে আগৰ দৰেই ক'অপাৰেটিভক বেয়া পাবলৈ আৰম্ভ কৰিব। মই আমাৰ সমবায় মন্ত্ৰী মহোদয়ক এই কথা কব খোজো যে এই বিলাক সম্পূৰ্ণ হৈ নুঠ্তেই যদি এনে ঘটনা ঘটে তেনেহলে আমাৰ মানুহৰ মনোভাৱ একেদৰেই থাকিব। ধান সংগ্ৰহৰ ক্ষেত্ৰত সিদিনা বহুত কথা আলোচনা কৰা হৈছে, ধান সংগ্ৰহৰ ক্ষেত্ৰত নানান বেমেজালি ঘটিছে। মই চাৰ লগে লগে টকা দি কিনা হৈছে ইত্যাদি ইত্যাদি। মই আগতেই কৈছো যে দেশত অৰ্থৰ সংকট হোৱাৰ লগে লগে আমাৰ বাজেটতো সংকট আহি পৰিছে। সিদিনা পীটসিং কোঁৱৰে কৈছে যে নগাওঁত চাবডিভিজন কৰাৰ যি কথা আছিল সিও তল পৰিহে গল। আচলতে বৰ্ত্তমানৰ সমস্যা সম্পৰ্কে চৰকাৰৰ কোনো গভীৰ চিন্তা নাই। সেইফালৰ পৰা বাজেট খন সংশোধন কৰি পুনৰ উত্থাপন কৰিব বুলি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীচন্দ্ৰ বাহাদুৰ ছেত্ৰী : অধ্যক্ষ মহোদয়, এই সদনত মুখ্যমন্ত্ৰী তথা বিত্ত মন্ত্ৰীয়ে সিদিনা ১৯৭৪-৭৫ চনৰ ১ কোটি ৯২ লাখ ৬৭ হাজাৰ টকাৰ ঘাটি বাজেট উত্থাপন কৰিছে আৰু ভৱিষ্যতলৈ অতিৰিক্ত কৰৰ পৰা এই ঘাটি বাজেট সুস্থ অৱস্থালৈ আনিব পৰা হব বুলি আশা কৰো। উন্নতকামী দেশ এখনৰ কাৰণে ঘাটি বাজেট এখন ফলদায়ক। বিশেষকৈ আমাৰ ৰাজ্যখনৰ সীমিত আয়ৰ বাস্তৱ দৃষ্টিৰে সন্তৱপৰ অৱস্থালৈ চাই যি বাজেট দাঙি ধৰিছে তাৰ বাবে মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। আমাৰ এই বিত্তীয় বছৰটোত আমাৰ পঞ্চম পাঁচ বছৰীয়া পৰিকল্পনা আৰম্ভ হব। পঞ্চম পৰিকল্পনাৰ মুখ্য লক্ষ্য হল আমাৰ দাৰিদ্ৰতা দুৰীকৰণ কৰা আৰু আমাৰ

অৰ্থ নৈতিক আত্মনিৰ্ভৰশীলতা অৰ্জন। সেই কাৰণে যিখন ৰাজ্যৰ শতকৰা ৭৭ জন মানুহ দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত, সেইখন দেশৰ মানুহে কেনেকৈ উচ্চ আশা আকাঙ্খা পোষণ কৰিব পাৰে? সেই কাৰণে এই বাজেটে হয়তো সকলোকে সন্তোষ দিব নোৱাৰে। আচল কথা হল আমাৰ আয় সীমিত হোৱাৰ কাৰণে এইখন বাজেটে সকলোকে সন্তোষ কৰিব পৰা নোৱাৰাটো স্বাভাবিক। আজি ৰাজ্যত খাদ্যৰ অভাৱ অনাতন হৈছে আৰু লগে লগেই আমাৰ মানুহৰ নিত্য প্ৰয়োজনীয় বয়-বস্তুবিলাকৰ দৰদাম আশাতীত ভাৱে বাঢ়ি গৈছে। লগতে নিবনুৱা সমস্যাও বাঢ়ি গৈছে। গতিকে ক্ষীপ্ৰগতিৰে যদি এইবিলাক সমাধান কৰাৰ কাৰণে ব্যৱস্থা কৰা নহয় তেতিয়া হলে, এই বিলাক সমস্যাই অতি সোনকালে এক ভয়াবহ অৱস্থাৰহে সৃষ্টি কৰিব পাৰে। গতিকেই উৎপাদনৰ ওপৰত যথেষ্ঠ গুৰুত্ব দিব লাগে। আমাৰ জনসাধাৰণৰ খাদ্য বস্তু আৰু নিত্য প্ৰয়োজনীয় বয়-বস্তু বিলাকৰ উৎপাদন বঢ়োৱাব লাগে। আৰু নিবনুৱা সমস্যা সমাধানৰ কাৰণে কৰ্ম সংস্থানৰ সংখ্যা বঢ়াব লাগে।

অসম এখন কৃষি প্ৰধান দেশ আৰু ইয়াত শতকৰা ৭০ জন লোকেই কৃষিৰ ওপৰত জীৱন নিৰ্ব্বাহ কৰে। অসমৰ উৎপাদনৰ শতকৰা ৫৬ ভাগ এই কৃষিৰ পৰাই আয় হয়। সেইকাৰণেই কৃষিৰ ওপৰত যথেষ্ঠ গুৰুত্ব আৰোপ কৰিব লাগে। কৃষিৰ উৎপাদন বৃদ্ধি কৰিবলৈ হলে আমি আমাৰ খেতিয়ক সকলক আধুনিক বৈজ্ঞানিক প্ৰণালীৰ দ্বাৰা প্ৰশিক্ষণ দিয়াব লাগিব। ৰাজ্যত জন সংখ্যা যি অনুপাতে বাঢ়ি গৈছে, সেই অনুপাতে আমাৰ খাদ্যবস্তুৰো উত্‌পাদন আমি কৰিব নোৱাৰিলে আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থাটো কেতিয়াও ভাল হব নোৱাৰে। বাজেট বক্ত্‌তাত উন্নত বীজ, সাৰ আদিৰে খেতি বাতি আদি কৰাত গুৰুত্ব দিয়াটো দেখিবলৈ পাইছোঁ। প্ৰত্যেক মহকুমাতে কৃষি বিদ্যালয় স্থাপন কাৰাৰ কাৰণে যিটো ব্যৱস্থা ৰখা হৈছে সেইটো বাস্তৱত কিন্তু প্ৰতিফলিত কৰিব পৰা নাই। যি সময়ত আমি কৃষিৰ ওপৰত গুৰুত্ব দিয়াৰ দিন আহিছে সেই সময়ত যদি আমি ইয়াৰ ওপৰত যথেষ্ঠ গুৰুত্ব নিদিওঁ তেতিয়াহলে, আমাৰ গৰীৱ জনসাধাৰণ কেতিয়াও উপকৃত হব নোৱাৰিব। উন্নত সা-সজুলিৰে আমি কৃষি আৰু কৃষকক সুবিধা দিব

*Speech not corrected

লাগিব। প্ৰত্যেক মৌজাতে কৃষি বিদ্যালয় কৰিবৰ কাৰণে মই আমাৰ জনপ্ৰিয় চৰকাৰক অনুৰোধ তথা দাবী জনাইছো। ইয়াৰ উপৰিও যাতে কৃষি-ভিত্তিক কিছুমান উদ্যোগ আমাৰ বৰ্দ্ধিত নিবনুৱা সমস্যা সমাধানৰ পৰিপ্ৰেক্ষিতত কৰিব পাৰে তাৰ কাৰণেও মই চকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। আমাৰ কৃষিমন্ত্ৰী যদিও ইয়াত নাই তাপিও মই এই কথা কৃষিমন্ত্ৰীক অনুৰোধ কৰিব বিছাৰিছো।

Shri Dulal Chandra Barua : Sir, at the time of discussion of the Budget the hon'ble Members raise many points and it is not possible for the Chief Minister alone to take note of them. Therefore, should we make it a convension that during the Budget Debate all Ministers should be present in the House and if some Minister cannot attend, his Deputy should attend the House.

Shri Sarat Chandra Sinha : Sir, I will take note of it: Sir, during the session various meetings are also held to expedite matters and the Ministers have to attend them, However, I have taken note of it.

শ্ৰীচন্দ্ৰ বাহাদুৰ ছেত্ৰী : তাৰ পিহত মই আমাৰ বানপানীৰ সম্পৰ্কত কওঁ যে বানপানীৰ ফলত প্ৰত্যেক বছৰে আমাৰ ৰাজ্যত বিস্তৰ ক্ষতি হৈ আছে। ১৯৭৩ চনত প্ৰায় ২২ লাখৰো অধিক লোক বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্ত হৈছিল। সাত লাখ চাবিবশ হাজাৰ একৰ মাটিৰ খেতি বাতি আদি নষ্ট হৈছিল আৰু সেই ক্ষতিৰ পৰিমাণ হৈছে ১৬·৫৭ কোটি টকা। ইয়াৰ পৰাই সহজে বুজিব পাৰি বানপানীৰ দ্বাৰা আমাৰ ৰাজ্যখনৰ ক্ষতিৰ পৰিমাণ কিমান হৈছে। যোৱা ২৫ বছৰে আমাৰ ৰাজ্যখনত বানপানীৰ কিমান ক্ষতি হৈছে তাৰ আনুমানিক হিচাব প্ৰায় ২০০/- কোটি টকামান হব। আমি শুনি সুখ পাইছোঁ যে বানবিধস্ত অঞ্চল বিলাকত বানপানী হৈ যোৱাৰ পিছত ক্ৰপিংপেটাণ' সলনি কৰি বৰি শস্য, ঘেহু, সৰিয়হ বৰো আৰু আহুধান আদি কৰাৰ ব্যৱস্থা কৰিছে। এইটো অতি ভাল কথা হৈছে। ইয়াৰ লগতে আৰু এটা কথা জড়িত হৈ আছে যে. আমাৰ যিটো বীজ নিগম আছে সেইটোৰ বৰ্ত্তমান অৱস্থা অতি শোচনীয়। গতিকে এই বীজ

নিগমটো উন্নত কৰি অসমতে বীজ তৈয়াৰ কৰি থিক সময়ত খেতিয়কক উন্নত বীজ যোগান ধৰি আমাৰ খেতিয়ক সকলক সহায় কৰাৰ লগে লগে আমাৰ দেশৰ খাদ্য সমস্যা সমাধানত ভূমিকা লোৱাৰ ওপৰিও দেশৰ অৰ্থ নৈতিক অৱস্থা টনকিয়াল কৰিব পাৰিব। বাতৰি কাকতত আমি দেখিবলৈ পোৱা মতে আৰু সাত টা চেনীকল আমাৰ ৰাজ্যত হব অৰ্থাৎ মুঠৰ ওপৰত সাতটা চেনিকল আমাৰ ৰাজ্যত প্ৰতিস্থা হব। লগতে এই চেনিকল কেইটাৰ চাহিদা পূৰণ কৰিবৰ কাৰণে প্ৰচুৰ পৰিমানৰ কুহিঁয়াৰ আমাৰ ৰাজ্যখনত উৎপন্ন কৰাৰ ব্যৱস্থা কৰিব লাগিব। যোৱা ১৯৭২-৭৩ চনৰ কালছোৱাৰ ভিতৰত প্ৰায় ৩৪ হাজাৰ হেক্টৰত ১৩.৪ টন কুহিঁয়াৰ উত্পাদন হৈছিল। সেই দৰে ১৯৭৪-৭৫ চনতো ৪০,০০০ হেক্টৰত ১ ০০ লাখ টন পৰিমানৰ কুহিঁয়াৰ উত্পাদন কৰিবলৈ চিন্তা কৰা হৈছে। ইয়াৰ ওপৰিও প্ৰত্যেক চেনী উদ্যোগৰ অঞ্চলত ৫ হেক্টৰত কুহিয়াৰ উত্পাদন কৰিবৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। যাতে কুহিঁয়াৰৰ অভাৱত এই চেনিকলবোৰে অসুবিধা ভোগ কৰিব লগীয়া নহয় তাৰ কাৰণে চৰকাৰে বিহিত ব্যৱস্থা লব লাগে। আনহাতেদি কৃষিপাম নিগমৰ ব্যৱস্থা কৰি মাটি হীন লোকক মাটি দিয়াৰ ব্যৱস্থা কৰি আমাৰ নামদাং, বগীনদী পানবাৰী আৰু গড়পুৰ ত চাৰিটা কৃষি পাম পাতিছে। ইতিমধ্যেই চাৰিটা কৃষিনিগম প্ৰতিষ্ঠা হৈছে আৰু পাচটা নিগম প্ৰতিষ্ঠা হব। এই সৰ্ব্ব মুঠ ৯টা কৃষি পাম কৰিবলৈ ভৱা হৈছে। এই কেইটা কৃষিপাম হলেই যথেষ্ট নহব। কাৰণ আমাৰ ৰাজ্যৰ কৃষকৰ সংখ্যালৈ লক্ষ্য কৰি অন্তঃত অনতি পলমেই আমাৰ ৰাজ্যখনৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে প্ৰত্যেক মহকুমাতে এটাকৈ কৃষিপাম স্থাপন কৰিবৰ কাৰণে ৰাজ্য চৰকাৰক অনুৰোধ কৰিছো।

অধ্যক্ষ মহোদয়, জলসিঞ্চনৰ ক্ষেত্ৰত মই ইয়াকে কব খোজো যে আমাৰ ৰাজ্যত বৃহত, মজলীয়া আৰু ক্ষুদ্ৰ জলসিঞ্চনৰ আঁচনিৰ কাৰণে ৬ ৮২ কোটি টকা ধাৰ্য্য কৰা হৈছে। অলপতে আমাৰ জলসিঞ্চন বিভাগ পুনৰ গঠন কৰি এটা পূৰ্ণাঙ্গ বিভাগ কৰা হৈছে। এইখিনিতেই মই জলসিঞ্চন বিভাগৰ এটা কথা কবই লাগিব। উজনি অসমৰ জলসিঞ্চনৰ আঁচনি বৰ সন্তোষজনক নহয়। সেইকাৰণে বিশেষকৈ ৩ ৯৪ লাখ টকা অৰ্থাৎ যিবিলাক আঁচনি ইতিমধ্যে কৰা হৈছে আৰু নতুন ৬টা মজলীয়া জলসিঞ্চন আঁচনি ধৰা হৈছে। সেই ৬টা আঁচনি

যাতে উজনি অসমত ধৰা হয়, বিশেষকৈ দিহিং নৈ উজনি অঞ্চলটোত এটা মজলীয়া জলসিঞ্চন আঁচনি লব লাগে। এই বিষয়ে মই জলসিঞ্চন মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই চলিত বছৰত ৫ হাজাৰ বাঁহৰ চেল' জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। সদনত এই বিষয়ে ইতিমধ্যে যথেষ্ট আলোচনা হৈছে। বাঁহ আমাৰ ইয়াত সহজ লভ্য আৰু সুলভ মূল্যতে পোৱা যায়। অৱশ্যে এই ক্ষেত্ৰত আমাৰ ইয়াত প্ৰশিক্ষণৰ অভাৱ হৈছে। যদি উপযুক্ত প্ৰশিক্ষণ দিব পৰা যায় তেনেহলে অতি কম সময়ৰ ভিতৰতে এই বাঁহেৰে চেল' জলসিঞ্চন জনপ্ৰিয় হৈ পৰিব। আৰু অসমৰ কৃষকৰ এটা ডাঙৰ সহায়ক হব।

বিদ্যুতৰ ক্ষেত্ৰত চতুৰ্থ পৰিকল্পনাত ৩৫.৬৮ কোটি আৰু পঞ্চম পৰিকল্পনাত ১৯৭৪-৭৫ চনৰ কাৰণে ১৪.৮৮ কোটি টকা ধৰা হৈছে। ১৯৫৮ চনতে অসমত বিদ্যুত আছিল ১৫ মেগাৱাট আৰু এতিয়ালৈ হৈছে ২৮৬ মেগাৱাট। গড় হিচাবে পাৰ কেপিটা ২২ কিলোৱাট খৰচ হৈছে। কিন্তু সৰ্ব্বভাৰতৰ পাৰ কেপিটা প্ৰতি বছৰত হৈছে ৯২ কিলোৱাট। গতিকে বিদ্যুতৰ ক্ষেত্ৰত যে অসম অতি পিচ পৰা সেই কথা সহজে অনুমেয়। বিদ্যুত বঢ়াবৰ কাৰণে এটা ডাঙৰ আচনি লব লাগে সেইটো মই ন-দি নকলেও হব। ইয়াৰোপৰি আমাৰ বাজেটত সন্নিবিষ্ট আৰু চাৰিটা আঁচনিৰ কথা আমি দেখিবলৈ পাইছো। নামৰূপ, চন্দ্ৰপুৰ, বৰগোলাই, বঙ্গাইগাওঁত অধিক বিদ্যুত শক্তি উৎপাদনৰ কাৰণে আঁচনি কৰা হৈছে। এই আঁচনি অতি সোনকালে কাৰ্য্যকৰী কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। বিশেষকৈ বৰগোলাই থাৰ্মেল পাৱাৰৰ আঁচনিটো সোন-কালেই কাৰ্য্যকৰি কৰিবৰ কাৰণে মই চৰকাৰক দাবী কৰো।

অধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত সম্প্ৰসাৰণতকৈ স্থিতিকৰণ বেছি আৰু উন্নতি কৰণত গুৰুত্ব দিয়া হৈছে। আমাৰ শিক্ষামন্ত্ৰী এজন শিক্ষাবিদলোক। তেখেতৰ এই বিষয়ত আগ্ৰহ যথেষ্ট আছে। বিশেষকৈ প্ৰাথমিক শিক্ষাৰ ব্যাপকতাৰ বিষয়ে এই বিত্তীয় বছৰত এই বিভাগত আচুতীয়া সঞ্চালকৰ ব্যৱস্থা কৰা হৈছে। ১৯৭২-৭৩ চনৰ বাজেট বক্তৃতাত কৈছিলো যে প্ৰাথমিক স্কুল বিলাকত প্ৰি-প্ৰাইমাৰীৰ ব্যৱস্থা কৰিব লাগে। আগতে প্ৰাথমিক স্কুলত পাচ বছৰীয়া লৰা ছোৱালীৰ নাম ভৰ্ত্তি কৰিব দিছিল এতিয়া ছয় বছৰতহে কৰিব পাৰে। আনহাতে মণ্টেশ্বৰী স্কুল বিলাকত তিনি বছৰৰ পৰা নাম ভৰ্ত্তি কৰা

হয়। গতিকে লৰা ছোৱালী বিলাকৰ এটা বছৰ এনেয়ে যায়। সেই কাৰণে প্ৰি-প্ৰাইমাৰী শ্ৰেণীটো দুই বছৰীয়া লাগে। আৰু প্ৰত্যেক প্ৰাইমাৰী স্কুলতে প্ৰি-প্ৰাইমাৰী চেকচন খুলিব লাগে কাৰণ প্ৰাইমাৰী স্তৰতে লৰা ছোৱালীৰ শিক্ষাৰ ভেটি স্থাপন হয় গতিকে মই এইটো শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। যোৱা ফ্ৰেব্ৰুৱাৰী মাহত ২০০ জন প্ৰি-প্ৰাইমাৰী শিক্ষক লোৱা হব বুলি কোৱা হৈছিল। এইখিনি শিক্ষক আমাৰ কাৰণে যথেষ্ট নহয়। গতিকে আৰু অধিক শিক্ষক লব লাগে। এই শিক্ষিত নিবনুৱা সমস্যাৰ দিনত শিক্ষা বিভাগৰ প্ৰাইমাৰী স্কুলৰ পৰা মাধ্যমিক স্তৰলৈকে এই বছৰত প্ৰায় ১০,০০০ শিক্ষকক নিযুক্তি দিয়াটো বিশেষ উল্লেখযোগ্য কথা।

অধ্যক্ষ মহোদয়, যোৱা বছৰ পাঠ্য পুথিৰ কাৰণে লৰা ছোৱালীয়ে বহু অসুবিধা ভোগ কৰিব লগা হৈছিল। এতিয়াই বজাৰত কাগজ পাবলৈ নাইকীয়া হৈ আহিছে। যদি কৰবাত আছে তাৰো দাম বেছি। গতিকে যাতে পাঠ্য পুথি আৰু কাগজৰ অভাৱ অনাটন নহয় তাৰ কাৰণে শিক্ষা মন্ত্ৰী মহোদয়ৰ ওচৰত বিশেষ ব্যৱস্থা কৰিব বুলি আশা কৰিলো।

অধ্যক্ষ মহোদয়, মই আজি বেছি দীঘলীয়া কৰিব বিচৰা নাই। বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ আশাসুধিয়া চেষ্টাত ষষ্ঠ বিত্ত আয়োগৰ পৰা যিটো অনুদান পাইছে তাৰ কাৰণে বিত্ত মন্ত্ৰী ডাঙৰীয়া আৰু ষষ্ঠ বিত্ত আয়োগক ধন্যবাদ জ্ঞাপন কৰিছো। বিশেষকৈ আমাৰ অসমত এতিয়া ব্ৰহ্মপুত্ৰত এখন দলং আছে আৰু শিলঘাট আৰু পঞ্চৰত্নত আন দুখন দলংৰ কথা এই বিধানসভাতে কেইবাবাৰো উত্থাপন কৰা হৈছে। মই যোৰ দি কব খোজো যে নামনি অসমত দুখন দলং হলে ইয়াৰ ৰাইজৰ যেনেকৈ উপকাৰত আহিব তেনেকৈয়ে উজনি অসমতো যদিও ব্ৰহ্মপুত্ৰ উজনি অসমত কিছু বহল তথাপি এখন দলং নিতান্ত অপৰিহাৰ্য্য বুলি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। আকৌ আমি এতিয়াও অস্থায়ী ৰাজধানীতে বহি আছো। অতি সোনকালে স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয় কৰি তাৰ নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰিবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

অধ্যক্ষ মহোদয়, প্ৰথম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ পৰা আজিলৈকে বহুত কোটি টকা আমি জনসাধাৰণৰ কাৰণে খৰচ কৰিলো কিন্তু যিমানখিনি টকা খৰচ কৰা হল সেই হিচাবে আমি ফল পোৱা নাই। ইয়াৰ মূল কাৰণ যথা যথ পৰিদৰ্শন আৰু সদব্যৱহাৰ হোৱা নাই কাৰণেই কামত অহা নাই। সেইটো

কৰিলেহে পৰিকল্পনাৰ মাজেদি দেশখনক আগবঢ়াই আনিব পাৰিম। সেই কাৰণে পৰিকল্পনাত হাতত লোৱা কাম বিলাকত যাতে ভাল ধৰণে টকা খৰচ কৰা হয় তালৈ লক্ষ্য ৰাখিবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। যথাযথ ভাৱে ব্যৱহাৰ হোৱাৰ ওপৰতহে বেছি গুৰুত্ব আৰোপ কৰিব লাগে। বহুত ঠাইত বহুত ক্ষেত্ৰত সেই টকা বিলাক যথাযথ ভাৱে খৰচ নোহোৱা কাৰণেই পৰিকল্পনা মতে আগুৱাই যাব পৰা নাই। আঁচনি লৈছে যদিও আঁচনি আঁচনি হৈয়েই আছে। তাৰ দ্বাৰা জনসাধাৰণ ফলৱতী হব পৰা নাই। ইমপ্লিমেণ্টৰ ক্ষেত্ৰত জোৰ দিবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। তেতিয়াহলে মই ভাবো কাম বিলাক সফল হৈ উঠিব আৰু পৰিকল্পনাৰ যোগেদি আমি আগুৱাই যাব পাৰিম। এই খিনি কৈয়েই মোৰ কবলগীয়া শেষ কৰিলো।

শ্ৰীঘনকান্ত বড়ো:— অধ্যক্ষ মহোদয়, আমাৰ দেশখন এখন কৃষি প্ৰধান দেশ। কিন্তু কৃষি প্ৰধান দেশ হিচাবে আমাৰ দেশৰ বাজেটত কৃষিৰ ওপৰত যিখিনি গুৰুত্ব দিব লাগিছিল সেইখিনি গুৰুত্ব দিয়া মই দেখিবলৈ পোৱা নাই। বিশেষকৈ মই কব খুজিছো আমাৰ অসমৰ উত্তৰ অঞ্চলত ওলোটা খন্দা বিলাক পৰিপূৰ্ণ কৰি কোনো ব্যৱস্থা কৰা হোৱা নাই। এইটো নহলে সমস্যা সমাধান কৰিব নোৱাৰি। ফলত গোটেই ৰাজ্য উপকৃত হব নোৱাৰে। খেতি পথাৰৰ ওলোটা খন্দাই নষ্ট কৰা বন্ধ কৰিব নোৱাৰিলে ৰাইজৰ উপকাৰ নহব। প্ৰকৃততে বৈজ্ঞানীক ভাৱে সমাধান নকৰি বিছিন্নভাৱে কৰিলে কেতিয়াও ই কৃতকাৰ্য্য হব নোৱাৰে। মোৰ সমষ্টিতে দেখিবলৈ পাইছো চইল কনজাৰভেচনৰ যোগেদি যি কেইটা মান আচনি লৈছিলো সেই বিলাকো কৃতকাৰ্য্য হোৱা নাই। সেই কাৰণে মই ওলোটা খণ্ডা ব্যৱস্থা বৈজ্ঞানিক ভাৱে চাৰ্ভে আদি কৰি ঠিকমতে সমাধান কৰিবলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। দেখা গৈছে যে খেতিয়ক সকলৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া। আনকি ৰাইজৰ মাজত যিটো লিফট্ ইৰিগেচন আদি আচনি যোগান ধৰা হৈছে আৰ্থিক অৱস্থা বেয়া কাৰণে প্ৰয়োজনীয় সময়ত তেওঁবিলাকে পেট্ৰ্ল, ডিজেল আদিও কিনিব নোৱাৰে। কিয়নো পেট্ৰল আদিৰো দাম বাঢ়িছে। কৃষিৰ ক্ষেত্ৰত অধিক মনোযোগ নিদিলে কৃষি উৎপাদন বঢ়াব পৰা নহয়। আমাৰ চৰকাৰৰ ফালৰ পৰা এই ক্ষেত্ৰত দিয়া নেতৃত্ব সফল হোৱা নাই। বৰপেটা মহকুমাৰ কথাকে কওঁ, গৰু কিনা ঋণৰ বাবে তেওঁবিলাকক দিয়া হৈছিল মাত্ৰ এশ টকাকৈ। যি সময়ত গৰু এহালৰ দাম হৈছে চৈধ্য শ বা পোন্ধৰ শ কোনো কোনো ঠাইত

ছুহেজাৰলৈকে হৈছে সেই সময়ত এশ টকা গৰু কিনা ঋণ দিয়াৰে কি হব? এইটো হাঁহি উঠা কথাহে। যোৱা বছৰ খৰৰ সময়ত খেতিয়ক সকলে তেওঁলোকৰ থকা সা সম্পত্তি সকলো বেছি ঋণ গ্রস্ত হৈছে, অভাৱগ্রস্ত হৈছে গতিকে এতিয়া আৰ্থিক অৱস্থা আৰু বেয়া হৈছে। যদি পৰিকল্পনা অনুযায়ী উচিতমতে তেওঁলোকক ঋণ আদিৰ যোগান ধৰিব পৰা নাযায় তেতিয়াহলে কৃষি উৎপাদন বৃদ্ধি কৰা আশা কৰিব নোৱাৰি। ডিজেল মবিল আদি কিনিবলৈকো তেওঁলোকৰ হাতত পইচা নাই। তাতে এই পেট্ৰল, ডিজেল, মবিল আদিৰ দামো বৃদ্ধি হোৱাত এই ব্যৱস্থাৰে খেতিয়ক সকল উপকৃত হব পৰা নাই। গতিকে এই বিলাক কথালৈ গুৰুত্ব দিবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। আৰু পৰিকল্পিত ভাৱে সুবিধা দিয়াৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিলো। এতিয়া আমাৰ গাওঁবিলাকত বিজুলি যোগান ধৰা হৈছে কিন্তু মোৰ সমষ্টিতে বিজুলী যোগান নোহোৱা সংক্ৰান্তত এক্সিকিউটিভ ইঞ্জিনিয়াৰৰ ওচৰলৈ গলে কয় যে বিজুলি কম কাৰণে দিব পৰা নাই আন এজনৰ ওচৰলৈ গলে কয় যে খুটা আদি মেটিৰিয়েলচ্‌ৰ অভাৱ। এই ধৰণেই বিজুলী যোগান আদিও ঠিক মতে হোৱা নাই।

কিন্তু আমাৰ চৰকাৰৰ আজি দুৰ্ব্বলতা আৰু সুস্থ পৰিকল্পনাৰ অভাৱত অসমৰ নিচিনা এখন প্ৰাকৃতিক সম্পদৰে ভৰপূৰ ৰাজ্যতো বৃহৎ অথবা ক্ষুদ্ৰ উদ্যোগ গঢ়াত আগবাঢিব নোৱাৰাৰ প্ৰধান কাৰণ হ'ল আমাৰ ৰাজ্যখনত প্ৰয়োজনীয় বিদ্যুত শক্তিৰ অভাৱ পৰিলক্ষিত হৈছে, সেই কাৰণে মই চৰকাৰক জনাব বিচাৰিছোঁ যাতে এই প্ৰাকৃতিক সম্পদৰে ভৰপূৰ অসম ৰাজ্যখনত বিজুলী শক্তি সৰবৰাহ কৰাৰ কাৰণে অনতিপলমে উপযুক্ত ব্যৱস্থা হাতত লয় আৰু ইয়াৰ কাৰণে আজি আমাক সুস্থ পৰিকল্পনাৰ দৰকাৰ।

পৰিবহনৰ ক্ষেত্ৰত আজি এটা দুখ লগা অৱস্থা হৈ পৰিছে, ৰাস্তা পদুলী বিলাক যি ধৰণে হব লাগিছিল আৰু ৰাস্তা বিলাকৰ যি ধৰণৰ উন্নত কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগিছিল সেই ধৰণে লোৱা হোৱা নাই। তাৰোপৰি 'ট্ৰেন্সপোৰ্ট ষ্টেচনতো যুজ-বাগৰ হেচা-হেচি কৰিও টিকট এখনকে যোগাৰ কৰি লোৱা কঠিন কাম হৈ পৰিছে। আৰু যিমান খিনি টিকট ইচু কৰা হয় সিমান সংখ্যক যাত্ৰীক আসন কোনো কালে দিব পৰা নাই। আমাৰ বহুত মানুহে প্ৰাইভেট গাড়ী চলাবৰ কাৰণে চেষ্টা কৰিছে অথচ সেইটো লাইচেন্স দিব নোৱাৰাৰ ই কোনো কাৰণ থাকিব নোৱাৰে। কিছুমান ৰাস্তাত ট্ৰেন্সপোৰ্ট গাড়ী

চলি আছিল, আগতে পাটাছাৰকুছি সমষ্টিৰ মাজেদি গুৱাহাটীলৈ আৰু শিমলালৈ অহা যোৱা কৰিছিলো যদিও আজি প্ৰায় ৩ বছৰ এই ৰাস্তাটো বন্ধ হৈ আছে। এই বিষয়ে কেবাবাৰো আবেদন নিবেদন কৰাৰ পিছত মন্ত্ৰী মহোদয়ে ৰাইজক নানা প্ৰকাৰে আশ্বাস দিছিল কিন্তু সেই আশ্বাস মতে কাম আজিও নহল। গতিকে মই চৰকাৰক কওঁ, চৰকাৰে যিকোনো কথা কওঁতে জুখি-মাখি কথা কব লাগে, নহলে আমি চৰকাৰে কিবা এটা কৰি দিব বুলি কৈ ৰাইজৰ আগত নানা ধৰণৰ অপমান হবলগীয়া হও আৰু বহু সময়ত এই বিলাকৰ কাৰণে আমি বিব্ৰত হবলগীয়া হৈছো। যিটো কৰিম বুলি কোৱা হয় সেইটো ঠিকমতে কৰিব লাগে আৰু যদি কৰা নহয় তেতিয়াহলে নকৰো বুলি থিৰাংকৈ কৈ দিব লাগে নহলে আমি ৰাইজৰ আগত হাহিয়াতৰ পাত্ৰ হবলগীয়া হও।

আজি আমাৰ গোটেই দেশখনতে জনসংখ্যা বাঢ়িছে সেই অনুপাতে প্ৰতিখন চাবডিভিজনতে বা মহকুমাতে মানুহৰ সংখ্যা বাঢ়ি গৈছে, আগৰ যি প্ৰশাসনীক গাথনি আছিল সেই সময়ত সেই সেই অঞ্চল বিলাকত মানুহৰ সংখ্যাও কম আছিল কিন্তু সেই অনুপাতে এতিয়া বহুত বাঢ়িছে। বৰপেটা মহকুমাত প্ৰায় ১১ লাখ মানুহ, এই ১১ লাখ মানুহে তেওঁলোকৰ কাম-কাজৰ কাৰণে অফিচত গৈ যি ধৰণে কামৰ কাৰণে হেচা দিয়ে যে অফিচত কাম কৰা কৰ্ম্মচাৰী বা অফিচাৰে একেবাৰে বিব্ৰত হব লগীয়া হয়। গতিকে এনে ধৰণৰ পৰিস্থিতি হোৱাৰ কাৰণে অফিচ বিলাকত দুৰ্নীতিয়ে বিষমভাৱে শিপাইছে কাৰণ এনে এটা অৱস্থাত যিবিলাক মানুহে অলপ টকা পইচা দি তেওঁলোকক সন্তুষ্ট কৰিব পাৰে সেই বিলাকৰহে ২।১ কাম হব পাৰে। সেই কাৰণে মই কও আজি অসমৰ প্ৰশাসনীক গাথনিটোৰ পুনৰ গঠন কৰিবৰ কাৰণে প্ৰচেষ্টা চলাব বুলি মই চৰকাৰৰ ওচৰত দাবী কৰিছোঁ।

আমাৰ খেতিয়ক সকলৰ মাজত এতিয়া হুলস্থুল পৰিবেশৰ সৃষ্টি হৈছে। ৰায়তিস্বত্ব আইনমতে জৰীপ কাৰ্য্য চলোৱাৰ আৰম্ভ কৰাৰ লগে লগে দেখা গৈছে যে প্ৰকৃত যি সকল ৰায়ত আছিল সেই সকলক ৰায়তিস্বত্বৰ পৰা বঞ্চিত কৰাৰ কাৰণে প্ৰয়াস কৰা হৈছে। কৰ্ম্মচাৰী সকলে মাটিৰ মালিকৰে সৈতে মিলা-মিচা কৰি প্ৰকৃত ৰায়তি সকলক বঞ্চিত কৰাৰ প্ৰয়াস কৰিছে। বহু সময়ত দেখা যায় য'ত খেতিয়ক সকলে খেতি কৰি আছিল সেই ঠাইবিলাকৰ পৰা তেওঁলোকক উচ্ছেদ কৰা হৈছে ফলত নিজে খেতি কৰা মাটি দৰাৰ পৰা আতৰি আহিব লগা হৈছে। আনফালেদি মোকৰ্দ্দমা ইত্যাদিৰ আশ্ৰয় লবলৈ

আমাৰ দুখীয়া খেতিয়ক সকলৰ টকা পইচা নাই, গতিকে ৰায়তিস্বত্ব আইনখন থিকমতে কাৰ্য্যকৰী কৰি প্ৰকৃত যিবিলাক গৰীব আৰু যিবিলাক প্ৰকৃত ৰায়ত সেই সকলক ৰক্ষণা বেক্ষণ দিয়াৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ভালধৰণে চিন্তা কৰিব লাগে। আৰু মোকৰ্দ্দমাৰ আশ্ৰয় লোৱাত যাতে তেওঁলোকক বিশেষ ভাৱে ৰক্ষণা-বেক্ষণ দিব লাগে।

মই বৰ দীঘলীয়া কৰিব নোখোজো, এই গোটেইখনি কথা যদি থিকমতে কৰিব পৰা হয় তেতিয়াহলে আমাৰ খেতিয়ক সকলৰ মাজত এটা ভাল পৰিবেশ সৃষ্টি হব বুলি আমি আশা ৰাখিছো। লগতে মই আৰু এটা কথা কৈ শেষ কৰিম, সেইটো হ'ল আমাৰ অসমত প্ৰচুৰ মৰাপাট উৎপাদন হয়, অসমৰ ভিতৰত বৰপেটাতো প্ৰচুৰ মৰাপাটৰ উৎপাদন হয় কিন্তু এই মৰাপাট খেতি কৰা খেতিয়ক সকলে যি ধৰণে দাম পাব লাগিছিল সেই ধৰণে দাম পোৱা নাই কিনা বেচাৰ সময়ত আমাৰ ওচৰত এখন ডাঙৰ বজাৰত ২২ টকা মূল্যত মৰাপাট বিক্ৰী হৈছে, আজি খেতিয়ক সকলে এই মৰাপাটৰ নিচিনা আন আন খেতিবাতি যিমান কষ্ট কৰি আৰু টকা-পইচা খৰচ কৰি কৃষি-জাত বস্তু উৎপাদন কৰিছে সেইখিনি তেওঁলোকে বজাৰত বিক্ৰী কৰি যদি খৰচ খিনি নাপায় তেতিয়াহলে এই মৰাপাটৰ খেতি কৰা খেতিয়ক সকলে কেনেকৈ উৎসাহ পাব? গতিকে এনেবিলাক ক্ষেত্ৰত চৰকাৰে যিবিলাক আঁচনি লৈছে সেইমতে যাতে খেতিয়ক সকলে খেতিৰ মূল্য থিকমতে পায় তাৰ কাৰণে ৰক্ষণা-বেক্ষণ দিব লাগে।

তাৰ পিচত দেখা যায় আজি অসমত যিমান পৰিমানৰ মৰাপাট উৎপাদন হয় সেইমতে অসমত অতি কমেও ২০ টা মৰাপাটৰ কাৰখানা বহুৱাব পাৰি কিন্তু তাকে নকৰি আজি অসমৰ উৎপাদিত মৰাপাট অসমৰ বাহিৰৰ আন আন ৰাজ্যৰ মৰাপাটৰ কাৰখানাত ব্যৱহাৰ হৈছে তাৰোপৰি দেখা যায় আমাৰ ইয়াতো যি মৰাপাটৰ ২।১ টা কাৰখানা হৈছে তাত আমাৰ মৰাপাটৰ খেতি কৰা খেতিয়কৰ লৰা ছোৱালীয়ে কোনো ধৰণৰ চাকৰীৰ সা-সুবিধা পোৱা নাই, অসমৰ বাহিৰৰ মানুহেহে সুবিধা পাইছে। গতিকে আমাৰ অসমত আৰু কেইটামান মৰাপাট কল প্ৰতিস্থা কৰি অসমত উৎপাদিত মৰাপাট ব্যৱহাৰ কৰি তাত যাতে আমাৰ মৰাপাট খেতি কৰা খেতিয়কৰ লৰা ছোৱালীয়ে সুবিধা পায় তাৰ দিহা কৰিব লাগে। তেতিয়াহে নিবনুৱা সমস্যাৰ যি ৰূপে বাঢ়ি

আহিছে সেইটোৰ কিছু সমাধান হব বুলি আশা কৰিব পাৰো।

শেষত মই কব খুজিছো যে বিত্ত মন্ত্ৰী মহোদয়ে যিখন বাজেট ডাঙি ধৰিলে সেইখন মই ২ বাৰমান পঢ়িছোঁ। তাত দেখিছো এই বাজেটখনে বৰ্ত্তমান অসমৰ সমস্যা সমূহ দূৰ কৰাত যে কিবা সহায়ক হব আৰু সুস্থ হব সেইটো মই আশা কৰিব নোৱাৰো। গতিকে ইয়াত যি খিনি কামৰ উল্লেখ কৰা নাই, সেই সকলোবিলাক কামো যাতে থিকমতে কাৰ্য্যকৰী কৰে তেতিয়াহলেহে আমি সুখী হম বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

## DISCUSSION UNDER RULE 49

**Dr: Rabindra Kumar Goswami** : Mr: Deputy Speaker, Sir, I beg to raise a discussion under Rule 49 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly on a matter arising out of an answer to Starred Question No. 152 asked by Shri Dulal Chandra Barua on 22nd February, 1974 regarding "Industrial Projects of A.S. I.D.C.":

The Assam Small Industrial Development Corporation has so far incurred a loss of Rs. 28 lakhs. Since its inception it has established 9 industries of which 3 are now closed, 3 have been handed over to private parties and 3 are now functioning directly under the Corporation. Let me now deal with some of the units. First of all Jax Board Factory: Tinsukia. This factory was started in collaboration with M/s. William Jax & Co. of Calcutta. The project report, plan and estimates were prepared by the company, i.e., Jax & Co. and the S.I.D.C. at no time examined the project report, estimate and the plan. The loss in this Company was due to the failure on the part of the appointed sole selling agent, M/s. William Jax and Co. in selling the products of the factory. The sale price of the Company,

i,e, the selling agent was too high in comparison to the cost of production and utility of the product. The then Managing Director of S I.D.C. who happened to be the Director of Industries also at that time made the draft agreement with the company manipulating certain important clauses whereby it was the corporation which had to bear the burden of risk but not the selling agent. This was done without the knowledge of the Board of Directors of the Corporation: The draft agreement which was approved by the Board of Directors of S.I.D.C included one important clause - clause 7 which reads, "The Company, i. e, William Jax & Co) will purchase the entire production of Jax Board manufactured by the S.I.D.C, at Tinsukia. I emphasise the word, "entire production." When the agreement was finally signed by the Director of Industries and by the representative of M/s William Jax & Co. this important portion of the clause, i.e, "entire production" was omitted and an agreement was made which was fully favourable to M/s William Jax & Co Subsequently also no attempt was made to amend this agreement. There are doubts whether this small and very simple Jaxboard manufacturing machine which was used by Jack & Co. for more than 5 years at Dhanpur, U.P. would actually cost Rs. 75,000/- as shown by them. Many people believe that this factory was established in order to help M/s Jax & Co. to get rid of their obsolete and junk machineries.

Now I am coming to Match Splint Factory at Bijni. There was a ready market for the splints of the factory as WIMCO agreed to purchase a large quantity for their match facto-

ries. But the S.I.D.C. failed to meet the demand of WIMCO due to want of drying chambers to dry the splints as this was not included in the original plan prepared by the engineers of the Industries Department although it was very essential. Huge stocks of Simul logs pile up at the factory without being used for a considerable length of time which leads to heavy loss.

Now, C.I. Sheet Factory, Gauhati. Licence was procured from the Govovernment of India to manufacture C.I. sheets by galvanising and corrugating black sheets with a production capacity of 600 tons per annum and also to manufacture aluminium conductors with a production limit of 2000 tonnes per annum. Order for the galvanising machine was placed with M/S Chaliha Rolling Mills who had completed the installation of the machine but due to scarcity of Zinc the galvanising plant could not be commissioned at that time. As there was acute shortage or scarcity of C.I. sheets it was decided to corrugate the black sheets in the corrugating machine and to sell it after painting. But a corrugated machine could not be procured by the S.I.D.C. for more than 3 years. Later on the Managing Director of the S.I.D.C placed an order with M/S. Metal and Alloys, Tinsukia to supply two hand operated corrugating machines. As per orders of the Managing Director, 95% value of the machines was paid to the party on arrival of the machines without taking any trial. On trial it was found that this machine could not be used without certain alterations would involve additional expenditure. The price paid for these two machines was also very high. Natu-

rally the question arises why such high price was paid for such useless machines and the order was placed without inviting quotations.

Now, Bamboo and Cane Mill ; the main reason for the failure of this mill are firstly, no arrangement was made for marketing of the products. This factor was never taken into account when the plans, estimates and project reports were prepared. Secondly, mismanagement of the mill and thirdly, there was no arrangement for quality control. After the S.I D.C. took over this mill it secured a Defence order worth Rs. 10 lakhs. During the last phase of production for this Defence order the manager of the mill showed a p yment of rupees eight thousand against the receipt of 300 number of ration baskets, though in actual fact, he did not receive a single basket fr m the labourers. When it became known to some people, the Manager of the mill hurriedly procured 300 number of discarded baskets, inferior quality basket from a contractor of Karimganj to cover the physical shortage in the store. As these baskets were of inferior quality and were discarded baskets these were not passed by the Defence Department, As a result, the Mill sustained a heavy loss from which it could not recover. It is interesting to note in this connection that the contractor from whom these 300 baskets were procured is still demanding the payment for 300 number of rejected baskets priced as standard baskets. The machineries of this factory have sin e been removed and it has now been converted into a Tea Ware House.

Cachar Textile Industries : The loss sustained by it

amounts to Rs. 11 lakhs. There are several reasons for it.

1. Though the staff required for 196 powerlooms were recruited yet the entire 190 looms were never installed. As a result the over-head expenditure including rent etc. was much higher in comparison to the running looms.

2. The production was carried out without production plan and market study and as a result the products could not be marketed for which there was a huge accumulation of stock worth of Rupees 10 lakhs. This huge stock was later disposed of at 20% less than the cost production. For this the unit had incurred a loss of Rs. 1 lakh and 90 thousand leading to dearth of working capital to keep the looms running in the subsequent years.

3. In a stock varification the central excise officials detected storage of 12,000 metres of cloth in the stock which had gone out of the mill without their knowledge. The sales proceeds of the said quantity of cloth were not in the ledger book of the mill. In this connection the Central Excise letter No................. may be referred.

4. Certain expenses were incurred which had no use in Cachar Textile Industries. For example a conditioning unit, 12 sets of Drop Box equipments and a unit of Damping Liquer, mixing dashes were purchased which had no use in the mill. Therefore the amount spent for these purchases would be a total loss to the corporation.

I would like to draw your attention to the following remarks made by the auditor :

1. Cash balance are not properly verified as appeared from the books of accounts.

2. There were mistakes in book entries.

3. Ayurvedic products are showing loss for want of proper control over the production and the cost value of the stock of Lauha Vasma has been shown inflated as reported in earlier years.

4. Proper system of costing in units particularly in Cachar Textile Industries is lacking.

5. The labour and machineries were not fully utilised.

6. Over 21% capital is lost.

7. Some machineries are kept idle but depreciation has to be provided for.

Lump payment to M/S Hindusthan Steel Ltd. Gauhati against sale and irregularities thereto. On a scrutiny of the purchase account of raw materials Depot it has revealed that about 30 lump payments amounting to a total sum of Rs. 19 lakhs 51 thousand five hundred thirtyeight were made to Hindusthan Steel Ltd. Gauhati against their sale offers during 970-71 by debiting purchase account. Although the aforesaid payments were made by debiting purchase account, the actual receipt of the materials from Hindusthan Steel LTd. conld not be traced in the stock register of R. M. Depot Gauhati for want of relevant invoice No. and date through which actual supply was made.

Thereafter, an attempt was made to link up the invoice with those lump payments made to M/S H.S. Ltd. Gauhati even after the attempt to link up relevant invoice with those payments. The authority failed to link up Rs. 4 lakhs out of Rs. 19 lakhs and 5 thousand. In other words whereabout of these materials received against

the payment of Rs. 4 lakhs are not known till to-day. Sir, at the moment 1400 tons of materials are lying in the store undisposed. Out of that 1200 metric tons are yet to be allotted by Director of Industries, Assam though intimation has been given to him months ago. There is no coordination between industries Department and S.I.D.C. The industries Department have not even furnished a list of registered units. For all the anomalies the industries Department is more to be blamed than the S.I.D.C. I would like to cite two examples:

1. The Agarwal Tube Co of Tinsukia was registered for the purpose of wire drawing-Registration No. being IR/DIB/70-71/150/1970. But the Director of Industries recommended structural materials vide his letter No: IRM30/70/115, 9.9.70 for 7,900 metric tons and by anoth r letter No. IRM16/70/77A dated 12.6.70 recommended 4000 metric tons of structural materials ( Joint and channals ) although the unit was for wire drawing.

This same unit was given 670 metric tons of structural materials for the period from April, 1973 to January, 1974.

M/S Dhanpatrai Agarwala and Co was registered for the purpose of G.I. Ridging, barbed wire and fencing-Registration No. being N OL/177 dated 16.10.70. Sir, I would like you to remember the date. Because this is important. The Director of Industries recommended 1500 metric tons for structural and steel materials vide his letter No. IRM30/70/102, dated 10.9.70. Now Sir, this unit was registered on 16.10.70 but the recommendation was made on 10.9.70 i.e. one month before the unit was

registered. This unit also received 497·85 metric tons of structural materials during the period April 1973 to January, 1974.

Now Sir, some people in their greater wisdom might think that this exposure, these revealations will demoralise the officers of the Department and may bring a bad name to the state. But I am sure not all people will agree with this spacious argument. Disease of the society like disease of any humanbeing requires thorough probing and diagnosis. Some people try to hide their diseases even to themselves by avoiding medical examination lest they might get a shock about it. By trying to supress the disease and thereby avoiding a shocking revealation they bring misery to themselves and their lives become useless. Same is the case with society which hides its diseases and theirby allow it to eat into the very vitals of society in the darkness of secrecy. The only way to rid the society of the Octopus lipe grip of a rapacious and licentious bureaucracy is to expose their misdeeds to the glare of public view. As you know Sir, sun light is a great germ killer. Similarly deadly germs of corruption can also be destroyed by exposing them to the glaring light of the public view. I am speaking these particularly about the corruption and misdeeds in the Industries Department more with sorrow than with anger. More with a view to extirpating them than with any sadistic desire to malign anybody. To day I feel like Edmund Buorke that it is such a situation, that it is such a state of affair on which it is difficult to speak-but it in impossible to remain silent.

With these few words Sir, I would like to place on the floor of the House a copy of the report submitted by the Controller of Steel and Iron to the Director of Industries. I have already made a reference to this report earlier in my speech and a copy of which has already been given to the hon'ble Speaker, to the hon'ble Chief Minister and also to the Minister for Industries. Thank you Sir.

শ্ৰীঅতুল শইকীয়া ঃ— অধ্যক্ষ মহোদয়, মই এই বিষয়ে আৰু বেছি কথা নকওঁ, এই ফেকটৰিৰ দুৱাৰ আজি দুবছৰ ধৰি খোলা নাই। কিন্তু যোৱা এক বছৰ ধৰি ১০ টনৰ ঠাইত ১২ টনলৈ বিল কৰি থাকে। এই বিলাকৰ এটা প্ৰতিষেধক ব্যৱস্থা লব লাগে। ইতিমধ্যে মন্ত্ৰী মহোদয়ে এই মৰ্ম্মে বহুতো কামেই কৰিছে কিন্তু এনে ধৰণৰ দুৰ্নীতি দূৰ কৰিবলৈ যথেষ্ট চেষ্টা কৰিছে, গতিকে এই বিষয়টো চোকা দৃষ্টি দিব। ইয়াৰ উপৰিও জুইশলা কাৰখানাৰ লগত আমাৰ বন বিভাগৰ এটা নিৰ্দ্দিষ্ট থিকা আছে আৰু তাত যি টকা পায় সেই টকা নানা হিনদেৰীৰ কাৰণে জুইশলা কাৰখানাই পাইছে। কথা হৈছে যি পৰিমানৰ কাঠ দিয়া হৈছে তাত হয়তো ১০ টন কাঠ দিলে ১২ টনৰ বিল হয়। এনে ধৰণৰ বিপৰ্য্যয় ঘটি আছে। কিছুমান কাঠ বেয়া বুলি অভিহিত কৰে আৰু তাৰ দাম আমাৰ বনবিভাগে নাপায়। কিন্তু সেই কাথ বিলাক দিয়াচলাই তৈয়াৰ কৰাত ব্যৱহাৰ হয় সেইটো ধুবুৰীলৈ লৈ যায়। মেটচ্ ফেক্টৰীয়ে যি-বিলাক জুইশলা দিছে তাৰ শতকৰা ২৫ ভাগেই বেয়া, তাৰ দাম কাটিব বুলি কয়। কিন্তু সেই কাঠকে ব্যৱহাৰ কৰি আমি ব্যৱহাৰ কৰা দিয়াচলাই বিলাক তৈয়াৰ কৰিছে। এনেধৰণৰ কাৰবাৰ আৰম্ভনিৰে পৰা চলি আছে। আশাকৰো মন্ত্ৰী মহোদয়ে এইটো দূৰ কৰিবলৈ চেষ্টা কৰিব।

তাৰ পাচত আয়ুৰবেদিক কাৰখানাত সোণ আৰু কানি পোৱাৰ কথা আছে। তেওঁলোকক কিমান লাগে নাজানো। কিন্তু এটা ঘোনুক ঘানাককৈ অভিযোগ চলি আছে যে সোণ আৰু কানি কামত লগোৱা নাই। এনে ধৰণৰ দুৰ্নীতিৰ বিষয়ে মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰিব। এনে ধৰণৰে কিছুমান উদ্যোগৰ নামত দুৰ্নীতি কৰিছে আৰু বহুতো প্ৰয়োজনীয় বস্তুৰ অপব্যৱহাৰ কৰিছে। ইয়াৰ প্ৰতি মই মন্ত্ৰী মহোদয়ৰ চোকা দৃষ্টি আকৰ্ষণ কৰিলো।

Md. Idris, (Minister, Industries) :— Mr. Deputy Speaker, Sir, the discussion raised by Hon'ble Member Shri Goswami has covered Small scale Industries Development Corporation. Firstly, he has dealt with about the condition of a few small scale units here managed, established and run by A.S.I.D.C. Then he has also mentioned about some anomalies in the store of A.S,I.D.C. and also some stagnant materials at the moment which are not distributed by the Director of Industries. Thirdly, he has given a story about allotment of raw materials to SSI in Tinsukia. In one case, distribution was made in issuing registration certificate and in another case it was very fabulously. Sir, all these instances realy relate to this state of affair and has been prevailing in this Corporation. Sir, in my reply, if I do not give the year of establishment of these units, the House may be under the impression that this state of affair, which has been created very recently, but I must inform the House that this state of affair started right from the beginning of the installation of these units, some in the year 19 4- 5 and some in the year 1966-67 and all through the years the perfomances really got many defects resulting accumulated loss year after year. As my Hon'ble friend is a renouhed paysician he has rightly diagnised. Though the patient should not decease and action should also be taken, the patient should not undergo fatal operation that he should die. Therefore Sir, I am thankful to my Hon'ble friend that he has made relevant.

Shri Dulal Ch. Barua : How the Minister can presume that there would be a fatal operation ?

*Md. Idris : I guess all the facts in full background of industrialisation of our State, which now follow the patients condition on the climate of industrialisation more particulary about this small scale industries, which is very vital for removing unemployment problem and also to create opportunities for production etc. Sir, this state of affair has been drawing the attention of the Government as well as the people who are at the charge of this Corporation and to the satisfaction of the Hon'ble Members I would like to submit that it would not be possible to remove all these defects overnight. But action has already been started. The Corporation has started some action by which, it is expected the functioning of this Corporation can be, would be set right. Sir, about the deceased units which are incurring losses year after year, the Corporation has decided to close down three of them—the Jax Board, Nilachar Soap Factory and Bamboo & cane Mills. About which my Hon'ble friend said, I do not like to enter into the some units which incurr loss and closed down. No expenditure is now incurred on that account. About the Oil Crushing Unit and also Bamboo & Cane Mills about which my Hon-ble friend has mentioned, the Corporation has decided to dispose of these two units to entrust it to entrepreneur. And some advertisement has been made asking quotations from entrepeneur and time of receiving quotations is fixed 30th March, 1974. My Hon'ble friend has also mentioned about Match Splint Factory of Bijni. He has also mentioned about Companies who are willing to purchase direct, but the authority has not agreed to to sell to them. My

* Speech not corrected.

information is, one of the reasons for such loss is there is no competition because the Assam Match Factory is the only purchaser of this splint from the foctory.

In any way I shall have to look into it, but the remedy is already over because the present management has taken some steps to reduce the overhead expenditure of the Match Splint factory and also to improve the quality of the splint by applying improved methods. So now the rejection of the splint by the Match Company which was used to be 25% has come down to 10 or 15%. With some care from the Corporation I hope this performance of the Bijni Match Splint Factory would improve. Further the Corporation is also thinking to find out a suitable enterpreneur to whom this could be handed over if he is at all willing to take it over. About the Badarpur Textile unit it is really in a sorry state of affairs. I made no concealment of the loss sustained by this Unit in reply to a supplementary put by my friend. I then said that the loss was about rupees 11 lakhs during the last few years. The Corporation has decided to dispose up this unit to an entrepreneur who has taken loan from this Corporation. These are the few steps taken to remove the ailments of the existing units. Regarding the Raw Material Depot, the Corporation has decided to establish full-fledged stores at Tinsukia and Gauhati. The Corporation also proposes to set up an inspection wing with an Machanical Engineer to assess capacity of the units and performance. These are the few renovations this Corporation is thinking about for revitalising the Raw Material Depot. Sir, Hon'ble friend has mentioned

about the circular which has been sent to the Director of Industries by the Steel Controller to the Government of India. This report contains some valuable suggestions, but this has come to my notice very late, and in fact as soon it had been brought to my notice I asked the Director to take action according to the suggestions, and, in fact a few actions have already been initiated, for example, direct indent of raw materials has been totally stopped. About the disposal of the stagnant raw materials to the tune of 1400 metric tonnes the Director of Industries was empowered to make allotment of this quantity. Somehow or other there is some delay in making the allotment. I shall look into this matter. In fact I had personally been to Tinsukia and saw 900 metric tons of raw materials and it is to the interest of the Corporation to dispose up this stock. As regards promotional activities which ought to have been the function of this Corporation, the Corporation with the newly constituted Board has decided to go firmly with the promotional activities. Sir, I am glad to inform the House that in the meantime the Corporation has finalised a hire purchase agreement and has advanced seed money to 6 enterpreuners. The Corporation has provided for equity participation with two firms and proposes to establish 12 mini industrial estates in different parts of the State. They also propose to take up some comprehensive training programme for training of enterpreuners and also for the workers who work in these units in collaboration with the SISI. These are the few steps which this newly constituted Corporation proposes to initiate, and I am sure that if they could sin-

cerely follow up this matter and could attract the co-operation of all concerned and also of the Directorate on whom the entire blame has been laid by my friend Shri Goswami for this sad condition of the Corporation I agree with him because the Corporation is to work under the guidance of the Directorate and the Secretariate. There is no doubt about it. About the Jax Board anomalies, some proceedings are pending against some officers. So in a nutshell I want to submit that Government is not a silent onlooker, but Government is also thinking very seriously to re-organise and revitalise the Corporation. This Corporation is of great public importance for development of small scale industries in the State. Therefore, I humbly appeal to all the Members of this Agust House to help this organisation. I shall also appeal to them to offer their valuable suggestion as to how best we can create a congenial climate for growth of small scale industries in the State. With these words I would conclude.

*ADJOURNMENT*

Mr Deputy Speaker: The House stands adjourned till 10 A.M. tomorrow.

The House stood adjourned at 5.40 P.M. till Wednesday the 13th March, 1974.

Dated, Dispur
The 12th March, 1974

**P. D. Barua**
Secretary
Assam Legislative Assembly